www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শিলৰ দেৱালে কাৰাগাৰ নিৰ্মাণ নকৰে। লোৰ শিকলিয়েও সজা তৈয়াৰ নকৰে। যিসকল সবল আৰু শান্তিপ্ৰিয় লোক তেওঁলোকে ইয়াক আশ্ৰম বুলিহে জ্ঞান কৰে। - এমাৰ্ছন ম

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ১৫৫ □ বৃহস্পতিবাৰ □ ২৬ মাৰ্চ, ২০২৬ চন □ Volume/Year- I □ Issue- 155 □ Thursday □ 26th March, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

□ ঘটনা সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীৰ উপকূলৰক্ষীয়ে প্ৰস্তুত কৰা প্ৰতিবেদনক ন্যায্যতা প্ৰদান ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতৰ □

## সাগৰত সাঁতুৰিবলৈ গৈ আকস্মিকভাৱে পানীত ডুবি মৃত্যু হৈছিল ঈশ্বৰপুত্ৰ জুবিনৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** জনপ্ৰিয় অসমীয়া গায়ক জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ উত্তপ্ত বিতৰ্কৰ মাজত ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতে আজি চূড়ান্ত ৰায় ঘোষণা কৰিছে। আদালতে স্পষ্টভাৱে কৈছে যে ২০২৫ চনৰ ছেপ্তেম্বৰ মাহত লাজাৰাছ দ্বীপৰ ওচৰত য়টৰ পৰা সাঁতুৰিবলৈ নামি জুবিন গাৰ্গৰ মৃত্যু এটা অতি দুৰ্ভাগ্যজনক আৰু আকস্মিক দুৰ্ঘটনা। ইয়াক □ ৬ পৃষ্ঠাত

## কংগ্ৰেছৰ চৰকাৰ আহিলে বৰপেটা মেডিকেল কলেজৰ নাম পুনৰ কৰা হ'ব ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ ঃ গৌৰৱ গগৈ

**অসম বাৰ্তা, জনীয়া, ২৫ মাৰ্চ ঃ** বৰপেটাৰ জিলাৰ নৱ গঠিত ২২ নং মন্দিয়া সমষ্টিত বিৰোধী ঐক্য মঞ্চ তথা কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী আব্দুল খালেকৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত হেলিকপ্টাৰ যোগে □ ৬ পৃষ্ঠাত



সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত আক্ৰমণ ! তীব্ৰ প্ৰতিক্ৰিয়া

## শিৱসাগৰৰ কাৰৈমাৰীত সহস্ৰাধিক বাতৰি কাকতৰ টোপোলা জ্বলালে দুষ্কৃতিকাৰীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ কাৰৈমাৰী অঞ্চলত এটা উদ্বেগজনক ঘটনা সংঘটিত হৈছে। বাতৰি কাকত বিতৰণ কৰা গাড়ী এখন ৰখাই দুৰ্বৃত্তই 'অসমীয়া প্ৰতিদিন'ৰ সহস্ৰাধিক কপি জব্দ কৰি জ্বলাই দিয়াৰ ঘটনাই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ □ ৬ পৃষ্ঠাত



কংগ্ৰেছ প্ৰাৰ্থী ব'টাছ ওৰাঙৰ আঁসোৱাহ সত্ত্বেও চাৰিওখন মনোনয়ন পত্ৰ বৈধ ঘোষিত

## অৱশেষত গ্ৰহণ কৰিলে ঢেকীয়াজুলিৰ বিজেপি প্ৰাৰ্থী অশোক সিংহলৰ মনোনয়ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰস্তুতিৰ মাজত ঢেকীয়াজুলি □ ৬ পৃষ্ঠাত

কলগাছিয়াত কংগ্ৰেছৰ বিশাল জনসভাত মুখ্যমন্ত্ৰীক তীব্ৰ আক্ৰমণ

## মই মুখ্যমন্ত্ৰী হ'লে হিমন্ত বিশ্ব শৰ্মা অসমত থাকিব নোৱাৰিব ঃ গৌৰৱ

**অসম বাৰ্তা, কলগাছিয়া, ২৫ মাৰ্চ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে বুধবাৰে □ ৬ পৃষ্ঠাত

□ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ পৰ্যাপ্ত ইন্ধন মজুত থকাৰ আশ্বাস □

# দেশত বৃদ্ধি নহয় পেট্ৰ'ল-ডিজেলৰ দাম



## সামাজিক মাধ্যমত প্ৰচাৰিত উৰা বাতৰিৰ পৰা সকলোকে সাৱধান হ'বলৈ আহ্বান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** ভাৰত চৰকাৰে স্পষ্টকৈ জনাইছে যে, পশ্চিম এছিয়াৰ চলি থকা সংঘাত আৰু তাৰ ফলত সম্ভাব্য শক্তি যোগানৰ ব্যাঘাতৰ মাজতো দেশত পেট্ৰ'ল, ডিজেল বা এলপিজিৰ কোনো ধৰণৰ অভাৱ সৃষ্টি হোৱা নাই। চৰকাৰী তেল কোম্পানীসমূহে নিশ্চিত কৰিছে যে, দেশৰ হাতত পৰ্যাপ্ত পৰিমাণৰ ইন্ধনৰ মজুত আছে আৰু যোগান ব্যৱস্থা সম্পূৰ্ণ সুস্থিৰভাৱে চলি আছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বিবৃতিত কৈছে যে, অনলাইনত □ ৬ পৃষ্ঠাত



ক'ৰনাৰ্ছ আদালতৰ ৰায়দান সম্পৰ্কত সভাপতি গৌৰৱ গগৈৰ সংবাদমেল

## ছিংগাপুৰৰ বিষয়াই কৈ থকা ধৰণেই ৰায় দেখা গ'ল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ মাৰ্চ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে ছিংগাপুৰৰ ক'ৰ'নাৰ্ছ আদালতে জুবিন গাৰ্গৰ মৃত্যুক 'আকস্মিক ডুবি □ ৬ পৃষ্ঠাত

## 'ক'ৰনাৰ্ছ আদালতে পূৰ্বেৰে পৰা একেখিনি কথাই কৈ আহিছে'

ক'ৰনাৰ্ছ আদালতৰ চূড়ান্ত ৰায়দানক লৈ প্ৰতিক্ৰিয়া গৰিমা শইকীয়া গাৰ্গৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, সোণাপুৰ, ২৫ মাৰ্চ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত ছিংগাপুৰৰ কৰ'নাৰ্ছ আদালতে আজি চূড়ান্ত ৰায়দান প্ৰদান কৰিছে। সেই ৰায় প্ৰকাশৰ পিছতে সোণাপুৰৰ □ ৬ পৃষ্ঠাত



টীয়ক সমষ্টিৰ অগপ প্ৰাৰ্থী আচলতে বিজেপিৰ লোক, বিৰোধী ঐক্যই উজনি অসমৰ ১০-১২টা সমষ্টি বিজেপিক দিব ঃ অখিল

## শদিয়াৰ পৰা বোকাখাতলৈকে অগপক মুক্ত কৰি পেলালে বিজেপিয়ে ঃ অখিল গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** বিৰোধী শক্তিসমূহৰ ঐক্য গঢ়ি উঠাৰ পিছত ৰাইজ দলৰ সভাপতি অখিল গগৈয়ে দুগুণ উৎসাহেৰে নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে। বুধবাৰে ১০১ নং মৰিয়নী সমষ্টিৰ অন্তৰ্গত টীয়কৰ কলিয়াপানী ব্লক কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত □ ৬ পৃষ্ঠাত



হোজাই সমষ্টিৰ ৰজাগাঁৱত বিজেপিৰ বিজয় সংকল্প সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

## '২৬ত চৰকাৰ গঠন কৰিলে ২ লাখ চাকৰি দিম ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

**অসম বাৰ্তা, কামপুৰ, ২৫ মাৰ্চ ঃ** হোজাই সমষ্টিৰ ৰজাগাঁৱত বিজেপিৰ বিজয় সংকল্প সভাত হেলিকপ্টাৰ যোগে উপস্থিত হয় অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব □ ৬ পৃষ্ঠাত

নগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাত গৌৰৱ গগৈক আক্ৰমণ হিমন্ত বিশ্ব শৰ্মাৰ

## অসমত কংগ্ৰেছৰ চৰকাৰ নাহে, পাকিস্তানত আহিব পাৰে ঃ মুখ্যমন্ত্ৰী

'গৌৰৱ গগৈয়ে পত্নীৰ পাকিস্তানৰ একাউণ্টটো কিয় দিয়া নাই শপতনামাত'

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰূপক শৰ্মাৰ হৈ বুধবাৰে নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিৰোধী দলসমূহক তীব্ৰ আক্ৰমণ কৰে। ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত প্ৰায় ২০ সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীয়ে নগাঁৱৰ বিকাশমূলক □ ৬ পৃষ্ঠাত





টংলাত এন.ডি.এ প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ বিজয় সু-নিশ্চিত কৰিবলৈ নিৰ্বাচনী বৈঠক

## বিটিচিৰ ১৫ খন আসনতে 'এনডিএ'ই মাৰিব শেষ হাঁহি ঃ জয়ন্ত মল্ল বৰুৱা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৫ মাৰ্চ ঃ** টংলাৰ শ্বহীদ সুজিত নাৰ্জাৰী সমূহীয়া প্ৰেক্ষাগৃহত বি.টি.চিৰ □ ৬ পৃষ্ঠাত

প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দুলু আহমেদৰ সংবাদমেল

## 'মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভুলৰ বাবেই ন্যায় নাপালে জুবিন গাৰ্গে'



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত ছিংগাপুৰৰ ন্যায়ালয়ে ৰায় ঘোষণা কৰাৰ পাছতে তৃণমূল কংগ্ৰেছৰ নেতা দুলু আহমেদে হাজোত এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত তেওঁ অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তীব্ৰ সমালোচনা কৰে। দুলু আহমেদে □ ৬ পৃষ্ঠাত



৪ বিধানসভা সমষ্টিত প্ৰতিযোগিতা তীব্ৰতৰ

# ওদালগুৰি বিধানসভা নিৰ্বাচন; ২৫ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৪ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ বাবে আজি লৈকে ওদালগুৰি জিলাৰ চাৰিখন বিধানসভা সমষ্টিত মনোনয়ন দাখিলৰ অন্তিম দিন সম্পন্ন হৈছে। জিলাখনত মুঠ ২৫জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে, যাৰ ভিতৰত বিভিন্ন ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীও আছে। ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিত ক্ৰমে স্বৰ্ণলতা চলিহা চোচিয়েলিষ্ট ইউনিটি চেণ্টাৰ অফ্ ইণ্ডিয়া (এচ ইউ চি আই), দীপক ৰাজবংশী, গণ সুৰক্ষা পাৰ্টী, চহন গোড়, গণ্ডোৱানা গণতন্ত্ৰ, মহেশ্বৰ বড়ো, বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ), নেৰশ্বন বড়ো, ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল), অনচুলা গৌৰা দৈমাৰী, ভাৰতীয় জাতীয় কংগ্ৰেছ, সুব্ৰত শীল, নিৰ্দলীয়, বিনয় কুমাৰ বসুমতাৰী, ভোটাৰ্চ পাৰ্টী ইণ্টাৰনেশ্বনেল (ভিপিআই), প্ৰভাত দাস পাণিকা, ঝাৰখণ্ড মুক্তি মৰ্চা, ৪৬ নং ওদালগুৰি সমষ্টিত (অনুসূচিত জনজাতি সংৰক্ষিত) সুৰেন দৈমাৰী, ভাৰতীয় জাতীয় কংগ্ৰেছ (আইএনচি), ইউনিক বসুমতাৰী, ভোটাৰ্চ পাৰ্টি ইণ্টাৰনেছনেল (ভিপিআই), ৰিহন দৈমাৰী (বড়োলেণ্ড পিপলছ ফ্ৰণ্ট - বিপিএফ), দীপেন বড়ো, ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল), ৪৭নং মাজবাট বিধানসভা সমষ্টিৰ পৰা ৰবিন্দ্ৰ বসুমতাৰী, ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল), নাৰায়ণ অধিকাৰী, ভাৰতীয় জাতীয় কংগ্ৰেছ (আইএনচি), প্ৰীতিৰেখা বাৰ্লা, জয় ভাৰত পাৰ্টী, অশোক গয়াৰী, ভোটাৰ পাৰ্টী ইণ্টাৰনেশ্বনেল (ভিপিআই), লগতে বড়োলেণ্ড পিপলছফ্ৰণ্ট (বিপিএফ)দলৰ প্ৰাৰ্থী চৰণ বড়োয়ে মনোনয়ন দাখিল কৰে। ৪৮ নং টংলা বিধানসভা সমষ্টিৰ পৰা আজি মনোনয়ন দাখিল কৰে মুঠ ৭ গৰাকী প্ৰাৰ্থী জিতেন্দ্ৰ চলিহা, চোচিয়েলিষ্ট ইউনিটি চেণ্টাৰ অফ্ ইণ্ডিয়া (এচ ইউ চি আই), বিকন চন্দ্ৰ ডেকা, ভাৰতীয় জনতা পাৰ্টী (বিজেপি), ৰোহিত পাৰিগা, ইণ্ডিয়ান নেশ্বনেল কংগ্ৰেছ ( আইএনচি), নগেন চন্দ্ৰ ডেকা, গণ সুৰক্ষা পাৰ্টী, জয়ন্ত কুমাৰ ৰাভা, ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল), ফুলন কছাৰী, ভোটাৰ পাৰ্টী ইণ্টাৰনেশ্বনেল (ভিপিআই), বিশ্বদত্ত তাঁতী, গণৱানা গণতন্ত্ৰ। আজিৰ সৈতে ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিত মুঠ ৯ খন, ৪৬নং ওদালগুৰি বিধানসভা সমষ্টিত ৪ খন, ৪৭ নং মাজবাট সমষ্টিত ৫খন আৰু ৪৮ নং টংলা বিধানসভা সমষ্টিত ৭খন মনোনয়ন দাখিল কৰা হয়। এইদৰে জিলাখনত আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে মুঠ ২৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে বুলি ওদালগুৰি জিলা তথ্য আৰু জনসংযোগ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়াই জানিবলৈ দিয়ে।

থিতাতে নিহত এজন আৰু গুৰুতৰভাৱে আহত চাৰিজন

# গোৱালপাৰাৰ জিলাৰ ৪৬ নং ৰাজ্যিক ঘাইপথৰ দোমনিত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, গোৱালপাৰা, ২৪ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ মাটিয়াৰ ডোমনি অঞ্চলত সোমবাৰে সংঘটিত হৈছিল এক শোকাবহ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ বিপৰীতে আন চাৰিজন গুৰুতৰভাৱে আহত হয়। আহতসকলৰ মাজত এটি শিশুও থকা বুলি জানিব পৰা গৈছে। ঘটনাটো বিয়লি প্ৰায় ২ঃ৩০ বজাত সংঘটিত হয়। স্থানীয় ৰাইজৰ সহায়ত আৰক্ষীয়ে আহতসকলক উদ্ধাৰ কৰি সংকটজনক অৱস্থাত শ্বহীদ নিধানু ৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নিহত লোকজনৰ নাম ছৰিফুল ইছলাম (২৫) বুলি চিনাক্ত কৰা হৈছে। আনহাতে, এই ঘটনাত ই-ৰিস্কা খনত থকা মাটিয়াৰ বামুণপাৰাৰ শ্বাহিদ চৌধুৰী নামৰ এজন লোকো আহত হয়। জানিব পৰা মতে, মাটিয়া দিশৰ পৰা আহি থকা এখন এস্কেভেটৰে গোৱালপাৰা দিশৰ পৰা আহি থকা বেটেৰী চালিত ই-ৰিস্কাখনৰ সৈতে মুখামুখি সংঘৰ্ষ হয়, যাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। সংঘৰ্ষত ই-ৰিস্কাখন সম্পূৰ্ণৰূপে বিধবস্ত হয়। দুৰ্ঘটনাগ্ৰস্থ এস্কেভেটৰখনৰ নম্বৰ ML10D0248 আৰু ই-ৰিস্কাখনৰ নম্বৰ AS18 AC7965 বুলি জানিব পৰা গৈছে। এই ঘটনাৰ পাছত আজি গোৱালপাৰা জিলা পথ দুৰ্ঘটনা সমিতিৰ সভাপতি তথা জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত তেওঁলোকে ঘটনাস্থলীৰ পৰিস্থিতি বুজ লৈ লগতে স্থানীয় ৰাইজ আৰু দোকানীৰ সৈতে মতবিনিময় কৰে। পৰিদৰ্শনৰ সময়ত জিলা আয়ুক্তে জনোৱা মতে, ঘটনাস্থলীৰ পথচোৱা ভাল অৱস্থাত আছে আৰু পথত কোনো ধৰণৰ গাত বা বিসংগতি নাই। ওচৰতে থকা এটা তেল ডিপোৰ চি চি টিভি কেমেৰাত বন্দী দুৰ্ঘটনাৰ দৃশ্যও বিষয়াসকলে পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ অন্তত জিলা আয়ুক্তই লোক নিৰ্মাণ (পথ) বিভাগৰ অভিযন্তাক সেই স্থানত পথ সুৰক্ষাৰ সজাগতামূলক ফলক বা চিহ্ন স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে। স্থানীয় লোকে জনোৱা মতে, দুৰ্ঘটনাৰ সময়ত ই-ৰিস্কাখন দ্ৰুতগতিত চলি আছিল। ঘটনাটোয়ে সমগ্ৰ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## গ্ৰাম্য শিপিনীসকলক আগুৱাই নিয়াৰ উদ্দেশ্যে চাংসাৰিৰ বোৰ্কাত মহিলা শাখা গঠন




**অসম বাৰ্তা, আমিনগাঁও, ২৪ মাৰ্চ ঃ** চাংসাৰিৰ নিকটৱৰ্তী বোৰ্কাত অৱস্থিত মধ্য কামপীঠ মহাবিদ্যালয় প্ৰাঙ্গনত গ্ৰাম্য অঞ্চলৰ শিপিনী সকলক আগুৱাই নিয়াৰ উদ্দেশ্যে এখনি সাধাৰণ সভাৰ আয়োজন কৰা হয়। এই সভাখন প্ৰিয় নাৰী ড০ মন্দিৰা বৰুৱাৰ তত্ত্বাৱধানত আৰু মলয়া কলিতাৰ আহ্বানত অনুষ্ঠিত হয়। উক্ত সভাখনত সমাজসেৱীকা নীলিমা মেধিয়ে সভাপতিত্ব কৰে। সভাত সাতসৰী সামাজিক আৰু সাংস্কৃতিক উন্নয়ন সংস্থাৰ উদ্যোগত “জ্যোতি ৰূপা” নামৰ মহিলা শাখা এটি গঠন কৰা হয়। নৱগঠিত শাখাটোৰ সভাপতি হিচাপে নীলিমা মেধি, সম্পাদিকা হিচাপে মলয়া কলিতা আৰু সহ-সম্পাদিকা হিচাপে জুনুকা দেৱীক নিৰ্বাচিত কৰা হয়। লগতে সদস্যা হিচাপে বন্দনা বৈশ্য, মিতালী ডেকা, ৰুমী নাথ, তৰালী নাথ, জানমণি পাটোৱাৰী আদি মিলাই প্ৰায় ৩৫ জনীয়া এখন কমিটিৰে শাখাখন গঠন কৰা হয়। সভাত জানিবলৈ দিয়া হয় যে, সাতসৰী সামাজিক আৰু সাংস্কৃতিক উন্নয়ন সংস্থাই সমগ্ৰ অসমজুৰি ইতিমধ্যে ১১টা শাখা গঠন কৰিছে। ইয়াৰে মাজুলীৰ শাখাটোৱে আশাপূৰ্ণ ফলাফল প্ৰদৰ্শন কৰা বুলি মন্তব্য কৰে ড° মন্দিৰা বৰুৱাই। তেওঁ লগতে কয় যে, শাখাসমূহৰ অধীনত থকা শিপিনী সকলৰ দ্বাৰা এক লাখ গামোচা তৈয়াৰ কৰাৰ লক্ষ্য লৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে, যাতে শিপিনী সকলৰ আৰ্থিক সবলীকৰণ নিশ্চিত কৰিব পাৰি। এই উদ্দেশ্যে শিপিনী সকলক প্ৰয়োজনীয় সূতা আৰু আন আন সামগ্ৰীসমূহো যোগান ধৰা হ'ব বুলি তেওঁ জনায়।

## নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থীৰ মনোনয়ন নাকচ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৪ মাৰ্চ ঃ** সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে সোমবাৰে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আছিল। সেই অনুসৰি তিনিচুকীয়া জিলাৰ ছটা বিধানসভা সমষ্টিত মুঠ ২৯জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ বাবে পাঁচগৰাকী, ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বাবে দুগৰাকী, ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ বাবে তিনিগৰাকী, ৮৪ নং ডিগবৈ বিধানসভা সমষ্টিৰ বাবে পাঁচগৰাকী, ৮৫ নং মাকুম বিধানসভা সমষ্টিৰ বাবে ছগৰাকী আৰু ৮৬ নং তিনিচুকীয়া বিধানসভা সমষ্টিৰ বাবে আঠগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয় আৰু পৰীক্ষাৰ অন্তত নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী মুন্না কৰ্মকাৰৰ মনোনয়ন পত্ৰ আসোঁৱাহ থকাৰ বাবে নাকচ কৰা হয়। এতিয়া সমষ্টিটোত মুঠ পাঁচগৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত থাকিব। ইয়াৰ বিপৰীতে আন পাঁচটা সমষ্টিত কাৰো মনোনয়ন পত্ৰ নাকচ হোৱা নাই বুলি জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা জানিব পৰা গৈছে। অৱশ্যে ২৬ মাৰ্চৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনটোৰ পাছতহে সমগ্ৰ ছবিখন স্পষ্ট হ'ব।

বন বিভাগৰ বিৰুদ্ধে গৰজি উঠিছে ৰাইজ

## হেলেমৰ দক্ষিণাঞ্চলত বন্যহস্তীৰ তাণ্ডৱ অব্যাহত

**অসম বাৰ্তা, গহপুৰ, ২৪ মাৰ্চ ঃ** গহপুৰ সমজিলাৰ হেলেমৰ দক্ষিণাঞ্চলত অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই আহি জলাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীৰ জাকে হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া বৃহত্তৰ মেইলবজাৰ, ধোপাবৰ, কটকীচুক অঞ্চলত সন্ত্ৰাস সৃষ্টি কৰি অহাৰ লগতে বহু পৰিয়ালৰ ঘৰ দুৱাৰ ভাঙি পেলোৱা পৰিলক্ষিত হৈছে। যোৱা নিশা মেইলবজাৰ, ধোপাবৰৰ নিৰ্মালী ভূঞা, সুমিত্ৰা মজুমদাৰ আৰু ভদ্ৰ ভূঞাৰ ঘৰ ভাঙি পেলাই বনৰীয়া হাতীৰ জাকটোৱে। হাতীৰ জাকটোৰ আক্ৰমণত কোনোমতে প্ৰাণ ৰক্ষা পৰে পৰিয়াল তিনিটাৰ সদস্য সকলৰ। হাতীৰ আক্ৰমণৰ উমান পাই পৰিয়াল তিনিটাৰ



সদস্য সকলে প্ৰাণ লৈ পলায়ন কৰে যদিও ঘৰৰ বেৰ ভাঙি বয়-বস্তু আদি লণ্ডভণ্ড কৰে। এইক্ষেত্ৰত অঞ্চলটোৰ ৰাইজে বন বিভাগৰ অকমৰ্ণত্যাক কঠোৰ ভাষাৰে সমালোচনা কৰা পৰিলক্ষিত হৈছে। অঞ্চলটোত অব্যাহত থকা বনৰীয়া হাতীৰ তাণ্ডৱ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত বন বিভাগে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ তুলিছে অঞ্চলটোৰ ৰাইজে। ভুক্তভোগী পৰিয়াল সমূহক উপযুক্ত চৰকাৰী ক্ষতিপূৰণ আদায় দিবলৈ চৰকাৰৰ ওচৰত দাবী উথাপন কৰিছে অঞ্চলটোৰ ৰাইজে।

## অৰুণাচলত নামনি মাজুলীৰ বৰগঞাৰ শ্ৰমিক দুৰ্ঘটনাগ্ৰস্ত; চিকিৎসা সাহায্য আহ্বান

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ মাৰ্চ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ ২ নং বৰগঞাৰ এগৰাকী শ্ৰমিক অৰুণাচল প্ৰদেশত অতি বিপদজনক ভাৱে দুৰ্ঘটনাত পতিত হৈ ডিব্ৰুগড় মেডিকেল কলেজত জীৱন-মৃত্যুৰে যুঁজি আছে। মাজুলী জিলাৰ নামনি মাজুলীৰ ২নং বৰগঞা গাঁৱৰ নিবাসী, দিন হাজিৰা কৰা ব্যক্তি দিলীপ পামেগাম কৰ্মসূত্ৰে আছিলগৈ অৰুণাচলৰ দৈ-মুখত। পত্নী আৰু দুটিকৈ কণমানি সন্তানৰ লালন-পালনৰ তাৰণাত কাম কৰি থকা অৱস্থাতে কালি ২৪ মাৰ্চত এটা ওখ ঘৰৰ মূধচৰপৰা পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। মস্তিষ্কত গুৰুতৰভাৱে আঘাত পোৱা দিলীপ পামেগামক অৰুণাচল দৈ-মুখৰ ওচৰৰে চিকিৎসালয়ত ততাতৈয়াকৈ ভৰ্ত্তি কৰা হয় যদিওঁ, অতি সংকটজনক অৱস্থাত দিলীপক, চিকিৎসালয় কৰ্তৃপক্ষই উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ এখন আগশাৰীৰ বেচৰকাৰী চিকিৎসালয়লৈ ৰেফাৰ কৰে। ডিব্ৰুগড় পোৱালৈকে দিলীপ পামেগামৰ অৱস্থা ইমানেই সংকতজনক অৱস্থালৈ যায় যে মাতবোল বন্ধ হোৱাৰ লগতে সমস্ত শৰীৰ প্ৰায় জঠৰ পৰে। চিকিৎসকৰ মতে মস্তিস্কৰ অতি গুৰুত্বৰ অংশৰ যিমান পাৰি সোনকালে অস্ত্ৰোপচাৰৰ অতি প্ৰয়োজন। মগজুৰ আভ্যন্তৰীণ অংশত গুৰুতৰ আঘাত পাইছে। কিন্তু আৰ্থিক দীনতাই কোঙা কৰা পৰিয়ালটি বুজন পৰিমাণৰ ধনৰাশি যোগাৰ কৰিব নোৱাৰাত দিলীপ পামেগামৰ দ্ৰুত সুস্থতাৰ আশাত ইখন নাৰ্ছিং হোমৰপৰা সিখন নাৰ্ছিং হোমলৈ ঢপলিয়াই ফুৰোঁতে যথেষ্ট সময় অতিবাহিত হয়। ফলত দিলীপ পামেগামৰ অৱস্থা আৰু অধিক সূচনীয় হয়। বৰ্তমান ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ Ventilationত দিলীপ পামেগাম অতি সংকটজনক অৱস্থাত আছে। পৰম আৰ্থিক সংকতত ভোগা দৰিদ্ৰ পৰিয়ালটি বৰ্তমান অৰ্থৰ অভাৱত দিকবিদিক হেৰুৱাই পেলাইছে। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী কণমানি দুটি সন্তানৰ পিতৃক এনে সংকটপূৰ্ণ অৱস্থাত দেখি পত্নীয়ে এক অন্ধকাৰ ভৱিষ্যতৰ আশংকাত ভুগিছে। গতিকে সদাশয় মহানুভৱ হৃদয়বান ৰাইজৰ এটি কণমানি সঁহাৰিয়ে হয়টো দিলীপৰ পৰিয়াললৈ পুনৰ হাঁহি বিৰিঙাবলৈ সক্ষম হ'ব। সেয়েহে ৰাইজৰ কিঞ্চিৎ সহায়ৰ হাত আগবঢ়াই দিলীপৰ পৰিয়ালক, বিশেষকৈ কণমানি দুটিৰ মুখলৈ চাই সঁহাৰি আগবঢ়াবলৈ কৰযোৰে পৰিয়ালৰ তৰফৰ পৰা অনুৰোধ জনাইছে। পৰিয়ালটোৰ লগত যোগাযোগৰ নম্বৰঃ ৬০০০৫ ৬২৪৬৭।

## আটছাৰ পৰা অব্যাহতি ল'লে নাহৰকটীয়াৰ চাহ জনগোষ্ঠীয় নেতা ললিত মাহালীয়ে

**অসম বাৰ্তা, নাহৰকটীয়া, ২৫ মাৰ্চ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সহকাৰী সম্পাদক তথা চাহ জনগোষ্ঠীৰ শক্তিশালী ছাত্ৰ নেতা ললিত মাহালিয়ে আজি আটছাৰ পৰা আনুষ্ঠানিক ভাবে বিদায় লয়। আটছাৰ নাহৰকটীয়া শাখাৰ উদ্যোগত আজি নাহৰকটীয়াৰ ভেগাঞ্চ কেফেত অনুষ্ঠিত হোৱা এক বিদায় আৰু সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নাহৰকটীয়া শাখাৰ সভাপতি বচন গুৱালাই। এই সভাত আটছাৰ নাহৰকটীয়া শাখাৰ অন্তৰ্গত বিভিন্ন উপশাখা, টাই আহোম ছাত্ৰ সন্থা, ভোজপুৰী ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, আদিকে ধৰি বিভিন্ন সংগঠনৰ তৰফৰ পৰা তেওঁক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত আটছাৰ ডিব্ৰুগড জিলা সমিতি, কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে। ছাত্ৰ সংগঠনটোৰ পৰা একান্তই ব্যক্তিগত কাৰণত অব্যাহতি লোৱা বুলি প্ৰাক্তন ছাত্ৰ নেতাজনে জানিবলৈ দিয়ে যদিও একাংশৰ মাজত কোনো ৰাজনৈতিক দলত যোগদান কৰাৰ প্ৰস্তুতি চলাইছে বুলিও চৰ্চা চলিছে।

ৰূপেশ গোৱালাক তীব্ৰ প্ৰত্যাহ্বান দুবাৰৰ বিধায়ক দুৰ্গা ভূমিজৰ

# ডুমডুমাত দুৰ্গা ভূমিজ-ৰূপেশ গোৱালাৰ মাজত হ'বলগীয়া হাইভল্টেজ খেলত কোন হ'ব জয়ী ?

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৫ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ ৮২নং ডুমডুমা বিধানসভা সমষ্টিত এইবাৰ দুই প্ৰাৰ্থী ভাৰতীয় জাতীয় কংগ্ৰেছৰ দুৰ্গা ভূমিজ আৰু ভাৰতীয় জনতা পাৰ্টীৰ ৰূপেশ গোৱালাৰ মাজত এখন হাইভল্টেজ যুঁজ হোৱাৰ পূৰ্ণ সম্ভাৱনাই দেখা দিছে। ২০০৬ আৰু ২০১৬ ৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হোৱা 'আটছা'ৰ প্ৰাক্তন সভাপতি দুৰ্গা ভূমিজে চতুৰ্থবাৰৰ বাবে দলীয় টিকট লাভ কৰাৰ বিপৰীতে বিজেপিয়ে প্ৰাক্তন বিধায়ক ৰূপেশ গোৱালাক দ্বিতীয়বাৰলৈ দলীয় টিকট প্ৰদান কৰিছে। সমষ্টিটোত তৃতীয়বাৰলৈ প্ৰতিদ্বন্দ্বিতাত নমা এই দুই প্ৰতিদ্বন্দ্বীৰ মাজত পুনৰবাৰ এখন যে অতি আকৰ্ষণীয় যুঁজ হ'ব সেয়া সকলোৰে মুখে-মুখে চৰ্চিত হৈছে। ১৯৫২-২০১১ লৈ একেৰাহে কংগ্ৰেছৰ দখলত থকা ডুমডুমা সমষ্টি কংগ্ৰেছৰ দুৰ্গৰূপে পৰিচিত যদিওঁ ২০১১ চনত বিশেষ পৰিস্থিতিত প্ৰথমবাৰৰ বাবে সমষ্টিটো বিজেপিৰ দখললৈ যায়। সেইবাৰ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দিলীপ মৰাণে জয়ৰ মুখ দেখিছিল। সেইবাৰৰ নিৰ্বাচনত কংগ্ৰেছ হাইকমাণ্ডে দুৰ্গা ভূমিজৰ পাখি কাটি ৰূপেশ গোৱালাক টিকট প্ৰদান কৰাত দলীয় টিকটৰ পৰা বঞ্চিত হোৱা দুৰ্গা ভূমিজে নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাত মুঠ ১৬, ৯৭১টা ভোট কৰি ৰূপেশ গোৱালাৰ বিধায়ক হোৱাৰ স্বপ্ন ভংগ কৰিছিল। ৰূপেশ গোৱালাই সেইবাৰ নিৰ্বাচনত ২৭, ০৫৩টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিৰ দিলীপ মৰাণে ৩১, ৭০৯টা ভোট লাভ কৰি সমষ্টিটোৰ প্ৰথমগৰাকী অ-কংগ্ৰেছী বিধায়ক হোৱাৰ কৃতিত্ব অৰ্জন কৰিছিল। প্ৰথমবাৰ নিৰ্বাচনতে ৰণত পৰা ৰূপেশ গোৱালাই সেইবাৰ নিৰ্বাচনত ৪, ৬৫৬টা ভোটত পৰাজিত হোৱাত ৰূপেশ গোৱালাৰ বিধায়ক হোৱাৰ সপোন সপোন হৈয়ে ৰৈছিল। দুৰ্গা ভূমিজৰ একমাত্ৰ চিপৰাং মৰা ৰাজনীতিৰ বাবেই সেইবাৰ পৰাজয়বৰণ কৰা কৰিছিল ৰূপেশ গোৱালাই। দলীয় টিকটৰ পৰা বঞ্চিত হোৱাত দলৰ বিৰুদ্ধে গৈ নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনত অৱতীৰ্ণ হোৱা দুৰ্গা ভূমিজক দলে সেইবাৰ দলৰ পৰা নিলম্বিতও কৰিছিল যদিও কেইমাহমানৰ পিছতেই পুনৰ দললৈ ঘূৰি আহিছিল দুৰ্গা ভূমিজ। পিছৰবাৰ অৰ্থাৎ ২০১৬ ৰ নিৰ্বাচনত পুনৰ দলীয় টিকট আঁজুৰি আনিবলৈ সক্ষম হোৱা দুৰ্গা ভূমিজে সেইবাৰ নিৰ্বাচনত কাণে কাণ মাৰি হলেও জয়ৰ মুখ দেখিছিল। দুৰ্গা ভূমিজে সেইবাৰ সৰ্বমুঠ ৪৬, ৯৩৮টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিৰ দিলীপ মৰাণে পাইছিল ৪৬, ১৫৬টা ভোট। জয়ৰ ব্যৱধান আছিল মাত্ৰ ৭৮২টা ভোট। অৱশ্যে যোৱাবাৰ অৰ্থাৎ ২০২১ ৰ নিৰ্বাচনত দুৰ্গা ভূমিজে মুখঠেকেঁচা খাবলগীয়া হৈছিল। কংগ্ৰেছ হাইকমাণ্ডে যোৱাবাৰ ৰূপেশ গোৱালাক শেষ সুযোগকণ দিবলৈ যো-জা চলাওতেই সাপে মোট সলোৱাৰ দৰে নিশাটোৰ ভিতৰতে কংগ্ৰেছ এৰি বিজেপিত চামিল হোৱা ৰূপেশ গোৱালাক বিজেপিয়ে দলীয় টিকটত ৰণত নমোৱাত সান্দহ খোৱা বালি তল যোৱা অৱস্থা হৈছিল দুৰ্গা ভূমিজৰ। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে যোৱাবাৰ নিৰ্বাচনত বিজেপিয়ে জিলা বিজেপিৰ সভাপতি লক্ষেশ্বৰ মৰাণক দলীয় টিকট প্ৰদান কৰাটো একপ্ৰকাৰ নিশ্চিত হোৱাৰ সময়তে ৰূপেশ গোৱালাই নিশাটোৰ ভিতৰতে দল সলাই বিজেপিত যোগদান কৰাত লক্ষেশ্বৰ মৰাণে নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। মুঠ ৮, ১৩৮টা ভোটৰ ব্যৱধানত শেষ হাঁহি মাৰিবলৈ সক্ষম হোৱা ৰূপেশ গোৱালাৰ বিধায়ক হোৱাৰ স্বপ্ন পূৰণ হৈছিল যোৱাবাৰ নিৰ্বাচনত। যোৱাবাৰ নিৰ্বাচনত ৰূপেশ গোৱালাই সৰ্বমুঠ ৪৯, ১১৯টা ভোট লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে কংগ্ৰেছৰ দুৰ্গা ভূমিজে লাভ কৰিছিল ৪০, ৯৮১টা ভোট। নিৰ্দলীয় লক্ষেশ্বৰ মৰাণে ১৫, ৩১২টা ভোটেৰে তৃতীয় স্থানত ৰৈছিল। প্ৰথমবাৰ বিধায়ক হোৱা ৰূপেশ গোৱালাই তিনিটা বছৰৰ পিছত শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰিত্ব লাভ কৰা কৰিছিল। ৰূপেশ গোৱালাই এইবাৰো দলীয় টিকট লাভ কৰাত আৰু কংগ্ৰেছে পুনৰবাৰ দুবাৰৰ বিধায়ক দুৰ্গা ভূমিজকেই দলীয় টিকট প্ৰদান কৰাত সমষ্টিটোত তৃতীয়বাৰলৈ এই দুই বৈৰী অৰ্থাৎ প্ৰতিদ্বন্দ্বৰ মাজত হ'বলগীয়া নিৰ্বাচনী যুঁজখন বেছ আকৰ্ষণীয় হৈ পৰিছে। অনঃস্বীকাৰ্য যে, একালৰ কংগ্ৰেছৰ দুৰ্গ ডুমডুমা বিধানসভা সমষ্টিত বিজেপিয়ে আগ্ৰাসী ৰূপত ৰণত নামিলেও কংগ্ৰেছৰ আজিৰ তাৰিখতো সমষ্টিটোত আছে সৱল তথা শক্তিশালী ভেটি। স্মৰ্তব্য যে, ১, ৪৬, ৫০৯ গৰাকী মুঠ ভোটাৰ থকা ডুমডুমা সমষ্টিত যোৱাবাৰৰ নিৰ্বাচনত মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ৫২, ৬৩২ গৰাকী। সমষ্টি পুনঃ নিৰ্ধাৰণৰ পাছত ৬, ১২৩ গৰাকী ভোটাৰ হ্ৰাস পোৱা ডুমডুমা সমষ্টিত চাহ জনগোষ্ঠী আৰু আদিবাসী ভোটাৰৰ সংখ্যাই সৰ্বাধিক। মুঠ ভোটাৰৰ আধাতকৈ বেছি চাহ জনগোষ্ঠী আৰু আদিবাসী ভোটাৰ থকা ডুমডুমা সমষ্টিত এইবাৰ ৭০, ২৪৪ গৰাকী পুৰুষ ভোটাৰৰ বিপৰীতে মহিলা ভোটাৰৰ সংখ্যা ৭৬, ২৫৮ গৰাকী। ১৪খন গাঁও পঞ্চায়ত, ১খন পৌৰ নিগমেৰে গঠিত লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত ডুমডুমা বিধানসভা সমষ্টিত কংগ্ৰেছৰ দুৰ্গা ভূমিজ আৰু বিজেপিৰ ৰূপেশ গোৱালাৰ মাজত এইবাৰ এক তুমূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। দুবাৰৰ বিধায়ক দুৰ্গা ভূমিজে ৰূপেশ গোৱালাক এইবাৰ তীব্ৰ প্ৰত্যাহ্বান জনাবলৈ সক্ষম হোৱাত বিজেপিৰ ৰূপেশ গোৱালাই মনোনয়ন দাখিলৰ দিনাই ৰূপেশ গোৱালাৰ সাংগোপাংগ তথা পালিনেতাসকলে সমষ্টিটোৰ কেইবা সহস্ৰাধিক মহিলাক ৫০-১০০ টকাকৈ দি গাড়ীৰে গাড়ীৰে মানুহ আনি কেইবা লক্ষাধিক টকা খৰচ কৰি ডুমডুমা নগৰত এক বিশাল ৰোড শ্ব' কৰি এক প্ৰকাৰ চমক সৃষ্টি কৰিলেও আজিৰ তাৰিখত বিজেপিৰ বাবে ডুমডুমা সমষ্টিত বিজয় ইমান মসৃণ নহয়। ডুমডুমা সমষ্টিত কংগ্ৰেছৰ যে এতিয়াও এক শক্তিশালী তথা সবল সাংগঠনিক ভেটি আছে, সেয়া বিজেপিয়ে ভালকৈ বুজি উঠিছে। প্ৰতিটো নিৰ্বাচনতে চাহ বাগিচাৰ ভোটাৰে নিৰ্ণায়ক ভূমিকা লোৱা ডুমডুমা বিধানসভা সমষ্টিত চাহ বাগিচাৰ ভোটাৰসকলৰ মাজত কংগ্ৰেছৰ এতিয়াও এক শক্তিশালী ভোট বেংক আছে। বিশেষকৈ বাগিচাৰ লগতে খৃষ্টান ধৰ্মাৱলম্বী লোকসকলৰ মাজত কংগ্ৰেছ তথা দুৰ্গা ভূমিজৰ এক বিশেষ প্ৰভাৱ থকা বুলিব পাৰি। ২০০৬ চনৰ পৰাই ডুমডুমা সমষ্টিত ফেক্টৰ হৈ অহা আটছাৰ প্ৰাক্তন কেন্দ্ৰীয় সভাপতি দুৰ্গা ভূমিজক বিজেপি দলে দেশজুৰি মোদী ঢৌৰ সময়ত কেইবাবাৰো টুপ দিও ব্যৰ্থ হোৱাৰ বিপৰীতে বিধায়ক হোৱাৰ আশাৰে নিশাটোৰ ভিতৰতে কংগ্ৰেছ এৰি গেৰুৱা বসন পিন্ধা অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰূপেশ গোৱালাই কংগ্ৰেছৰ বাগিচাৰ ভোট বেংকত কিমানদূৰ প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব, তাৰ ওপৰতেই নিৰ্ভৰ কৰিব বিজেপিৰ জয়-পৰাজয়। মুঠতে ডুমডুমা সমষ্টিৰ এইবাৰৰ মুঠ দুগৰাকী প্ৰাৰ্থী- বিজেপিৰ ৰূপেশ গোৱালা আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ দুৰ্গা ভূমিজৰ মাজত যে এখন অতি হাইভল্টেজ যুঁজ হ'ব সেয়া জলজল পটপটকৈ ওলাই পৰিছে। এই যুঁজত কোনে-কোনে শেষ হাঁহি মাৰিবলৈ সক্ষম হ'ব সেয়া নিশ্চয়কৈ লক্ষণীয় হ'ব।

কোনে মাৰিব শেষ হাঁহি - ৰূপজ্যোতি নে জ্ঞানশ্ৰী ?

# প্ৰথমবাৰ হাইভল্টেজ যুঁজত মৰিয়নি সমষ্টি

### আগন্তুক নিৰ্বাচনৰ মৰিয়নি সমষ্টিৰ ৰাইজৰ জল্পনা-কল্পনা

**অসম বাৰ্তা, জাঁজী, ২৫ মাৰ্চ ঃ** আগন্তুক বিধান সভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নৱ গঠিত মৰিয়নি সমষ্টিৰ ভোটাৰে নিৰ্ণয় কৰিছে উপযুক্ত প্ৰাৰ্থী। আনহাতে শাসনাধিস্থ বিজেপি চৰকাৰৰ বৰ্তমানৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে জোৰদাৰ প্ৰচাৰ আৰম্ভ কৰা দেখা গৈছে। দলীয় কৰ্মী আৰু নেতাৰ সহযোগত বিজেপি প্ৰাৰ্থী গৰাকীয়ে প্ৰচাৰ আৰম্ভ কৰিছে গাঁও অঞ্চলত। আজিৰ পৰা প্ৰায় এক বছৰ মানৰ আগৰ পৰাই কুৰ্মীয়ে গাঁও অঞ্চলৰ বাট পথ নিৰ্মাণৰ বাবে কিছু মনোযোগ দিয়া দেখা গৈছিল যদিও বহু কাম খৰতকীয়া নকৰি আধৰুৱা হৈ থাকিল। সেই বিষয়বস্তুৰ ওপৰত এতিয়া উচ্চ শিক্ষিতা ড° জ্ঞানশ্ৰী বৰাই সমালোচনা কৰি ৰাইজৰ দলক আগুৱাই নিয়াৰ চেষ্টা অব্যাহত ৰাখিছে। ইফালে ড° জ্ঞানশ্ৰী বৰাই ৰূপজ্যোতি কুৰ্মীৰ আধৰুৱা কামত সন্তুষ্ট হব পৰা নাই। খোৱা পানী, বাট পথ নিৰ্মাণ, বিধান সভাৰ সদনত মৰিয়নি সমষ্টিৰ ৰাইজৰ অভাৱ অভিযোগৰ বিষয়ে দাবী উত্থাপন কৰি সমষ্টি উন্নয়নত গুৰুত্ব আৰোপ কৰাৰ কথা উল্লেখ কৰি সংবাদ মাধ্যমত বহুল ভাৱে প্ৰচাৰ আৰম্ভ কৰা দেখা গৈছে। ৰাইজৰ দলৰ প্ৰাৰ্থী হিচাপে জ্ঞানশ্ৰী কিমান সফল হব পাৰে - সেইয়া ৪ মে'ৰ নিৰ্বাচনৰ ফলাফলে প্ৰমাণ কৰিব। সমান্তৰালভাবে বৰ্তমান সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীও ৰাইজৰ মাজত ব্যাপক হাৰত প্ৰচাৰ অব্যাহত ৰাখিছে। শাসনাধিস্থ বিজেপি চৰকাৰৰ বৰ্তমানৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে জোৰদাৰ প্ৰচাৰ আৰম্ভ কৰিছে গাওঁ অঞ্চলত। চৰকাৰে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰি সমষ্টিৰ অন্তৰ্গত গাঁও অঞ্চলৰ নিবনুৱা যুৱকক সহায়, বিভিন্ন সামাজিক অনুষ্ঠানত অংশগ্ৰহণ কৰি অনুদান প্ৰদান কৰাৰ উপৰিও কুৰ্মীয়ে ধৰ্মীয় অনুষ্ঠানত অংশ লৈ ভোটাৰৰ মাজত ব্যাপক উৎসাহ যোগাই আহিছে। বিধায়ক গৰাকীয়ে পথ উন্নয়নত গাঁও অঞ্চলৰ বাট-পথ উন্নত কৰাৰ ক্ষেত্ৰত কিছু পৰিমাণে কথা দি কথা ৰাখিব নোৱাৰি আধৰুৱা হৈ থাকিল যদিও নিৰ্বাচনৰ ফলাফলৰ পাছত সেইয়া ফুটুকাৰ ফেন নহলেই ৰক্ষা বুলি ভোটাৰৰ মাজত সমালোচনা কৰা দেখা যায়। সমান্তৰালভাবে উচ্চ শিক্ষিতা যুৱতী বুলি বহু ভোটাৰে ড° জ্ঞানশ্ৰী বৰাক বিপুল ভোটত জয়ী হব বুলি মন্তব্য কৰিছে। এতিয়া ভোটাৰৰ মাজত ব্যাপক চৰ্চা অব্যাহত আছে মৰিয়নি সমষ্টিৰ শেষ হাঁহি কোনে মাৰিব - ৰূপজ্যোতি নে জ্ঞানশ্ৰী ?

## চামগুৰি সমষ্টিত বিজেপিৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২৫ মাৰ্চ ঃ** চামগুৰি সমষ্টিৰ কবৈগুৰী গাঁও পঞ্চায়তত আজি বিজেপি দলৰ এক নিৰ্বাচনী সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে চামগুৰিৰ বিজেপি দলৰ প্ৰাৰ্থী অনিল শইকীয়া। প্ৰাৰ্থী গৰাকীয়ে নিজৰ ভাষণত কয় যে আজি কবৈগুৰিৰ ৰাইজক সম্বোধন কৰিব পায় এক সৌভাগ্য লাভ কৰিলোঁ। সভাখনত আই-মাতৃ সকলৰ উল্লেখযোগ্য আৰু উৎসাহব্যঞ্জক উপস্থিতিয়ে স্পষ্টকৈ প্ৰকাশ কৰিছে যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ জনকল্যাণমূলক পদক্ষেপ আৰু উন্নয়নমূলক কাম-কাজৰ প্ৰতি মহিলা সমাজ গভীৰভাৱে সন্তুষ্ট। মহিলা সৱলীকৰণৰ ক্ষেত্ৰত গৃহীত বিভিন্ন যুগান্তকাৰী পদক্ষেপে আজি সমাজত এক নতুন আত্মবিশ্বাস আৰু স্বনিৰ্ভৰতাৰ বাট মুকলি কৰিছে বুলি বিজেপি প্ৰাৰ্থী গৰাকীয়ে মন্তব্য কৰে। ইয়াৰ উপৰিও অনিল শইকীয়াই সমষ্টিটোৰ কেবাটাও পঞ্চায়তত নিৰ্বাচনী প্ৰচাৰ চলায়।

‘এনডিএ’য়ে ৮০টা সমষ্টিত জয়লাভ কৰিব - প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতা

# গৰৈমাৰীত অগপৰ নিৰ্বাচনী সভা



**অসম বাৰ্তা, গৰৈমাৰী, ২৫ মাৰ্চ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি অগপৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। অগপৰ ছমৰীয়া বিধানসভা সমষ্টি কমিটীৰ সভাপতি আব্দুৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু সম্বৰ্ধনা পৰ্ব পৰিচালনা কৰে সমষ্টি কমিটীৰ সাধাৰণ সম্পাদক আব্দুল হালিমে। সভাত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই ৰাজ্যখনত ৮০ৰ পৰা ৯০টা সমষ্টিত এন ডি এৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিব বুলি কয়। ডাঃ কমলা কলিতাই ’১৬আৰু ’২১ত ছয়গাঁও আৰু বকো সমষ্টিত অগপৰ প্ৰাৰ্থী দুগৰাকী পৰাজয় হোৱাত এই অঞ্চলৰ সামগ্ৰীক উন্নয়ন সম্পূৰ্ণৰূপে স্থবিৰ হোৱা বুলিও কয়। তদুপৰি ছমৰীয়া সমষ্টিৰ বাহিৰে কামৰূপ জিলাত ৬টা বিধানসভা সমষ্টিৰ ভিতৰত ৫টা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী জয়লাভ কৰাটো নিশ্চিত বুলি ডাঃ কমলা কলিতাই কয়। ইয়াৰোপৰি ছমৰীয়া সমষ্টিৰ সামগ্ৰীক উন্নয়ৰ স্বাৰ্থত এনডিএ সমৰ্থিত অগপৰ প্ৰাৰ্থী নুৰুল ইছলামৰ সপক্ষে ভোট দিবলৈ ডাঃ কলিতাই সকলোকে আহ্বান জনায়। উক্ত সভাত ছমৰীয়া সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী নুৰুল ইছলামে ৰাইজৰ দোৱা আৰু আশীৰ্বাদ বিচাৰে। ইপিনে বকো সমষ্টিৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসে গৰৈমাৰী, সোণতলী অঞ্চলৰ সামগ্ৰী উন্নয়নৰ স্বাৰ্থত মিত্ৰজোঁট অগপৰ মনোনীত প্ৰাৰ্থী নুৰুল ইছলামক ভোট দিবলৈ আহ্বান জনায়। সভাত অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আক্কাছ আলী আহমেদ, অগপৰ কামৰূপ জিলা সমিতিৰ সভাপতি খগেন দাস, বিজেপিৰ সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য আনোৱাৰ হুছেইন, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সম্পাদিকা জ্যোৎস্না কলিতা, বিজেপিৰ সংখ্যালঘু মৰ্চাৰ দক্ষিণ কামৰূপ জিলাৰ সভাপতি মোন্নাফ আলী চৌধুৰী, গৰৈমাৰী মণ্ডলৰ সভানেত্ৰী নিলীমা কলিতা, ছমৰীযা মণ্ডলৰ সভাপতি আমিন মইদুল ইছলাম, দক্ষিণ কামৰূপ জিলা যুৱ মৰ্চাৰ উপ-সভাপতি কৌশিক পাটোৱাৰীকে প্ৰমুখ্য কৰি অগপ-বিজেপিৰ ভালেসংখ্যক কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

# ধেমাজি তিনি সমষ্টিত নিৰ্বাচনী সভা ৰণদুন্দুভি শাসক-বিৰোধীৰ

**অসম বাৰ্তা, ধেমাজি, ২৫ মাৰ্চ ঃ** নিবাৰ্চনৰ দিন যিমানে ওচৰ চাপিছে সিমানে নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। ধেমাজি বিধান সভা সমষ্টিৰ বি জে পি পাৰ্থী ডাক্তৰ ৰনোজ পেগুৱে আজি সমষ্টিটোৰ কেইবাটাও প্ৰচাৰ সভা অংশগ্ৰহণ কৰে। পুৱাই অসম অৰুনাচল সিমান্তৰতী অঞ্চলৰ উত্তৰ ধেমাজি পঞ্চায়তৰ অন্তগত আদিকলীয়া গাঁৱত নিৰ্বাচনী সভা অনুষ্ঠিত কৰি দিনটো ছটাকৈ স্থানত নিৰ্বাচনী প্ৰচাৰ চলাই। বৃহত্তৰ উত্তৰ ধেমাজি অঞ্চলত উচ্চ শিক্ষাৰ শৈক্ষিক অনুষ্ঠান নথকাৰ বাবে ছাত্ৰছাত্ৰীয়ে বহু দুৰলৈ ঢাপলি মেলিব লগীয়া হোৱাত যথেষ্ট অসুবিধাৰ সন্মুখিন হোৱা বুলি উল্লেখ কৰি আগন্তুক দিনত বিজেপি চৰকাৰ আহিলে উক্ত স্থানত মডেল ডিগ্ৰী মহাবিদ্যালয় নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে প্ৰাক্তন শিক্ষামন্ত্ৰী গৰাকীয়ে। ইফালে বিৰোধীৰ সন্দৰ্ভত পাৰ্থী গৰাকীক সাংবাদিকে কৰা প্ৰশ্নত এনেদৰে কয়। বিৰোধী পাৰ্থী গৰাকীকক বিগত কাৰ্যক্ষেত্ৰত পাছ বছৰে হেনো এদিনো ধেমাজি দেখা মনত নপৰে বুলি কৈ বিৰোধীক লৈ কোনো চিন্তাৰ কাৰণ নাই বুলি তৰল মন্তব্য প্ৰদান কৰে। লগতে বিৰোধীৰ ক্ষেত্ৰত ডাঃ ৰনোজ পেগুৱে কোনোধৰণৰ প্ৰত্যাহ্বান বৰ্তমানলৈকে পোৱা নাই আৰু আগন্তুক দিনত প্ৰত্যাহ্বান নাপাম বুলি স্পষ্টকৈ কৈ বিৰোধীক শুভেচ্ছা জনাই। ইফালে আজি নৱগঠিত চিচিবৰগাঁও ৭৯ নং বিধান সভা সমষ্টিত বিৰোধী মিত্ৰজোঁটৰ নিৰ্বাচন কেন্দ্ৰীক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। উক্ত সভাত আগন্তুক নিৰ্বাচন সম্পকীয় এক ৰণনীতি প্ৰস্তুত তৈয়াৰ কৰে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলৰ উপস্থিতিত মিত্ৰজোঁটক অধিক শক্তিশালী কৰাৰ গুৰুতৰ আৰোপ কৰা হয়। কাৰ্যসূচীত প্ৰায় আঠ হাজাৰ কংগ্ৰেছ সদস্য উপস্থিত থাকি এক নতুন দিগন্ত সূচনা কৰাৰ লগতে আগন্তুক নিৰ্বাচনত দুলাল চন্দ্ৰ বৰুৱাৰ জয় নিশ্চিত কৰাৰ সংকল্প গ্ৰহণ কৰে। দুলাল চন্দ্ৰ বৰুৱাৰ বাসগৃহত অনুষ্ঠিত সভাত বৰুৱাই ৰাইজক উদ্দেশ্যি কয় যে ৰাইজৰ মৰম আৰু বিশ্বাসেই আটাইটকৈ ডাঙৰ শক্তি বুলি কোৱাৰ লগতে শাসকীয় শক্তিৰ বিৰোধীৰ সংগ্ৰাম আগবঢ়াবলৈ আনুৰোধ জনাই। ইফালে মংগলবাৰে ৮০ নং জোনাই বিধানসভা সমষ্টিৰ এনডিএ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভুবন পেগুৰ চিলাপথাৰস্থিত কাৰ্যালয়ত উপস্থিত হৈ মধ্য চিচিটঙানী যুৱ কংগ্ৰেছৰ সভাপতি ৰঞ্জিত পেগুৰ নেতৃত্বত পঞ্চাশজনৰো অধিক কংগ্ৰেছী কাৰ্যকৰ্তাই ভাৰতীয় জনতা পাৰ্টিৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আনুষ্ঠানিকভাৱে যোগদান কৰে। সমান্তৰালকৈ ধেমাজি বিধানসভা সমষ্টিত নিৰ্বাচনী ৰণডংকা কংগ্ৰেছ - বিৰোধী ঐক্যমঞ্চৰ বিৰোধী ঐক্য মঞ্চৰ আজি ধেমাজি তেলিজানস্থিত অস্থায়ী কাৰ্যালয়ত উমৈহতীয়া প্ৰাৰ্থী শৈলেন সোণোৱালে কয় যে বৃহস্পতি বাৰে ধেমাজি সদৰত নিৰ্বাচনী যাত্ৰা নামেৰে এক বিশাল ৰেলী বাহিৰ কৰিব আৰু উক্ত ৰেলীত উমৈহতীয়া মিত্ৰযোটৰ সকলো দলৰে নেতৃত্বই অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিয়া উপৰিও শাসকীয় দলৰ প্ৰাক্তন বিধায়ক শিক্ষামন্ত্ৰীৰ দিনত ৰনোজ পেগুৱে ১৮০০খন বিদ্যালয় নিজ সমষ্টিত বন্ধ কৰিলে বুলি কটাক্ষ কৰে।

# দেৰগাঁৱৰ কুৰালগুৰিৰ এজন অসমীয়া নিৱনুৱা যুৱকৰ ব্যৱসায়িক যাত্ৰাত বাধা দুষ্টচক্ৰৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৫ মাৰ্চ ঃ** দীৰ্ঘদিন ধৰি মাংসৰ ব্যৱসায় কৰি স্বাবলম্বী হোৱা দেৰগাঁৱৰ কুৰালগুৰিৰ এজন অসমীয়া নিবনুৱা যুৱকৰ ব্যৱসায়ীক যাত্ৰাত দেখা দিছে এক সমস্যাৰ। ২০১৯ চনৰ পৰাই বিভিন্ন ব্যৱসায়ৰ সৈতে জড়িত দেৰগাঁও কুৰালগুৰি নিবনুৱা যুৱক জ্যোতিষ্মান দত্তই বিগত বহু বছৰ ধৰি গোলাঘাট-দেৰগাঁও সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ পথৰ কুৰালগুৰি চাৰিআলিৰ নিচেই কাষৰ ফুটপাথত অস্থায়ী ভাৱে গাহৰি মাংসৰ ব্যৱসায় কৰি নিজৰ লগতে আন ১০টা পৰিয়ালৰ লোকক সংস্থাপন দি স্বাবলম্বী কৰি তুলিবলৈ সক্ষম হৈছে। কিন্তু বৰ্তমান যুৱকজনৰ ব্যৱসায়ত সৃষ্টি হৈছে এক নতুন সমস্যাৰ। প্ৰাপ্ত তথ্য মতে, কিছু দিনৰ আগৰ পৰাই প্ৰতিদিনেই যুৱকজন সন্ধিয়া দোকান সামৰি ঘৰলৈ উভতি যোৱাৰ পাছৰ সময়ছোৱাত কোনো দুষ্ট চক্ৰই ব্যৱসায় প্ৰতিষ্ঠান খনত থকা সকলো বস্তু ভাঙি লণ্ডভণ্ড কৰি থৈ যায়। তাতোতকৈও উল্লেখনীয় বিষয়টো হ'ল বৰ্তমান বৰ্তমান যুৱকজনে নিজৰ দোকানখন কিছু ন-কৈ সজাই তোলাৰ প্ৰয়াসেৰে পূৰ্বৰ ঠাইৰ সন্মুখত থকা এটা পৰিত্যক্ত অৱস্থাত পৰি থকা পুলৰ ওপৰত নতুনকৈ বাঁহৰে নিৰ্মাণ কৰিছে এটি গৃহ। পুলটোৰ ড্ৰেইনৰপৰা পানী নোযোৱাত যুৱকজনে নিজ প্ৰচেষ্টাৰে সেই সকলো সুবিধা কৰি ঠিক কৰি লোৱাৰ পিছতো পুনৰ এতিয়া সমগ্ৰ অঞ্চলটোতে ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশতে আলোচনা হোৱা দেখা গৈছে। স্থানীয় লোকৰ ভাষ্যমতে অসমীয়া খাটি খোৱা যুৱকজনৰ ব্যৱসায়ত আমি কোনো ধৰণৰ বাধা দিবলৈ নাযাও। তেওঁ কৰ্ম কৰি জীৱন নিৰ্বাহ কৰিছে আমি শলাগ লৈছোঁ। ইয়াত অন্য লোকেও বাধা দিয়াৰ প্ৰয়োজন নাই। যদি কোনো লোকে মাংস ক্ৰয় কৰে কৰিব, নকৰিলে নকৰিব তাত আমাৰ লাভ লোকচানৰ কথা নাহে। আমি তেখেতক শুভেচ্ছা জনালোঁ বুলি মন্তব্য প্ৰদান কৰে সংবাদ মাধ্যমৰ আগত। কিন্তু একাংশই বাধা প্ৰদান কৰি যুৱকজনক সমস্যাৰ সন্মুখীন কৰি তুলিছে। অৱশেষত উপায়ন্তৰ হৈ নিবনুৱা যুৱকজন সংবাদ মাধ্যমৰ কাষ চাপে।

# আমগুৰিৰ বৰবাম আৰু বাঘজান চাহ বাগিচাত বিজেপিৰ ব্যাপক প্ৰচাৰ

**অসম বাৰ্তা, চেলেংহাট, ২৫ মাৰ্চ ঃ** অধুনালুপ্ত আমগুৰি সমষ্টিৰ অন্তৰ্গত আমগুৰি নগৰ আৰু চাহ বাগিচা সমূহত শাসকীয় বিজেপি দলৰ ব্যাপক প্ৰচাৰ অভিযান আৰম্ভ হৈছে। পুৰণি আমগুৰি সমষ্টিৰ সাতখনকৈ চাহ বাগিচাত বিজেপি দলৰ প্ৰাৰ্থী ময়ূৰ বৰগোহাঁয়ে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বৰবাম, বাঘজান, আমগুৰি, হালোৱাটিং আদি চাহ বাগিচাত শাসকীয় দলে বাগিচাৰ প্ৰতিটো লাইন, মন্দিৰ আদিত গীতে-মাতে শাসকীয় দলৰ হৈ মাৰাথান প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। এই প্ৰচাৰত তেওঁলোকে অৰুণোদয়, ৰেচন, বিনামূলীয়া ঘৰ, মাটিৰ পট্টা, উদ্যমিতা আঁচনি আদিক অস্ত্ৰ হিচাপে লৈ প্ৰচাৰত নামিছে। বাগান অঞ্চলত ময়ূৰ বৰগোহাঁইক ৰাইজে আদৰি লোৱা পৰিলক্ষিত হৈছে। আনহাতে কংগ্ৰেছ দলও প্ৰচাৰত পিছপৰি থকা নাই যদিও শাসকীয় দলৰ তুলনাত তেওঁলোক আমগুৰিত প্ৰচাৰৰ ক্ষেত্ৰত কিছু পিছ পৰি আছে। আনহাতে দেৱব্ৰত শইকীয়া এজন গহীন-গম্ভীৰ, ধীৰ প্ৰকৃতিৰ মানুহ হিচাপে তেওঁৰ প্ৰচাৰো কিছু লেহেমীয়া হোৱা দেখা গৈছে। অন্যান্য প্ৰাৰ্থী থাকিলেও নাজিৰা সমষ্টিত মূল যুঁজ কংগ্ৰেছ আৰু গেৰুৱা শিবিৰৰ মাজতে অনুষ্ঠিত হ'ব।

# ৩১, ৯০০ টকাৰ আৰ্থিক অনুদান, শোকবাৰ্তা প্ৰদান; কৰ্মসংস্থাপনৰ ক্ষেত্ৰত চৰকাৰ আৰু সংশ্লিষ্ট সংবাদ মাধ্যমৰ সৈতে আলোচনাৰ আশ্বাস

# ভিডিঅ’ জাৰ্ণেলিষ্ট বুধিন বড়াৰ পত্নীক সাক্ষাৎ তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰতিনিধি দলৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ মাৰ্চ ঃ** চেটেলাইট নিউজ চেনেল ‘নিউজ লাইভ'ৰ ভিডিঅ’ জাৰ্ণেলিষ্ট বুধিন বড়াৰ অকাল মৃত্যুৰ পিছত তেখেতৰ পত্নী বিউতি দুৱাৰা আৰু পৰিয়ালবৰ্গৰ সৈতে সাক্ষাৎ কৰি আজি এক আলোচনাত মিলিত হয় তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ এটা প্ৰতিনিধি দল। সন্থাৰ সভাপতি ৰাণাজ্যোতি নেওগ, সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়া, কাৰ্যালয় সম্পাদক বিকাশ বৰুৱা, ন্যাসৰ সভাপতি ৰঞ্জিত দত্ত, কাৰ্যনিৰ্বাহক সদস্য অৰ্জুন মিশ্ৰ, বিজয় শৰ্মা, প্ৰমোদ সিং তপন দে আদিৰে গঠিত প্ৰতিনিধি দলটো পৰিয়ালটোৰ দুখৰ সমভাগী হয়। এই সাক্ষাৎকালত সন্থাৰ ফালৰ পৰা গভীৰ শোক প্ৰকাশ কৰি এক শোকবাৰ্তা প্ৰদান কৰাৰ লগতে সন্থাৰ তৰফৰ পৰা পৰিয়ালটিক একত্ৰিশ হাজাৰ নশ টকাৰ আৰ্থিক



সহায় আগবঢ়োৱা হয়। সন্থাই এই কঠিন সময়ত পৰিয়ালটোৰ কাষত সদায় থকাৰ আশ্বাস দিয়ে। ইয়াৰ উপৰিও, বুধিন বড়াৰ পৰিয়ালৰ ভৱিষ্যতৰ কথা বিবেচনা কৰি কৰ্মসংস্থাপনৰ ক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট সংবাদ মাধ্যমৰ সৈতে আলোচনা কৰাৰো আশ্বাস প্ৰদান কৰা হয়। ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি বুধিন বড়াৰ পত্নীক সংস্থাপিত কৰাৰ অনুৰোধৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থা আৰু তিনিচুকীয়া সাংবাদিক চ'ৰাই সুকীয়াকৈ পত্ৰ প্ৰদান কৰিছিল। এই পদক্ষেপে সন্থাৰ মানৱীয় দায়বদ্ধতা আৰু সহানুভূতিৰ দৃষ্টান্ত প্ৰতিফলিত কৰিছে।

# গোসাইগাঁৱত বিপিএফৰ শক্তি বৃদ্ধি - বিজেপি, ইউপিএল দল ত্যাগ কৰি ৫০ৰো অধিক লোকৰ যোগদান বিপিএফত

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৫ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য কৰি ১ নং গোসাইগাঁও বিধানসভা সমষ্টিত বিপিএফ (এনডিএ)ৰ প্ৰাৰ্থী সোভাৰাম বসুমাতাৰীৰ সমৰ্থনত নিৰ্বাচনী তৎপৰতা তীব্ৰ হৈ উঠিছে। ইয়াৰ অংশ হিচাপে ২নং সাপকাটা গাঁৱৰ ভিচিডিচিৰ চিয়াৰমেন প্ৰণৱ কুমাৰ মুছাহাৰীৰ বাসভৱনত এখন নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। উক্ত সভাত বড়ো সম্প্ৰদায় আৰু সখ্যালঘু সম্প্ৰদায়ৰ বহু লোক উৎসাহেৰে অংশগ্ৰহণ কৰে। চিয়াৰমেন প্ৰণৱ কুমাৰ মুছাহাৰীৰ নেতৃত্বত বিজেপি, ইউপিপিএল ৰাজনৈতিক দল ত্যাগ কৰি ৫০ৰো অধিক পুৰুষ-মহিলাই বিপিএফ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। সভাস্থলীত “হাগ্ৰামা মহিলাৰী জিন্দাবাদ”, “বিপিএফ জিন্দাবাদ” ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তুলে। আগন্তুক নিৰ্বাচনত বিপিএফ দলৰ প্ৰাৰ্থী সোভাৰাম বসুমাতাৰীৰ জয় নিশ্চিত কৰিবলৈ সকলোকে একত্ৰিত হৈ কাম কৰিবলৈ আহ্বান জনায় গোসাইগাঁও জিলা বিপিএফৰ ভাৰপ্ৰাপ্ত সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৱজিৎ নাৰ্জাৰীয়ে। ইফালে সভাত প্ৰাৰ্থী সোভাৰাম বসুমতাৰীয়ে নতুনকৈ যোগদান কৰা সকলক এখনকৈ ফুলাম গামোচা দি আদৰি লয় আৰু নতুন উদ্যমেৰে কাম কৰি হাগ্ৰামা মহিলাৰী হাত অধিক মজবুত কৰিবলৈ আহ্বান জনায়। আৰু ৰাইজক নাঙলৰ চিহ্নত বিপুল ভোট দি জয়ী কৰাবলৈ কয়। জিলা বিপিএফৰ সাংগঠনিক সম্পাদক প্ৰজেন নাৰ্জাৰী, ব্লক বিপিএফ সমিতিৰ সভাপতি ৰুফিকুল ভূঞা, সাপকাটা প্ৰাইমাৰীৰ সভাপতি নৱাব আলীৰ লগতে বিভিন্ন পৰ্য্যায়ৰ নেতা কৰ্মী উপস্থিত থাকে।

# প্ৰতিদিন কাকত যিসকলে জ্বলাইছে তেওঁলোকে উচিত শাস্তি পাব লাগে ঃ সাংসদ কামাখ্যা প্ৰসাদ তাছা

**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ মাৰ্চ ঃ** প্ৰতিদিন কাকত যিসকলে জ্বলাইছে তেওঁলোকে উচিত শাস্তি পাব লাগে। প্ৰতিদিন কাকত জ্বলোৱা কাৰ্য অতিকৈ দুৰ্ভাগ্যজনক। কাকতখন জ্বলাই দিলেই সকলো শেষ হৈ নায়ায়। এই মন্তব্য কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ। আজি নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভেলেউগুৰিত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই জিতু গোস্বামীৰ হৈ বিজেপি দলৰ এখন নিৰ্বাচনী সভাত উপস্থিত থাকি সাংবাদিকৰ আগত এই মন্তব্য কৰে। সাংসদ তাছাই লগতে কয়, প্ৰতিদিন কাকত জ্বলোৱা কাৰ্য অতিকৈ দুৰ্ভাগ্যজনক। কাকতখন জ্বলাই দিলেই গোটেই নিউজটো শেষ হৈ নায়ায়। আজিকালি ডিজিটেল মাধ্যম। ডিজিটেল মাধ্যমটো কি কৰিব। সেইটো উচিত কাৰ্য নহয়। এইটো অনুচিত কাম আৰু এই কাম গৰিহণাৰ যোগ্য। প্ৰতিদিন কাকত যিসকলে জ্বলাইছে তেওঁলোকৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু উচিত শাস্তি পাব লাগে। তেওঁ লগতে কয়, কোনো কাকত বা সাংবাদিকৰ লগত এনে ঘটনা সংঘটিত হ'ব নালাগে।

“এইবাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি নহয়, যোৱা পাঁচ বছৰত কৰা কামৰ আশীৰ্বাদহে বিচাৰিছোঁ”

# সৰুপথাৰ সমষ্টিত বিধায়ক বিশ্বজিৎ ফুকনৰ নিৰ্বাচনী প্ৰচাৰ তুংগত



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৫ মাৰ্চ ঃ** সৰুপথাৰ সমষ্টিত শাসকীয় দলৰ প্ৰাৰ্থী তথা বিধায়ক বিশ্বজিৎ ফুকনে যোৰদাৰভাৱে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বিধায়কজনে টিকট ঘোষণা হোৱাৰ পিছদিনাৰে পৰা দৈনিক কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লোৱাৰ উপৰি ব্যক্তিগতভাৱেও বহু লোকক সাক্ষাৎ কৰা দেখা গৈছে। তদুপৰি প্ৰচাৰ অভিযানৰ মাজতে তেখেতে দলীয় সতীৰ্থ সকলক লগত লৈ দৈনিক দুটা তিনিটাকৈ যোগদান কাৰ্যসূচীও সম্পন্ন কৰা পৰিলক্ষিত হৈছে। আজি বিধায়কজনে ২০২৬ৰ নিৰ্বাচন উপলক্ষে চাংপুল গাঁও পঞ্চায়তৰ অন্তৰ্গত শেনচোৱা খেলপথাৰ, গেলাবিল পঞ্চায়তৰ অন্তৰ্গত চকলি মিৰি গাঁৱ, প্ৰেমহৰা পঞ্চায়তৰ অন্তৰ্গত চিলাবায় খেলপথাৰ, মৰাণ গাঁও পুৰণা পঞ্চায়ত কাৰ্যালয়ৰ খেলপথাৰ, সৰুপথাৰ টাউন আৰু জালজৰি শিৱ মন্দিৰ প্ৰাঙ্গনত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰত্যেকখন নিৰ্বাচনী প্ৰচাৰ সভাতেই সহস্ৰাধিক ৰাইজৰ উপস্থিতি দেখিবলৈ পোৱা যায়। বিধায়কজনে প্ৰচাৰ সভা সমূহত ৰাইজক সম্বোধন কৰি কয়- এইবাৰ আমি নিৰ্বাচনী প্ৰতিশ্ৰুতি নিদিওঁ। যোৱা পাঁচটা বছৰত আমি যি কাম কৰিছিলোঁ সেই কাম সমূহৰ ওপৰত যদি ৰাইজৰ আস্থা আৰু বিশ্বাস আছে, যে আগন্তুক পাঁচ বছৰতো ৰাইজক মোৰ প্ৰয়োজন আছে! তেতিয়া মই ৰাইজৰ পৰা পুনৰ আশীৰ্বাদ বিচাৰিছোঁ। নতুন কোনো প্ৰতিশ্ৰুতি নিদিয়াকৈ, নতুন কোনো নিৰ্বাচনী কথা নোকোৱাকৈ কেৱল আস্থা আৰু বিশ্বাসৰ মাজেৰে মই ৰাইজৰ পৰা আশীৰ্বাদ বিচাৰিছোঁ। নিশ্চিতভাৱে ৰাইজে আশীৰ্বাদ দিলে আমি সৰুপথাৰক যোৱা পাঁচটা বছৰত যেনেকৈ জিলিকাই তুলিছিলোঁ, অহা পাঁচ বছৰত অসমৰ ভিতৰতে আৰু সুন্দৰকৈ জিলিকাই তুলিম। বিধায়কজনে ভাষণৰ মাজতে কংগ্ৰেছ দলক কটাক্ষ কৰি কয়- ২১নিৰ্বাচনৰ পিছত কংগ্ৰেছ দলে সৰুপথাৰ সমষ্টিৰ পৰা পলায়ন কৰিছে। গৌৰৱ গগৈ সাংসদ আছিল তেওঁ গুচি গল, ৰঞ্জলীনা তিৰ্কী বিধায়ক আছিল তেওঁৰো সমষ্টি এৰি পলায়ন কৰিলে। আনকি অসম জাতীয় পৰিষদৰ হৈ যোৱাবাৰ নিৰ্বাচন খেলি ২৭হাজাৰ ভোট লাভ কৰা ৰাজু ফুকনেও জীৱন চুতীয়া নামৰ এজন ব্যক্তিক টিকটটো বিক্ৰী কৰিলে বুলি গুৰুতৰ অভিযোগ তোলে। বুধবাৰৰ দিনটোত বিধায়কজনে সৰুপথাৰ সমষ্টিত মুঠ ৬খনকৈ নিৰ্বাচনী সভাত ভাগ লয়।

# ২৮ আৰু ২৯ মাৰ্চত শদিয়াত সোণোৱাল-কছাৰী যুৱ পৰিষদৰ তৃতীয় কেন্দ্ৰীয় সাধাৰণ অধিৱেশন

**অসম বাৰ্তা, শদিয়া, ২৫ মাৰ্চ ঃ** অসমৰ অন্যতম খিলঞ্জীয়া ভূমিপুত্ৰ সোণোৱাল-কছাৰী জনজাতিৰ অন্যতম জাতীয় সংগঠন সোণোৱাল-কছাৰী যুৱ পৰিষদৰ তৃতীয় কেন্দ্ৰীয় সাধাৰণ অধিৱেশনখনি অহা ২৮ আৰু ২৯ মাৰ্চ, ২০২৬ তাৰিখে দুদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে শদিয়াৰ গড়গাঁও খেলপথাৰৰ ‘অয়লাসগত জয়ন্ত সোণোৱাল ক্ষেত্ৰ’ত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। উল্লেখযোগ্য যে, অসমৰ ভৈয়াম জনজাতিসকলৰ ভিতৰত তৃতীয় বৃহৎ জনগোষ্ঠী সোণোৱাল-কছাৰীসকলৰ আজিৰ তাৰিখটো অৰ্থ-সামাজিক, ৰাজনৈতিক আদি দিশৰ বিকাশ আৰু উন্নয়ন সম্পূৰ্ণ হৈ উঠা নাই। ঘাইকৈ সোণোৱাল-কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ সাংবিধানিক মৰ্য্যাদা নথকাৰ বাবে ভূমিসমূহ ব্যাপক হস্তান্তৰকৰণ, ন্যূনতম পুঁজি নিজাববীয়া ৰাজহ সংগ্ৰহ উৎস আদি নথকাৰ বাবে পৰিষদখনে জনসাধাৰণক কোনো ধৰণৰ সুৰক্ষা দিব পৰা নাই। পৰিষদখনৰ সাংবিধানিক মৰ্য্যাদা নথকাৰ বাবে চৰকাৰ বা নিৰ্বাচনী বিভাগে সময়মতে পৰিষদৰ নিৰ্বাচন সমূহ অনুষ্ঠিত কৰিবলৈ বাধ্য নোহোৱাত সোণোৱাল-কছাৰী ভোটাৰৰ গণতান্ত্ৰিক অধিকাৰ বাৰে-বাৰে খৰ্ব হোৱা দেখা যায়। আনহাতে আগন্তুক অসম বিধানসভাৰ নিৰ্বাচনত শাসক দল তথা বিৰোধী ঐক্য মঞ্চই কোনো অসংৰক্ষিত বিধানসভা সমষ্টিত সোণোৱাল-কছাৰী প্ৰাৰ্থী প্ৰদান নকৰাৰ বাবে ৰাজনৈতিক আশা-আকাংক্ষা পৰাও বঞ্চিত হ'বলগীয়া হৈছে। সোণোৱাল-কছাৰী যুৱ পৰিষদৰ এই কেন্দ্ৰীয় অধিৱেশনত উপৰোক্ত দাবীসমূহৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ ‘পমুৱাগত বন অধিবাসী আৰু অনুসূচিত জনজাতি আইন - ২০০৬’, ‘অনুসূচিত জাতি আৰু জনজাতি নিৰ্যাতন বিৰোধী আইন -১৯৮৯’, ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহৰ ৰক্ষণাবেক্ষণ তথা অসম চৰকাৰৰ চাকৰিসমূহত সংৰক্ষণৰ ব্যৱস্থা পূৰণ কৰা আদি বিষয়সমূহৰো পৰ্যালোচনা কৰা হ'ব। অধিৱেশনত কেন্দ্ৰীয় প্ৰতিনিধি সভা, ‘সাংবিধানিক সুৰক্ষা আৰু ৰাজনৈতিক অধিকাৰ প্ৰতিষ্ঠাৰ বাবে জনজাতিসকলৰ আঞ্চলিক আৰু ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰাসংগিকতা’ শীৰ্ষক আলোচনা চক্ৰ, সোণোৱাল-কছাৰী তথা অন্যান্য জনগোষ্ঠীৰ লোক-সংস্কৃতি প্ৰদৰ্শন, মুকলি সভা আদি বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হব। উল্লেখ্য যে, উক্ত অধিৱেশনখনি ২০০৪ বৰ্ষতে গঠন হোৱা শদিয়া জিলা সোণোৱাল-কছাৰী যুৱ পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি ‘অয়লাসগত জয়ন্ত সোণোৱাল ক্ষেত্ৰ’ নামেৰে নামকৰণ কৰা হৈছে। অধিৱেশনতেই সোণোৱাল-কছাৰী যুৱ পৰিষদৰ মুখপত্ৰ ‘আৰোহণ’, পৰিষদৰ উপদেষ্টা প্ৰশান্ত কুমৰালৰ গ্ৰন্থ ‘সোণোৱাল-কছাৰী তত্ত্ব অন্বেষণ’(পৰিৱৰ্তিত দ্বিতীয় সংস্কৰণ) আৰু পৰিষদৰ প্ৰাক্তন কেন্দ্ৰীয় সাধাৰণ সম্পাদিকা তথা বিশিষ্ট লেখিকা বেবী সোণোৱাল হাজৰিকাৰ কাব্য সংকলন ‘শব্দশ্ৰুতৰ মোহনা’ আৰু প্ৰবন্ধ সংকলন ‘সাম্প্ৰতিক সময় বীক্ষা আৰু কথন প্ৰবাহ’ উন্মোচন কৰা হ'ব। অধিৱেশনৰ প্ৰথম দিনাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসমীয়াৰ হিয়াৰ আমঠু, সুৰৰ সম্ৰাট জুবিন গাৰ্গ, গণশিল্পী ৰাজীৱ শদিয়া আৰু অসমৰ সংগীত জগতৰ অন্যতম ভোটাতৰা তথা সুকণ্ঠী গায়িকা গায়ত্ৰী হাজৰিকাক বিশেষভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। অধিৱেশনৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু অংশগ্ৰহণ আন্তৰিকতাৰে কামনা কৰিছে সোণোৱাল-কছাৰী যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি মিলন সোণোৱালে।

❒ দৰং জিলা ভিত্তিত বহুভাষিক কবিতা আবৃত্তি প্ৰতিযোগিতা ❒

# চপাইত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, মঙলদৈ, ২৫ মাৰ্চ ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দৰং জিলা সমিতিৰ উদ্যোগত আৰু মঙলদৈ শাখা সমিতিৰ সহযোগত অহা ২৯ মাৰ্চত চপাই যুৱ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত পৰিষদৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হ'ব। এই উপলক্ষে দৰং জিলা ভিত্তিত বহুভাষিক কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উদ্যোক্তা সকলে জনোৱা মতে, ২৯ মাৰ্চৰ পুৱা ১০ বজাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দৰং জিলা সমিতিৰ কাৰ্যকৰী সভাপতি পৰেশ কুমাৰ শৰ্মা আৰু মঙলদৈ শাখা সমিতিৰ সভাপতি ডাঃ ধ্ৰুৱজ্যোতি চহৰীয়াই পতাকা উত্তোলন, নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাই স্মৃতি তৰ্পণ কৰিব। ইয়াৰ পিছতে বিশিষ্ট আবৃত্তিকাৰ কৃষ্ণেন্দু ডেকাই বহু ভাষিক কবিতা আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰিব। এই প্ৰতিযোগিতাত শিশুৰ পৰা বয়োজ্যেষ্ঠলৈ সকলো বয়সৰ প্ৰতিযোগীয়ে ইচ্ছানুসৰি অসমীয়া, সংস্কৃত, বঙালী, বড়ো, ইংৰাজী, হিন্দী ভাষাত যিকোনো এটা কবিতা আবৃত্তি কৰিব পাৰিব। দিনৰ ১১-৩০ বজাত জ্যেষ্ঠ আবৃত্তিকাৰৰ আবৃত্তি অনুষ্ঠান সঞ্চালনা কৰিব মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° লীনা শইকীয়াই। দিনৰ ১-০০ বজাত আবৃত্তি সম্পৰ্কত কৰ্মশালা, সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান হ'ব। এই অনুষ্ঠানত বিশিষ্ট আবৃত্তিকাৰ তথা দৰং জিলা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি সদানন্দ ডেকা আৰু জ্যেষ্ঠ অধিবক্তা তথা বিশিষ্ট আবৃত্তিকাৰ শৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱাক সম্বৰ্ধনা প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰতিযোগীক দৰং জিলা সমিতিৰ সহকাৰী সম্পাদক গণেশ দত্ত, ফোন ৭০০২৭২১৩৭৫ নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

## সম্পাদকীয়

# সংবাদ মাধ্যমৰ স্বাধীনতা ঃ ষড়যন্ত্ৰ, নে গণতন্ত্ৰৰ পৰীক্ষা ?

শিৱসাগৰৰ কাৰৈমাৰীত 'অসমীয়া প্ৰতিদিন' কাকত বিতৰণ কৰা গাড়ী ৰখাই সহস্ৰাধিক কপি জ্বলাই দিয়া ঘটনাই অসমৰ গণতান্ত্ৰিক চেতনাক আঘাত কৰিছে। এয়া কেৱল কাগজ পোৰাৰ ঘটনা নহয়, সত্য আৰু মত প্ৰকাশৰ স্বাধীনতাৰ ওপৰত পোনপটীয়া আক্ৰমণ। নিৰ্বাচনৰ মুখামুখি হৈ থকা ৰাজ্যখনত এনে এক নীচ আৰু ষড়যন্ত্ৰমূলক কাৰ্য্যই সাংবাদিক মহলৰ লগতে প্ৰত্যেকজন বিবেকবান নাগৰিকক হতবাক কৰি তুলিছে। কিন্তু এই ঘটনাৰ আঁৰৰ প্ৰশ্নটো বহুত গভীৰ—অসমত সংবাদ মাধ্যমৰ স্বাধীনতা প্ৰকৃতাৰ্থত কিমান সুৰক্ষিত? যিকোনো সময়তে যিকোনো শক্তিয়ে জুইৰ আঁজুৰিৰে সত্যক ঢাকিব পাৰে বুলি ভাবি ল'লে গণতন্ত্ৰৰ ভৱিষ্যৎ ক'ত?

ঘটনাৰ পুনৰাবৃত্তি কৰাৰ প্ৰয়োজন নাই। প্ৰশাসন আৰু আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। কিন্তু সাধাৰণ মানুহৰ মনত এতিয়া কেইবাটাও প্ৰশ্ন উত্থাপন হৈছে। কাৰ আছিল এই অপকৰ্মৰ প্ৰণোদনা? নিৰ্বাচনী সজাগতাৰ মাজতো কেনেকৈ এদল দুৰ্বৃত্তই গাড়ী ৰখাই কাকত জ্বলাই দিব পাৰিলে? কেৱল 'অসমীয়া প্ৰতিদিন' কাকতকেই লক্ষ্য কৰা হ'ল কিয়? এয়া কি সংবাদ মাধ্যমৰ নিৰপেক্ষতাৰ বিৰুদ্ধে ক্ষোভৰ বহিঃপ্ৰকাশ, নে কোনো সুবিধাবাদী শক্তিৰ ইংগিত? যেতিয়ালৈকে এই প্ৰশ্নৰ সঠিক উত্তৰ পোহৰলৈ নাহে, তেতিয়ালৈকে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাটো সম্ভৱ নহ'ব। ৰাজ্যখনৰ প্ৰায় সকলো ৰাজনৈতিক দল আৰু ছাত্ৰ সংগঠনে ঘটনাৰ তীব্ৰ গৰিহণা জনাইছে। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই গণতন্ত্ৰৰ বাবে ভয়ংকৰ ইংগিত বুলি মন্তব্য কৰিছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কৈছে—'জুই দি কাগজ পুৰিব পাৰি, কিন্তু সত্যক পুৰি ছাই কৰিব নোৱাৰি।' কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰে এই ঘটনাক ৰাজ্যত অৰাজকতা বিৰাজ কৰাৰ প্ৰমাণ বুলি উল্লেখ কৰিছে। অসম জাতীয় পৰিষদ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ তাই আহোম ছাত্ৰ সন্থাকে ধৰি সংগঠনসমূহে একে সুৰত নিন্দা জনাইছে। কিন্তু প্ৰশ্ন হৈছে—এই নিন্দাৰ সুৰ যিমানেই উচ্চ হওক, দোষীসকলক প্ৰকৃততে আইনৰ মুখামুখি কৰিবলৈ প্ৰশাসন কিমান সক্ষম হ'ব? আৰু ৰাজনৈতিক দলসমূহে নিন্দাৰ ভাষাতকৈও অধিক স্পষ্টভাৱে নিজৰ নিজৰ সদস্য-সমৰ্থকক সাংবাদিকতাৰ স্বাধীনতাৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ নিৰ্দেশনা দিব নেকি?

এই ঘটনাই সংবাদ মাধ্যমৰ ওপৰত হেনো 'ফেচিষ্ট' আক্ৰমণ বুলি অভিহিত কৰা হৈছে। কিন্তু কেৱল ভাষাতে সীমাবদ্ধ নাথাকি, প্ৰয়োজন প্ৰকৃত কাৰ্য্যৰ। প্ৰথম কথা, প্ৰশাসনে যাতে নিৰপেক্ষভাৱে তদন্ত কৰি অপৰাধীসকলক চিনাক্ত কৰে— তেওঁলোক কোনো দলৰ সদস্য হওক বা আন কোনো গোটৰ, আইনৰ চকুত সকলো সমান। দ্বিতীয় কথা, ভৱিষ্যতে যাতে কোনো সংবাদ মাধ্যমৰ বিতৰণ ব্যৱস্থাত বাধা দিয়া নহয় তাৰ বাবে নিৰাপত্তাৰ ব্যৱস্থা জোৰদাৰ কৰাটো প্ৰয়োজন। তৃতীয় কথা, নিৰ্বাচন আয়োগে এই ঘটনাক কেৱল স্থানীয় আইন-শৃংখলাৰ সমস্যা হিচাপে নাচায় গণতান্ত্ৰিক প্ৰক্ৰিয়াত হস্তক্ষেপ হিচাপে চোৱা উচিত।

সাংবাদিকতা কোনো অহংকাৰ নহয়, ই দায়বদ্ধতা। 'অসমীয়া প্ৰতিদিন' গোষ্ঠীয়ে তিনি দশক ধৰি যি নীতিৰে অসমীয়া মানুহৰ কণ্ঠ হৈ আহিছে, সেই কণ্ঠক চুপ কৰাবলৈ জুইৰ আশ্ৰয় লোৱাটো কাপুৰুষৰ কাম। সঁচা কথা ক'বলৈ গৈ যদি কোনো শক্তিৰ অহংকাৰ আঘাত হয়, তেন্তে সেই আঘাত জুইৰে নহয়, মতানৈক্যৰ জৰিয়তে প্ৰকাশ কৰিব লাগে। গণতন্ত্ৰত সংবাদ মাধ্যমৰ ভূমিকা হৈছে প্ৰশ্ন কৰা, প্ৰতিবাদ কৰা, আৰু সত্য উদঙাই দিয়া। সেই ভূমিকা পালন কৰাৰ বাবেই কোনো গোষ্ঠী যদি ভাবুকিৰ সন্মুখীন হয়, তেন্তে সেই ভাবুকি গোটেই সমাজৰ বাবে বিপদৰ সংকেত। এতিয়া সময় আহি পৰিছে যে আৰক্ষী-প্ৰশাসন, ৰাজনৈতিক দল, আৰু সমাজৰ প্ৰত্যেক সচেতন নাগৰিকে সংবাদ মাধ্যমৰ স্বাধীনতা ৰক্ষাৰ বাবে একত্ৰিত হ'ব লাগে। যেতিয়ালৈকে অপৰাধীসকলক উচিত শাস্তি নিদিয়া হয়, তেতিয়ালৈকে 'অসমীয়া প্ৰতিদিন'ৰ বাবে ই এক যাতনা হৈ থাকিব, আৰু সমগ্ৰ অসমৰ সাংবাদিক সমাজৰ বাবে এই ঘটনা এক উদ্বেগৰ বিষয় হৈ থাকিব। গতিকে দাবী স্পষ্ট—তদন্ত হওক নিৰপেক্ষ, দোষী হওক গ্ৰেপ্তাৰ, আৰু সংবাদ মাধ্যমৰ স্বাধীনতা ৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰক। তেতিয়াহে অসমৰ গণতান্ত্ৰিক পৰিৱেশ চিৰসেউজ হৈ থাকিব।




ভাষাৰ ভৱিষ্যত দৰাচলতে নিৰ্ভৰ কৰে আমাৰ ইচ্ছাশক্তিৰ ওপৰত। আমি যদি মনে-প্ৰাণে বিচাৰোঁ যে আমাৰ ভাষা জীয়াই থাকক, তেন্তে কোনো শক্তিয়েই ইয়াক ধ্বংস কৰিব নোৱাৰে। কিন্তু তাৰ বাবে আমি আমাৰ হীনমান্যতা ত্যাগ কৰিব লাগিব। আমি ইংৰাজী ক'ব নোৱাৰিলে যিদৰে লজ্জিত হওঁ, ঠিক তেনেকৈ বা তাতকৈ বেছি লজ্জিত হোৱা উচিত যদি আমি শুদ্ধ অসমীয়া ক'ব বা লিখিব নোৱাৰো। ভাষাৰ প্ৰতি এই স্বাভিমান জাগ্ৰত কৰাটোৱেই আচল বিপ্লৱ। অভিভাৱকসকলে ঘৰত এটা অসমীয়া বাতৰিকাকত ৰখা, মাহেকীয়া আলোচনী এখন পঢ়া, আৰু ল'ৰা-ছোৱালীৰ লগত সলসলীয়া অসমীয়াত কথা পতাৰ অভ্যাস গঢ়ি তুলিব লাগিব। জন্মদিনত দামী উপহাৰৰ সলনি এখন ভাল অসমীয়া কিতাপ উপহাৰ দিয়াৰ পৰম্পৰা আৰম্ভ কৰিব পাৰি।

# অসমীয়া ভাষাৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণ

ভাষা হৈছে এটি জাতিৰ চেতনাৰ প্ৰাণস্পন্দন, ই ভাব বিনিময়ৰ এক যান্ত্ৰিক আহিলা মাত্ৰ নহয়; বৰঞ্চ ই একোটা জাতিৰ সামগ্ৰিক পৰিচয়, বৌদ্ধিক দৰ্শন আৰু সাংস্কৃতিক ঐতিহ্যৰ আধাৰশিলা। পৃথিৱীৰ বুকুত যেতিয়াই কোনো এটা জাতিয়ে নিজৰ স্বকীয়তা আৰু স্বাভিমানৰ কথা উচ্চাৰণ কৰে, তেতিয়া তাৰ প্ৰথম আৰু প্ৰধান মাধ্যম হৈছে তেওঁলোকৰ মাতৃভাষা। ভাষাৰ মাজেৰেই মানুহে নিজৰ অতীতক আৱিষ্কাৰ কৰে, বৰ্তমানক ধাৰণ কৰে আৰু ভৱিষ্যতৰ সপোন ৰচনা কৰে। কিন্তু কালৰ কুটিল গতিক আৰু বিশ্বায়নৰ তীব্ৰ ধুমুহাত বৰ্তমান বহুতো প্ৰাচীন আৰু সমৃদ্ধশালী ভাষাৰ দৰেই অসমীয়া ভাষাও এক জটিল সন্ধিক্ষণত আহি উপনীত হৈছে। এই সন্ধিক্ষণ কেৱল ভাষা এটা জীয়াই থকা বা নথকাৰ প্ৰশ্ন নহয়, ই হৈছে ব্ৰহ্মপুত্ৰ উপত্যকাৰ এই বিশাল জনসমষ্টিৰ আত্ম-পৰিচয় আৰু অস্তিত্ব ৰক্ষাৰ এক গভীৰ প্ৰত্যাহ্বান। সেয়েহে অসমীয়া ভাষাৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণৰ বিষয়টো আজি কেৱল বৌদ্ধিক মহলৰ আলোচনাৰ বিষয় হৈ থকা নাই, ই ৰূপান্তৰিত হৈছে প্ৰতিজন অসমীয়াৰ বাবে এক অপৰিহাৰ্য জাতীয় দায়িত্বলৈ। এই দায়িত্ব পালনৰ বাবে আৱেগৰ লগে লগে আমাক প্ৰয়োজন হ'ব গভীৰ বাস্তৱসন্মত চিন্তা, সুদূৰপ্ৰসাৰী পৰিকল্পনা আৰু একনিষ্ঠ কৰ্মস্পৃহাৰ।

আজিৰ গোলকীয় পটভূমিত অৰ্থনৈতিক প্ৰগতি আৰু আধুনিকতাৰ দৌৰত আমি আমাৰ শিপাৰ পৰা ক্ৰমান্বয়ে আঁতৰি আহিছোঁ। এই বিচ্ছিন্নতাৰ প্ৰথম বলি হৈছে আমাৰ মাতৃভাষা। আমাৰ সমাজত লাহে লাহে এনে এক ধাৰণাই শিপাই গৈছে যে নিজৰ ভাষাত কথা কোৱা, লিখা বা চিন্তা কৰাটো যেন আধুনিকতাৰ পৰিপন্থী। এই হীনমান্যতা আমাৰ বাবে চৰম দুৰ্ভাগ্যজনক। যেতিয়া এখন ঘৰত অভিভাৱকে নিজৰ সন্তানক মাতৃভাষাৰ পৰিৱৰ্তে এক ধাৰ কৰা ভাষাত প্ৰথম মাতটো ফুটাবলৈ শিকায়, তেতিয়াই আচলতে ভাষাৰ সংকটৰ বীজ সিঁচা হয়। শিশু এটিৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে মাতৃভাষাৰ কোনো বিকল্প নাই। মাতৃভাষাৰ মাজেৰে শিশোৱে যিমান সহজতে আৰু গভীৰভাৱে জগতখনক বুজিব পাৰে, অন্য ভাষাৰ জৰিয়তে সেয়া সম্ভৱ নহয়। কিন্তু তথাকথিত আভিজাত্যৰ মোহত পৰি আমি আমাৰ উত্তৰপুৰুষক নিজৰ ভাষাৰ ৰস, গন্ধ আৰু সৌন্দৰ্যৰ পৰা বঞ্চিত কৰিছোঁ। ফলস্বৰূপে, গঢ়ি উঠিছে এনে এক প্ৰজন্ম, যিয়ে না নিজৰ ভাষাটোক ভালদৰে আয়ত্ত কৰিব পাৰিছে, না বিদেশী ভাষাটোক সম্পূৰ্ণৰূপে নিজৰ কৰিব পাৰিছে। এই 'ভাৰসাম্যহীনতা'ই ভৱিষ্যতে এক সুস্থ সবল জাতি গঠনৰ পথত অন্তৰায় সৃষ্টি কৰিব পাৰে।

অসমীয়া ভাষাৰ সংৰক্ষণৰ কথা ক'লে আমি কেৱল ইয়াৰ ব্যাকৰণগত শুদ্ধতা বা শব্দভাণ্ডাৰৰ কথা ক'লেই নহব, আমি গুৰুত্ব দিব লাগিব ইয়াৰ ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ ওপৰত। জীৱন নিৰ্বাহৰ তাগিদাত মানুহে যি ভাষাৰ প্ৰয়োজন অনুভৱ কৰে, সেই ভাষা আপোনা-আপুনি জীয়াই থাকে। সেয়েহে অসমীয়া ভাষাক কেৱল আৱেগৰ সামগ্ৰী কৰি নাৰাখি ইয়াক জীৱিকা আৰু অৰ্থনীতিৰ ভাষা হিচাপে গঢ়ি তোলাটো সময়ৰ দাবী। চৰকাৰী কাজকৰ্ম, ব্যৱসায়-বাণিজ্য, প্ৰযুক্তি আৰু আধুনিক জ্ঞান-বিজ্ঞানৰ চৰ্চা অসমীয়া ভাষাত হোৱাটো অত্যন্ত জৰুৰী। যদি এজন যুৱকে অনুভৱ কৰে যে অসমীয়া ভাষা ভালদৰে জানিলে তেওঁৰ কৰ্মসংস্থাপনৰ পথ সুগম হ'ব, তেন্তে তেওঁ স্বাভাৱিকতেই ভাষাৰ প্ৰতি আগ্ৰহী হ'ব। বজাৰ অৰ্থনীতিৰ এই যুগত ভাষাকো এক পণ্য হিচাপে নহয়, বৰঞ্চ এক শক্তি হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব। দোকানৰ নামফলকৰ পৰা আৰম্ভ কৰি চৰকাৰী নথিপত্ৰ, আদালতৰ ৰায়দান আৰু বেংকৰ লেনদেনলৈকে সৰ্বত্ৰে অসমীয়া ভাষাৰ প্ৰচলন নিশ্চিত কৰিব লাগিব। ই কেৱল চৰকাৰী নিৰ্দেশনাৰ দ্বাৰা সম্ভৱ নহয়, ইয়াৰ বাবে লাগিব সৰ্বসাধাৰণ ৰাইজৰ সজাগতা আৰু দাবী।

শিক্ষা ব্যৱস্থাত ভাষাৰ স্থান অত্যন্ত গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি থকা অহেতুক আকৰ্ষণে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহক সংকটৰ গৰাহত পেলাইছে। ইংৰাজী বিশ্বৰ ভাষা, ইয়াক শিকাটো অপৰিহাৰ্য, কিন্তু তাৰ বাবে মাতৃভাষাক বিসৰ্জন দিয়াটো কেতিয়াও গ্ৰহণযোগ্য নহয়। পৃথিৱীৰ উন্নত দেশসমূহে, যেনে জাপান, চীন, ফ্ৰান্স বা জাৰ্মানীয়ে নিজৰ মাতৃভাষাত শিক্ষা প্ৰদান কৰিয়েই বিশ্বৰ দৰবাৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। তেওঁলোকে ইংৰাজী শিকে, কিন্তু নিজৰ ভাষাৰ ভেটিত থিয় হৈ। আমাৰ শিক্ষা ব্যৱস্থাতো এনে এক আমূল পৰিৱৰ্তনৰ প্ৰয়োজন য'ত অসমীয়া ভাষাক অৱহেলা নকৰাকৈ আধুনিক জ্ঞান আহৰণৰ পথ প্ৰশস্ত হয়। উচ্চ শিক্ষাত, বিশেষকৈ বিজ্ঞান, চিকিৎসা আৰু কাৰিকৰী শিক্ষাত অসমীয়া ভাষাৰ ব্যৱহাৰ বঢ়াবলৈ হ'লে উপযুক্ত পাঠ্যপুথি প্ৰস্তুত কৰা আৰু পৰিভাষা নিৰ্মাণ কৰাটো জৰুৰী। এই কামত বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহে অগ্ৰণী ভূমিকা ল'ব লাগিব। গৱেষণাৰ মানদণ্ড উন্নত কৰা আৰু সেই গৱেষণা পত্ৰসমূহ অসমীয়া ভাষাত প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিলে ভাষাৰ বৌদ্ধিক গাম্ভীৰ্য বৃদ্ধি পাব।


হিমাংশু ৰঞ্জন ভূঞা

ভাষাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত সাহিত্য আৰু সংস্কৃতিৰ ভূমিকা অনস্বীকাৰ্য। অসমীয়া সাহিত্যৰ ভঁৰাল চহকী, কিন্তু ইয়াৰ পৰিসৰ আৰু অধিক বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। বিশ্ব সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ অসমীয়ালৈ অনুবাদ কৰা আৰু অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ নিদৰ্শনসমূহ বিশ্বৰ দৰবাৰলৈ লৈ যোৱাৰ এক সংগঠিত প্ৰচেষ্টা চলোৱা উচিত। অনুবাদ সাহিত্যই এটা ভাষাক নতুন চিন্তাধাৰা, নতুন শৈলী আৰু নতুন শব্দসম্ভাৰৰ সৈতে পৰিচয় কৰাই দিয়ে। ই ভাষাৰ জড়তা ভঙাত সহায় কৰে। আনহাতে, শিশু সাহিত্যৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা উচিত। কাৰণ শিশোৱেই হৈছে ভাষাৰ ভৱিষ্যত বাহক। তেওঁলোকৰ বাবে ৰসাল, আকৰ্ষণীয় আৰু জ্ঞানবৰ্ধক কিতাপ যদি আমি যোগান ধৰিব নোৱাৰো, তেন্তে তেওঁলোকৰ পাঠভ্যাস আন ভাষাৰ কিতাপৰ পিনে ঢাল খাব। কমি', বিজ্ঞান-কল্পকাহিনী আৰু ভ্ৰমণ কাহিনীৰ দৰে বিষয়বোৰ অসমীয়া ভাষাত অধিক জনপ্ৰিয় কৰি তুলিব পাৰিলে নৱপ্ৰজন্মক কিতাপৰ লগত বান্ধি ৰাখিব পৰা যাব।

ডিজিটেল বিপ্লৱৰ এই যুগত ভাষাৰ অস্তিত্ব বহু পৰিমাণে নিৰ্ভৰ কৰে ইণ্টাৰনেটত ইয়াৰ উপস্থিতিৰ ওপৰত। আজিৰ যুৱপ্ৰজন্মই দিনটোৰ অধিকাংশ সময় ম'বাইল বা কম্পিউটাৰৰ স্ক্ৰীণত অতিবাহিত কৰে। গতিকে অসমীয়া ভাষাক এই ডিজিটেল জগতখনত সৱলভাৱে প্ৰতিষ্ঠা কৰিব লাগিব। ইউনিক'ড প্ৰযুক্তিৰ ব্যৱহাৰে অসমীয়া লেখা-মেলাৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে, কিন্তু ইমানেই যথেষ্ট নহয়। ইণ্টাৰনেটত অসমীয়া তথ্যৰ ভঁৰাল চহকী কৰিব লাগিব। ৱিকিপিডিয়াৰ দৰে মুক্ত বিশ্বকোষত অসমীয়া প্ৰবন্ধৰ সংখ্যা বৃদ্ধি কৰা, চৰকাৰী আৰু বেচৰকাৰী ৱেবছাইটসমূহ অসমীয়া ভাষাত উপলব্ধ কৰা আৰু বিভিন্ন ম'বাইল এপ্লিকেচনত অসমীয়া ভাষাৰ বিকল্প ৰখাটো অত্যন্ত জৰুৰী। কৃত্ৰিম বুদ্ধিমত্তা বা আৰ্টিফিচিয়েল ইণ্টেলিজেন্সৰ যুগত আমাৰ ভাষাটো যাতে পিছ পৰি নাযায়, তাৰ বাবে ভাষা-প্ৰযুক্তিৰ গৱেষণাত গুৰুত্ব দিব লাগিব। গুগ'ল ট্ৰেন্সলেট বা তেনেধৰণৰ প্লেটফৰ্মত অসমীয়া ভাষাৰ শুদ্ধতা আৰু ব্যাপকতা নিশ্চিত কৰিবলৈ আমি সকলোৱে বৰঙনি যোগাব পাৰো। ছচিয়েল মিডিয়াত শুদ্ধ অসমীয়া চৰ্চাৰ এক ইতিবাচক পৰিৱেশ গঢ়ি তোলাটোও আমাৰ দায়িত্ব।

অসমীয়া ভাষাৰ গাঁথনি আৰু ইয়াৰ ঐতিহাসিক পটভূমি বিশ্লেষণ কৰিলে দেখা যায় যে ই এক সমন্বয়ৰ ভাষা। বিভিন্ন জনগোষ্ঠীৰ ভাষা, উপভাষা আৰু শব্দসম্ভাৰৰ মিলনেৰে ই সমৃদ্ধ হৈছে। বৰ্তমান সময়ত ভাষাৰ সম্প্ৰসাৰণৰ বাবে এই সমন্বয়ৰ ধাৰাটোক আৰু অধিক শক্তিশালী কৰা প্ৰয়োজন। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ নিজা নিজা ভাষা-সংস্কৃতি আছে আৰু সেইবোৰৰ প্ৰতি শ্ৰদ্ধাশীল হৈয়েই অসমীয়া ভাষাই এক সংযোগী ভাষাৰ ভূমিকা পালন কৰি যাব লাগিব। কোনো ভাষাৰ ওপৰত আধিপত্য বিস্তাৰ কৰাৰ সলনি সহাৱস্থান আৰু মৰমৰ বান্ধোনৰে ভাষাটোক সকলোৱে আপোন কৰি তুলিব লাগিব। জনগোষ্ঠীয় ভাষাসমূহৰ পৰা শব্দ গ্ৰহণ কৰি অসমীয়া শব্দভাণ্ডাৰক আৰু অধিক শক্তিশালী কৰিব পাৰি। যেতিয়া বিভিন্ন ভাষাৰ মানুহে অসমীয়া ভাষাক নিজৰ বুলি ভাবিব, তেতিয়াহে ইয়াৰ প্ৰকৃত সম্প্ৰসাৰণ ঘটিব। এই ক্ষেত্ৰত সাহিত্য সভা আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানবোৰে এক উদাৰ আৰু গ্ৰহণমুখী নীতি অৱলম্বন কৰা উচিত। সংকীৰ্ণতাৰ পৰিৱৰ্তে উদাৰতাইহে ভাষাৰ আয়ুস বৃদ্ধি কৰে।

বাতৰিকাকত, বৈদ্যুতিন মাধ্যম আৰু নিউজ পোৰ্টেলসমূহৰ ভাষাৰ মানদণ্ডই জনসাধাৰণৰ ভাষা জ্ঞানৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়। দুৰ্ভাগ্যবশত, বৰ্তমান কিছুমান ক্ষেত্ৰত সংবাদ মাধ্যমত ব্যৱহৃত ভাষাৰ নিম্নগামী মানদণ্ডই সচেতন মহলক চিন্তিত কৰি তুলিছে। ভুল উচ্চাৰণ, ইংৰাজী-হিন্দীৰ অহেতুক সংমিশ্ৰণ আৰু ব্যাকৰণহীন বাক্য বিন্যাসে ভাষাৰ স্বকীয়তা নষ্ট কৰিছে। সাংবাদিক আৰু সংবাদকৰ্মীসকল ভাষাৰ প্ৰহৰীৰ দৰে। তেওঁলোকে ব্যৱহাৰ কৰা শব্দ আৰু বাক্যই হাজাৰ হাজাৰ দৰ্শক-শ্ৰোতাৰ মনত সাঁচ বহুৱায়। সেয়েহে তেওঁলোক অধিক দায়িত্বশীল হোৱা উচিত। শুদ্ধ উচ্চাৰণ আৰু মাৰ্জিত ভাষাৰ প্ৰয়োগে কেৱল বাতৰিৰ গৰিমাই বঢ়াই নহয়, বৰঞ্চ নতুন প্ৰজন্মক শুদ্ধ ভাষাৰ প্ৰতি আকৰ্ষিতও কৰে। চলচিত্ৰ, ধাৰাবাহিক আৰু নাটকৰ ক্ষেত্ৰতো একেই কথা প্ৰযোজ্য। সংলাপত ব্যৱহৃত ভাষাই যাতে সমাজত ভুল বাৰ্তা নিদিয়ে বা ভাষাৰ বিকৃতি নঘটায়, তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখা প্ৰয়োজন।

ভাষা সংৰক্ষণৰ আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল কথিত ভাষা বা উপভাষাসমূহৰ সংৰক্ষণ। অসমীয়া ভাষাৰ বিভিন্ন উপভাষা, যেনে উজনিৰ, নামনিৰ বা কামৰূপী উপভাষাসমূহৰ নিজস্ব সৌন্দৰ্য আৰু শক্তি আছে। মান্য ভাষাৰ প্ৰচলনৰ লগে লগে যাতে এই উপভাষাবোৰ হেৰাই নাযায়, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। উপভাষাই মূল ভাষাক জীয়াই ৰাখে, ই ভাষালৈ সতেজ তেজৰ যোগান ধৰে। লোকসংস্কৃতি, লোকগীত আৰু মৌখিক পৰম্পৰাৰ মাজত জীয়াই থকা শব্দবোৰক উদ্ধাৰ কৰি মূল সুঁতিলৈ আনিব পাৰিলে ভাষাৰ পৰিধি বাঢ়িব। গাঁৱৰ আইতা-ককাইঁতৰ মুখত শুনিবলৈ পোৱা বহুতো জতুৱা ঠাঁচ, ফকৰা-যোজনা আৰু পুৰণি শব্দ আজিৰ নগৰীয়া সমাজত অপৰিচিত হৈ পৰিছে। এইবোৰ সংগ্ৰহ আৰু সংৰক্ষণ কৰাটো ভাষা গৱেষকসকলৰ এক গুৰুত্বপূৰ্ণ কাম।

প্ৰবাসী অসমীয়াসকলৰ ভূমিকাও ভাষাৰ সম্প্ৰসাৰণত গুৰুত্বপূৰ্ণ। অসমৰ বাহিৰত বা বিদেশত থকা অসমীয়াসকলে নিজৰ সন্তানক ভাষা-সংস্কৃতিৰ লগত পৰিচয় কৰাই দিবলৈ লোৱা প্ৰচেষ্টাই ভাষাৰ ভৌগোলিক সীমা অতিক্ৰম কৰাত সহায় কৰে। বিদেশত অনুষ্ঠিত হোৱা বিহু সন্মিলন, সাহিত্য চৰ্চা আৰু সাংস্কৃতিক অনুষ্ঠানবোৰে বিশ্ব দৰবাৰত অসমীয়া ভাষাৰ উপস্থিতি জাহুৰ কৰে। তেওঁলোকে নিজৰ কৰ্মক্ষেত্ৰত অসমীয়া পৰিচয় দাঙি ধৰি ভাষাৰ দূত হিচাপে কাম কৰিব পাৰে। আজিৰ যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ বাবে বিদেশত থাকিও অসমৰ লগত নিবিড় সম্পৰ্ক ৰক্ষা কৰাটো সহজ হৈ পৰিছে। এই সুযোগ গ্ৰহণ কৰি প্ৰবাসী অসমীয়াসকলে ডিজিটেল মাধ্যমত অসমীয়া সমল সৃষ্টিত বৰঙনি যোগাব পাৰে।

ভাষাৰ ভৱিষ্যত দৰাচলতে নিৰ্ভৰ কৰে আমাৰ ইচ্ছাশক্তিৰ ওপৰত। আমি যদি মনে-প্ৰাণে বিচাৰোঁ যে আমাৰ ভাষা জীয়াই থাকক, তেন্তে কোনো শক্তিয়েই ইয়াক ধ্বংস কৰিব নোৱাৰে। কিন্তু তাৰ বাবে আমি আমাৰ হীনমান্যতা ত্যাগ কৰিব লাগিব। আমি ইংৰাজী ক'ব নোৱাৰিলে যিদৰে লজ্জিত হওঁ, ঠিক তেনেকৈ বা তাতকৈ বেছি লজ্জিত হোৱা উচিত যদি আমি শুদ্ধ অসমীয়া ক'ব বা লিখিব নোৱাৰো। ভাষাৰ প্ৰতি এই স্বাভিমান জাগ্ৰত কৰাটোৱেই আচল বিপ-ৱ। অভিভাৱকসকলে ঘৰত এটা অসমীয়া বাতৰিকাকত ৰখা, মাহেকীয়া আলোচনী এখন পঢ়া, আৰু ল'ৰা-ছোৱালীৰ লগত সলসলীয়া অসমীয়াত কথা পতাৰ অভ্যাস গঢ়ি তুলিব লাগিব। জন্মদিনত দামী উপহাৰৰ সলনি এখন ভাল অসমীয়া কিতাপ উপহাৰ দিয়াৰ পৰম্পৰা আৰম্ভ কৰিব পাৰি। বিদ্যালয়ৰ প্ৰতিযোগিতাবোৰত অসমীয়া আবৃত্তি, তৰ্ক আৰু ৰচনা প্ৰতিযোগিতাক গুৰুত্ব দিব লাগিব। ভাষাৰ বিকাশৰ বাবে চৰকাৰী সদিচ্ছাও অতি প্ৰয়োজনীয়। অসমীয়া ভাষা আইনৰ কঠোৰ প্ৰয়োগ, বিদ্যালয়ত অসমীয়া বিষয় বাধ্যতামূলক কৰা, আৰু চৰকাৰী অনুদানৰ জৰিয়তে গ্ৰন্থ প্ৰকাশ আৰু গৱেষণাক উৎসাহিত কৰা চৰকাৰৰ দায়িত্ব। কিন্তু কেৱল চৰকাৰৰ মুখলৈ চাই বহি থাকিলে নহ'ব। সমাজৰ প্ৰতিটো শ্ৰেণীৰ মানুহে, যেনে— লেখক, শিল্পী, বুদ্ধিজীৱী, ব্যৱসায়ী, আৰু ছাত্ৰ সমাজে একগোট হৈ ভাষাৰ হকে কাম কৰিব লাগিব। ভাষা আন্দোলন মানে কেৱল ৰাজপথৰ শ্ল'গান নহয়, ই এক বৌদ্ধিক আৰু সাংস্কৃতিক জাগৰণ। এই জাগৰণ প্ৰতিজন ব্যক্তিৰ মনৰ ভিতৰত সৃষ্টি হ'ব লাগিব। আমি উপলব্ধি কৰিব লাগিব যে ভাষা হেৰুৱালে আমি আমাৰ ইতিহাস হেৰুৱাম, আমাৰ কৃষ্টি হেৰুৱাম আৰু অৱশেষত নিজৰ পৰিচয় হেৰুৱাই এক শিপাবিহীন গছত পৰিণত হ'ম।

সামৰণিত, অসমীয়া ভাষাৰ সংকট আৰু সম্ভাৱনা দুয়োটাই আমাৰ সন্মুখত স্পষ্ট। সংকট আছে বাবেই আমি শংকিত হোৱাৰ প্ৰয়োজন নাই, বৰঞ্চ এই সংকটে আমাক অধিক সচেতন আৰু কৰ্মঠ হ'বলৈ আহ্বান জনাইছে। অসমীয়া ভাষাৰ দৰে এক সমৃদ্ধ, শুৱলা আৰু শক্তিশালী ভাষাৰ মৃত্যু কেতিয়াও হ'ব নোৱাৰে, যদিহে ইয়াৰ উত্তৰাধিকাৰীসকলে ইয়াক মৰমেৰে জীয়াই ৰাখে। সময় এতিয়াও আমাৰ হাতত আছে। প্ৰতিটো কঠিন সময়তেই জাতিয়ে নতুন পথৰ সন্ধান পায়। বৰ্তমানৰ প্ৰত্যাহ্বানবোৰক সুযোগলৈ ৰূপান্তৰিত কৰি আমি অসমীয়া ভাষাক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ ভাষা হিচাপে গঢ়ি তুলিবলৈ সংকল্পবদ্ধ হ'ব লাগিব। আমাৰ পূৰ্বপুৰুষে অশেষ কষ্ট আৰু ত্যাগেৰে এই ভাষাক আমাৰ হাতত তুলি দি গৈছে; তাক সসন্মানে ভৱিষ্যত প্ৰজন্মৰ হাতত তুলি দিয়াটো আমাৰ পবিত্ৰ কৰ্তব্য। আহক, আমি প্ৰতিশ্ৰুতিবদ্ধ হওঁ যে আমি আমাৰ দৈনন্দিন জীৱনত, আমাৰ কৰ্মত আৰু আমাৰ চিন্তাত অসমীয়া ভাষাক সৰ্বোচ্চ স্থান দিম। আমাৰ ভাষাই আমাৰ গৌৰৱ, আমাৰ অস্তিত্ব আৰু আমাৰ উশাহ। এই উশাহ চিৰপ্ৰৱহমান হৈ থাকক, ব্ৰহ্মপুত্ৰৰ দৰেই বিশাল আৰু গভীৰ হৈ। অসমীয়া ভাষাৰ জয়যাত্ৰা অব্যাহত থাকক, এই আশাবাদেৰেই আমি আগুৱাই যাম নতুন দিনৰ নতুন পোহৰলৈ। আমাৰ ভাষা, আমাৰ স্বাভিমান - এই মন্ত্ৰ বুকুত বান্ধি আমি বিশ্বসভাত মূৰ তুলি থিয় দিম। ভাষাৰ এই যুঁজত আমি জয়ী হ'বই লাগিব, কাৰণ ই আমাৰ অস্তিত্বৰ যুঁজ।

# অসমত গেছ গ্ৰিড প্ৰকল্পৰ অগ্ৰগতি

কবিতা নাথ

অসমৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰেক্ষাপটত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা কৰি ৰাজ্য চৰকাৰে ঘৰুৱা আৰু উদ্যোগিক খণ্ডত পাইপযোগে প্ৰাকৃতিক গেছ (Piped Natural Gas - PNG) যোগানৰ কাম দ্ৰুততৰ কৰি তুলিছে। শেহতীয়া চৰকাৰী ঘোষণা আৰু কাৰ্যসূচীসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে, পৰম্পৰাগত চিলিণ্ডাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি এক নিকা আৰু সুলভ ইন্ধনৰ ব্যৱস্থা গঢ়ি তোলাটোৱেই এতিয়া মুখ্য লক্ষ্য হৈ পৰিছে। এই পদক্ষেপ কেৱল এক কাৰিকৰী উন্নয়নেই নহয়, বৰঞ্চ ই অসমৰ জনসাধাৰণৰ জীৱনশৈলী আৰু ৰাজ্যৰ উদ্যোগিক মানচিত্ৰত এক আমূল পৰিৱৰ্তনৰ সংকেত। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া প্ৰচেষ্টাত উত্তৰ-পূব গেছ গ্ৰিড প্ৰকল্পৰ কাম যুদ্ধকালীন তৎপৰতাৰে আগবঢ়াই নিয়া হৈছে।

বিশেষকৈ গুৱাহাটীৰ দৰে মহানগৰীত ইতিমধ্যে হাজাৰ হাজাৰ পৰিয়ালে পাইপযোগে গেছ লাভ কৰিছে আৰু এই সেৱা এতিয়া ৰাজ্যৰ অন্য প্ৰান্তলৈ সম্প্ৰসাৰিত কৰাৰ পৰিকল্পনা কৰা হৈছে। এই প্ৰক্ৰিয়াটোত 'ইন্দ্ৰধনু গেছ গ্ৰিড লিমিটেড' (IGGL)ৰ দৰে প্ৰতিষ্ঠানৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। বৰাহুণীৰ পৰা গুৱাহাটী হৈ নুমলীগড়লৈ বিস্তৃত হ'বলগীয়া এই গেছ পাইপলাইনৰ কাম সম্পূৰ্ণ হ'লে অসমৰ শক্তিখণ্ডত এক বিপ্লৱৰ সূচনা হ'ব। পাইপযোগে গেছ যোগানৰ এই প্ৰক্ৰিয়াই সাধাৰণ গ্ৰাহকক কেবাটাও দিশত সকাহ দিব। প্ৰথমতে, ই হ'ল নীৰৱচ্ছিন্ন যোগান। চিলিণ্ডাৰ শেষ হোৱাৰ ভয় বা বুকিঙৰ অনিশ্চয়তাৰ পৰা গ্ৰাহক মুক্ত হ'ব পাৰিব। দ্বিতীয়তে, আৰ্থিকভাৱে ই এলপিজি চিলিণ্ডাৰতকৈ অধিক সাশ্ৰয়ী। যিহেতু এই গেছৰ পৰিমাণ মিটাৰৰ জৰিয়তে জুখিব পৰা যায়, গ্ৰাহকে কেৱল ব্যৱহাৰ কৰা গেছৰ বাবেহে মূল্য পৰিশোধ কৰিব লাগিব। ইয়াৰ উপৰি, পৰিৱেশৰ ফালৰ পৰাও প্ৰাকৃতিক গেছ তুলনামূলকভাৱে নিকা, যিয়ে কাৰ্বন নিৰ্গমন হ্ৰাস কৰাত সহায় কৰিব। উদ্যোগিক খণ্ডত এই পদক্ষেপৰ প্ৰভাৱ হ'ব সুদূৰপ্ৰসাৰী। অসমৰ চাহ উদ্যোগ, যিটো ৰাজ্যৰ অৰ্থনীতিৰ মেৰুদণ্ড, তাৰ বাবে সুলভ মূল্যৰ ইন্ধন এক আশীৰ্বাদস্বৰূপ। চাহ বাগানসমূহে কয়লা বা চিলিণ্ডাৰৰ পৰিৱৰ্তে পাইপযোগে গেছ ব্যৱহাৰ কৰিলে উৎপাদন ব্যয় বহু পৰিমাণে কমিব। একেদৰে, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ বাবেও ই এক নতুন সম্ভাৱনা কঢ়িয়াই আনিব। চৰকাৰৰ এই 'ফাষ্ট ট্ৰেক' নীতিৰ ফলত বিদেশী বিনিয়োগৰ বাবেও এক অনুকূল পৰিৱেশৰ সৃষ্টি হ'ব পাৰে, কিয়নো যিকোনো উদ্যোগৰ বাবে শক্তিৰ সহজলভ্যতা এক প্ৰাথমিক চৰ্ত। বিশাল লক্ষ্য বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত কিছু প্ৰত্যাহ্বানো নথকা নহয়। পাইপলাইন স্থাপনৰ বাবে ভূমি অধিগ্ৰহণ, পৰিৱেশ সংক্ৰান্তিয় অনুমতি আৰু দুৰ্গম ভৌগোলিক অৱস্থানৰ মাজেৰে নিৰ্মাণ কাৰ্য চলাই নিয়াটো এক জটিল প্ৰক্ৰিয়া। চৰকাৰে এই বাধাডুৰ কৰিবলৈ একক উইণ্ড' ক্লিয়াৰেন্স ব্যৱস্থা আৰু স্থানীয় প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষাৰ যি নীতি গ্ৰহণ কৰিছে, সেয়া প্ৰশংসনীয়। জনসাধাৰণৰ মাজত পাইপলাইনৰ সুৰক্ষা আৰু ব্যৱহাৰৰ নিয়ম সম্পৰ্কে সজাগতা সৃষ্টি কৰাটোও সমানেই প্ৰয়োজনীয়।

অসমত পাইপযোগে গেছ যোগানৰ এই দ্ৰুত গতিয়ে ৰাজ্যখনক 'গ্ৰীণ ইকনমি'ৰ দিশত এখোজ আগুৱাই লৈ যাব। যদিহে পৰিকল্পিত সময়সীমাৰ ভিতৰত এই প্ৰকল্পসমূহৰ ৰূপায়ণ সম্ভৱ হয়, তেন্তে অসম দেশৰ ভিতৰতে এক শক্তি-স্বনিৰ্ভৰশীল ৰাজ্য হিচাপে পৰিগণিত হ'ব। চৰকাৰৰ এই সদিচ্ছা আৰু কাৰিকৰী দক্ষতাৰ সফল প্ৰয়োগে সাধাৰণ মানুহৰ পাকঘৰৰ পৰা আৰম্ভ কৰি ডাঙৰ উদ্যোগলৈকে এক নতুন গতিশীলতা প্ৰদান কৰিব বুলি আশা কৰিব পাৰি।

# সামাজিক মাধ্যমত প্ৰকাশ পোৱা নানান বিসংগতি

নৈ দৰে গতি কৰি থকা এটি শব্দ সামাজিক মাধ্যম। এই সামাজিক মাধ্যমত নানান তথ্য প্ৰচাৰ কৰাৰ লগতে, এজন ব্যক্তিৰ সমস্ত আশা আকাংক্ষা সামাজিক মাধ্যমত প্ৰকাশ কৰাটো জৰুৰী নহয়। কাৰণ বৰ্তমান সময়ত দেখা যায় যে সাধাৰণ মানুহৰ মন, মগজুত সামাজিক মাধ্যমে এনেভাৱে ক্ৰিয়া কৰিবলৈ সক্ষম হৈছে যে যাক নিয়ন্ত্ৰণ কৰা চাবিকাঠি মানুহৰ হাতত নহয় থাকে যন্ত্ৰৰ মাজৰ। দৈনিক জীৱনত যি কাম কৰে তাক প্ৰতিনিধিত্ব কৰি আপলোড কৰাটো জৰুৰী নহয়।

আজি কালি এইটো সকলোৱে বিশ্বাস কৰে যে এখন যন্ত্ৰচালিত নাওত যিদৰে মানুহ কাম নাথাকে। তেনে পৰিস্থিতিত বৰ্তমান সময়ত প্ৰায় নিবনুৱা সমস্যা দেখা যায়। ফলত মানুহ হাতত লৈ মোবাইল। নতুনকৈ লোৱা প্ৰযুক্তিৰ মাজত সুমুৱাই দৈনন্দিন জীৱনৰ কাম হৈ গ'ল সামাজিক মাধ্যমৰ একো একোটা বিষয়।

আজি কালি সামাজিক মাধ্যমত যিকোনো বস্তু এটা দেখি তাক সহজতে বিশ্বাস কৰি লোৱা ফলত তাত যিটোৱে দেখা সেয়াই হৈ পৰে সঁচা।

গিতুপল ডেকা



# উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ মাৰ্চ ঃ** মাজুলী জিলাৰ অন্যতম উচ্চ শিক্ষানুস্থান উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কোষৰ অধীনত সহকাৰী অধ্যাপক ড° অনুপম বৰাৰ আহ্বানত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ' Indian Knowledge System with a focus on Skill Development under NEP 2020'শীৰ্ষক বিষয়ত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। আজি প্ৰথম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে পুৱা ৯ বজাৰ পৰা প্ৰথম পৰ্যায়ৰ আলোচনা চক্ৰ আৰম্ভ হয়। প্ৰথমে বন্তি প্ৰজ্বলন কৰে উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা মহাবিদ্যালয় খনৰ অৱসৰ প্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ ফনীধৰ টাহুৰে। মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা প্ৰীয়ম বি স্বৰ্গীয়াৰীয়ে আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই। মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে মাজুলী সাংস্কৃতিক বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই। নেহু বিশ্ববিদ্যালয় (North- Eastern Hill University) প্ৰাধ্যাপক ড° ঘনশ্যাম বেজে মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ এ ভাৰতৰ প্ৰাচীন শিক্ষা ব্যৱস্থাক পুনৰ প্ৰৱৰ্তন কৰাৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ লগে লগে প্ৰথম পৰ্যায়ৰ উদ্বোধনী অনুষ্ঠানৰ সামৰণি পৰে। দিনৰ ১১ বজাৰ পৰা এক বজালৈ প্ৰথম ট্ৰেকনিকেল ছেচন আৰম্ভ হয়। উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ গ্ৰন্থ গাৰিক টংকেশ্বৰ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা চক্ৰৰ সমল বক্তা হিচাপে অসম বিশ্ববিদ্যালয়, শিলচৰ প্ৰাধ্যাপক ড° ৰাজকুমাৰ মজুমদাৰে বক্তব্য প্ৰদান কৰে। উক্ত আলোচনা চক্ৰত ৰাজ্যখনৰ বিভিন্ন বিশ্ব বিদ্যালয়, মহাবিদ্যালয়ৰ উপৰি ৰাজ্যৰ বাহিৰৰ কেইবাখনো বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ গৱেষণা মূলক পত্ৰ পাঠ কৰে। ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ প্ৰতিবেদন আগবঢ়াই জেংৰাইমুখ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ক্ষিৰোদ চন্দ্ৰ সন্দিকৈয়ে। বিয়লি দুই বজাৰ পৰা প্ৰথম দিনাৰ অন্তিমখন ট্ৰেকনিকেল ছেচন অনুষ্ঠিত হয়। উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰমেন চুতীয়াই পৰিচালনা কৰা আলোচনা চক্ৰত সমল বক্তা হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিকাশ ডেকা আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জুৰি দত্তই। প্ৰথম দিনা দুটা ভাগত অনুষ্ঠিত হোৱা আলোচনা চক্ৰতমুঠ ছাব্বিশ গৰাকী অধ্যাপক অধ্যাপিকাই অংশগ্ৰহণ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ সন্দৰ্ভত বিভিন্ন বিষয় বস্তুৰ ওপৰত গৱেষণা পত্ৰ পাঠ কৰে। অন্তিমখন ৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ প্ৰতিবেদন আগবঢ়াই জেংৰাইমুখ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰামকৃষ্ণ দত্তই। আজি অনুষ্ঠিত হোৱা আলোচনা চক্ৰত উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা আৰু ভালে সংখ্যক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে উক্ত আলোচনা চক্ৰৰ লগত সংগতি ৰাখি শতাধিক গৱেষক অধ্যাপক, অধ্যাপিকা আৰু গৱেষক ছাত্ৰ ছাত্ৰীয়ে আগবঢ়োৱা গবেষণা পত্ৰৰ সাৰাংশ পুথি এখন প্ৰকাশ কৰে। অনুষ্ঠানতৰ শেষত শলাগৰ শৰাই আগবঢ়াই উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° উপেন বৰাই।

## ট্ৰাই চাইকেল লাভ কৰি উৎফুল্ল ভুৱন ৰাভা

# মানৱতাবাদী সংগঠন 'আশাৰ আলোক'ৰ পদক্ষেপ



**অসম বাৰ্তা, মঙলদৈ, ২৪ মাৰ্চ ঃ** দৰং জিলাৰ লক্ষ্মীমপুৰ গাঁৱৰ ভুৱন ৰাভাৰ মুখত আজি হাঁহি বিৰিঙাই তুলিলে মানৱতাবাদী সংগঠন 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে- দৰং, অসমে। কিছুমাহ পূৰ্বে গছৰ পৰি বয়োজ্যেষ্ঠ ব্যক্তি ভুৱন ৰাভাৰ কঁকাল ভাঙিছিল। বহু চিকিৎসা কৰিও তেওঁ সম্পূৰ্ণ সুস্থ হোৱা নাছিল। তেওঁ প্লাষ্টিকৰ চকী এখনৰ সহায়ত বালিপোতাকে ধৰি বিভিন্ন ঠাইত অতি কষ্টৰে ভ্ৰমি ফুৰিছিল। বহু আবেদন নিবেদন কৰিও কোনো দল সংগঠন, ব্যক্তিৰ পৰা সঁহাৰি নাপাই অৱশেষত তেওঁ 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে-, দৰং, অসমলৈ এখন আবেদন কৰাত মানৱতাবাদী সংগঠনটোৱে আজি ট্ৰাই চাইকেল এখন ভুৱন ৰাভাক প্ৰদান কৰাত তেওঁ উৎফুল্ল হৈ পৰে। এই উপলক্ষে লক্ষ্মীমপুৰ গাঁৱৰ ভুৱন ৰাভাৰ চোতালত সংগঠনটোৰ সাধাৰণ সম্পাদক গণেশ দত্তই আঁত ধৰা চমু অনুষ্ঠানত উপদেষ্টা ড° মনোজ কুমাৰ শৰ্মা, সভাপতি হৰিচন্দ্ৰ শৰ্মা, কোষাধ্যক্ষ গোলোক বৰা, প্ৰাক্তন সম্পাদক জিতুমণি চহৰীয়া, সহকাৰী সম্পাদক পংকজ চহৰীয়া, সমাজসেৱী কাশ্মিৰী শৰ্মাসহ বহু স্থানীয় লোক উপস্থিত থাকে। সংগঠনটোৰ এনে পদক্ষেপক ৰাইজে প্ৰশংসা কৰিছে।

# বিজেপি দলৰ প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰৰ বিজয় নিশ্চিত কৰাৰ উদ্দেশ্যেত সুবচনী পূজা

**অসম বাৰ্তা, আগমনি, ২৪ মাৰ্চ ঃ**গোলকগঞ্জ বিধান সভা সমষ্টিত ৰাজনৈতিক পৰিৱেশ দিনক দিনে অধিক সক্ৰিয় হৈ উঠাৰ মাজতে এইবাৰ দেখা গৈছে এক অনন্য দৃশ্য- মহিলা সকলে ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাৰ জৰিয়তে ৰাজনৈতিক সফলতাৰ কামনা কৰিছে। বিজেপি দলৰ প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰৰ বিজয় নিশ্চিত কৰাৰ উদ্দেশ্যে গোলকগঞ্জৰ দক্ষিণ টোকেৰেৰছৰা তৃতীয় খণ্ড গাঁৱ দত্ত নাৰায়ণ এলপি স্কুলৰ প্ৰাঙ্গনত আৰু হৰিৰহাট গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰোচৰাইখোলা ৬ নং ওৱাৰ্ডৰ মহিলা সকলে আয়োজন কৰিছে পৰম্পৰাগত "সুবচনী পূজা"। গোলকগঞ্জৰ বৰোচৰাইখোলা, আৰু পৌৰসভাৰ ১০ নং ৱাৰ্ডৰ অন্তৰ্গত হৰিমন্দিৰত স্থানীয় মহিলা সকলে একেলগে মিলিত হৈ এই পূজাৰ আয়োজন কৰে। এই পূজাৰ মূল উদ্দেশ্য আছিল বিজেপি প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰে যাতে সহজে বিজয় লাভ কৰিব পাৰে আৰু তেওঁৰ পথত কোনো ধৰণৰ বাধা নাথাকে। সুবচনী পূজা অসমৰ ৰাজবংশী সম্প্ৰদায়ৰ মাজত অতি গুৰুত্বপূৰ্ণ এক স্ত্ৰী আচাৰ। এই পূজা মূলতঃ মহিলা সকলে সম্পন্ন কৰে আৰু ইয়াক শুভ কামনা পূৰণৰ বাবে বিশেষভাৱে পালন কৰা হয়। বিশ্বাস কৰা হয় যে এই পূজা কৰিলে জীৱনত আহিব পৰা বিপদ-আপদ দূৰ হয় আৰু মনোকামনা পূৰণ হয়। মহিলা সকলে নিজৰ বিশ্বাস অনুসাৰে পূজা-অৰ্চনা কৰি প্ৰাৰ্থনা কৰিছে যে তেওঁলোকৰ সমৰ্থিত প্ৰাৰ্থীয়ে যাতে সফলতা লাভ কৰে। এই ঘটনাই একেদৰে স্থানীয় সংস্কৃতি, পৰম্পৰা আৰু ৰাজনীতিৰ মাজৰ গভীৰ সম্পৰ্কো প্ৰতিফলিত কৰে।

# গৰুডোবাৰ ভৰাশিঙৰী গাঁৱত অব্যাহত তীব্ৰ চাঞ্চল্য; উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী স্থানীয় লোকৰ

# শোণিতপুৰত ৰহস্যময় ঘটনা; মাতৃ আৰু শিশুৰ মৃতদেহ উদ্ধাৰ, হত্যাৰ সন্দেহত উত্তাল পৰিৱেশ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৪ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঠেলামৰা আৰক্ষী থানা এলেকাৰ গৰুডোবাৰ ভৰাশিঙৰী গাঁৱত আজি এক ৰহস্যময় ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গাঁৱখনৰ বাসিন্দা ছাইফুল ইছলামৰ পত্নী ২২ বছৰীয়া চকিনা খাতুন আৰু তেওঁৰ ২ বছৰ ৬ মাহীয়া পুত্ৰ চাকিনুৰ ইছলামৰ মৃতদেহ সন্দেহজনক অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই এতিয়া গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি দুয়োটা মৃতদেহ ঘৰৰ ওচৰতে থকা এখন বাহনীত ডিঙিত ৰছী লগোৱা অৱস্থাত পোৱা যায়। ঘটনাস্থলীৰ পৰিস্থিতি অতি ৰহস্যময় হোৱা বাবে এই মৃত্যু স্বাভাৱিক নহয় বুলি বহুতে সন্দেহ প্ৰকাশ কৰিছে। বিশেষকৈ মাতৃ আৰু শিশুৰ একেলগে এই ধৰণৰ অৱস্থাত মৃত্যু হোৱাটো সন্দেহজনক বুলি স্থানীয় লোকসকলে উল্লেখ কৰিছে। ইফালে মৃত মহিলাগৰাকীৰ পিতৃগৃহৰ লোকে এই ঘটনাত মহিলাগৰাকীৰ স্বামী তথা স্বামীৰ পৰিয়ালৰ লোক জড়িত থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁলোকৰ দাবী অনুসৰি, এইটো এক পৰিকল্পিত হত্যাকাণ্ড হ'ব পাৰে আৰু ঘটনাটোৰ নিৰপেক্ষ তদন্ত কৰা অতি জৰুৰী। ঘটনাৰ পিছতেই অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। মৃত্যু হোৱা মহিলাগৰাকীৰ পিতৃ গৃহৰ পৰা অহা সুৰুজ জামাল হুছেইন, জিয়াবুৰ ইছলাম আৰু নুৰজামাল হুছেইনৰ লগতে অঞ্চলটোৰ বহু কেইগৰাকী স্থানীয় বাসিন্দাই এই ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে। তেওঁলোকে দোষীক তৎকালীনভাৱে আটক কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ দাবীও উত্থাপন কৰিছে। ইতিমধ্যে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে আৰু মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। আৰক্ষীৰ তদন্তৰ পিছতহে এই ঘটনাৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব বুলি আশা কৰা হৈছে। এই হৃদয়বিদাৰক ঘটনাই এতিয়া সমগ্ৰ শোণিতপুৰ জিলাজুৰি শোকৰ ছাঁ পেলোৱাৰ লগতে সাধাৰণ ৰাইজৰ মাজত আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে।

# ডিব্ৰুগড়ত লুইতপৰীয়া লোক-সংস্কৃতিক কেন্দ্ৰৰ বিহুৰ আখৰা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ** ৰাজ্যৰ চাৰিওপিনে নিৰ্বাচনী প্ৰচাৰ গৰম হৈ থকাৰ মাজতে বিহু আহি পদূলি মুখত। পিছে এই নিৰ্বাচনী বতাহৰ মাজতো অসমীয়াই পাহৰা নাই চেনেহৰ ৰঙালী বিহুকটিক। বিহুলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকাৰ সময়তে ৰাজ্যৰ চৌদিশে এতিয়া দেখিবলৈ পোৱা গৈছে ৰঙালীক আদৰাৰ ব্যাপক প্ৰস্তুতি। তাৰ সমান্তৰালকৈ বিহু আখৰা। বিহুবাদ্য, বিহু নাচ, আৰু ঢোল বাদনৰ চেও আদিৰ কৰ্মশালা চাৰিওফালে চলি আছে। নৱ প্ৰজন্ম তথা উঠি অহা কণ কণ শিশুসকলক বিহুৰ প্ৰতি অধিক আগ্ৰহী কৰাৰ মানসেৰে - প্ৰতি বছৰৰ দৰে এইবাৰো লুইতপুৰীয়া সাংস্কৃতিক কলা কেন্দ্ৰৰ ডিব্ৰুগড়ৰ উদ্যোগত আগন্তুক ৰঙালী বিহু উপলক্ষে বিহুৰ আখৰা শিবিৰ আয়োজিত কৰা হৈছে। ডিব্ৰুগড়ৰ উপকণ্ঠ অঞ্চল পোহাৰিখনিয়া নামঘৰ প্ৰাংগনত অনুষ্ঠিত কৰিবলৈ লোৱা শিবিৰত মুখ্য প্ৰশিক্ষক ৰূপে-বিশিষ্ট লোকবাদ্য সাধক বৰবিহুৱা জিতেন দাস, বিশিষ্ট নৃত্য প্ৰতিয়সী তথা বিভিন্ন বঁটা বাহনেৰে সমৃদ্ধ বৰ বিহুৱতী ৰবী গগৈ সন্দিকৈ, বিশিষ্ট অনাঁতাৰ শিল্পী ভূবন গগৈ, ঢুলীয়া ৰুবুল দত্ত লগতে বিহুৱা বিপিন বড়া, বিহুৱতী প্ৰিয়া তামোলী, নৃত্য শিল্পী গুদু দাস, ঢুলীয়া অনুকূল দাস আৰু তনুজ দাসে সমল ব্যক্তি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিহুনাচৰ এই আখৰাত বাদ্য সংগত কৰিব অভিজ্ঞ প্ৰশিক্ষক দলে। অহা ২৭ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈ বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা বিহু আখৰা শিবিৰত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক সকলক ৯৯৫৭০-৮৫৮০৫ ফোন নম্বৰত যোগাযোগ কৰিবলৈ সাংস্কৃতিক কৰ্মী বিপিন দাসে ইয়াৰ দ্বাৰাই অনুৰোধ জনোৱা লগতে অনুষ্ঠানটি কাৰ্যসূচী সফল কৰি তুলিবলৈ অনুৰোধ জনাইছে।

# কামৰূপ জিলাত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ বাবে দাখিল কৰা ৩৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ ছয়টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৩৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। আজি মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৩৩ গৰাকী প্ৰাৰ্থীৰে মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয়। সেই অনুসৰি আজি বৈধভাৱে মনোনীত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হয়। ২৭ নং ছমৰীয়া সমষ্টিৰ বাবে এছ ইউ চি আই (চি)ৰ মনোনীত প্ৰাৰ্থী দেলোৱাৰা হুছেইন, এ আই ইউ ডি এফ দল মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইন, নিৰ্দলীয় প্ৰাৰ্থী নৰুল ইছলাম আৰু মহম্মদ চুমেইৰ লস্কৰ, ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ আৰু অসম গণ পৰিষদৰ মনোনীত প্ৰাৰ্থী মঃ নুৰুল ইছলামৰ মনোনয়ন পত্ৰ বৈধভাৱে মনোনীত হৈছে। ২৮ নং বকো-ছয়গাঁও সমষ্টিৰ বাবে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে যমুনা ৰাভা আৰু লাৱণ্য বড়ো, ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰমেন সিং ৰাভা, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ভোগলাল ৰাভা, ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ৰাজু মেচ, নেচনেল পিপলছ পাৰ্টীৰ মনোনীত প্ৰাৰ্থী গানছেং বি চাংমা, ইউনাইটেড পিপলছ পাৰ্টী লিবাৰেলৰ মনোনীত প্ৰাৰ্থী মনোজ বসুমতাৰীৰ মনোনয়ন পত্ৰ বৈধভাৱে মনোনীত হৈছে। ২৯ নং পলাশবাৰী বিধানসভা সমষ্টিৰ বাবে আম আদমী পাৰ্টীৰ মনোনীত প্ৰাৰ্থী এলভিন বৰুৱা, অসম জাতীয় পৰিষদৰ মনোনীত প্ৰাৰ্থী পংকজ লোচন গোস্বামী, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী বিকাশ নাথ, ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য, নিৰ্দলীয় প্ৰাৰ্থী জয়ন্ত মহন্ত, যতীন মালী আৰু হিতেশ কলিতাৰ মনোনয়ন পত্ৰ বৈধভাৱে মনোনীত হৈছে। ৩০ নং হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বাবে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে ৰাজু পাটোৱাৰী আৰু সিদ্ধাৰ্থ দাস, অসম গণ পৰিষদৰ মনোনীত প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাস, ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী নন্দিতা দাস আৰু সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰজী আহমেদৰ মনোনয়ন পত্ৰ বৈধভাৱে মনোনীত হৈছে। ৩১ নং ৰঙিয়া বিধানসভা সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ভবেশ কলিতা, ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰী আৰু নিৰ্দনীয় প্ৰাৰ্থী আনোৱাৰ খানৰ মনোনয়ন পত্ৰ বৈধভাৱে মনোনীত হৈছে। ৩২ নং কমলপুৰ বিধানসভা সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী দিগন্ত কলিতা, ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী সত্যব্ৰত কলিতা, এছ ইউ চি আই (কমিউনিষ্ট) পাৰ্টীৰ মনোনীত প্ৰাৰ্থী শিশিৰ কুমাৰ কাকতি, নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নৱ কুমাৰ নাথ আৰু অংকুৰ দাসৰ মনোনয়ন পত্ৰ বৈধভাৱে মনোনীত হৈছে বুলি নিৰ্বাচনী বিষয়াই জানিবলৈ দিছে।

# 'ন' ৰোড, ন' ভোট' ধ্বনিৰে পথ নিৰ্মাণৰ দাবীত বকতাত ৰাইজৰ ধৰ্ণা

**অসম বাৰ্তা, বকতা, ২৪ মাৰ্চ ঃ** যোৱা ৮ মাৰ্চত ডিমৌ বিধানসভা সমষ্টিৰ অন্তৰ্গতবকতা বৰবাম গাঁও পঞ্চায়তৰ ২নং ৱাৰ্ডৰ ভকতগাঁও-পুনিবিল সংযোগী এটা জৰাজীৰ্ণ গ্ৰাম্য পথ নিৰ্মাণৰ দাবীত গাঁওবাসী পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰী সমন্বিতে সকলো ৰাইজ পথলৈ ওলাই আহি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ পিছত যোৱা ১৫ মাৰ্চত পাৰিজাত গাঁও পঞ্চায়তৰ বকতা বৰদেওধাইত, যোৱা ১৭ আৰু ১৯ মাৰ্চত বকতা কৰঙা গাঁৱত একে কাৰণতে 'ন' ৰোড, ন' ভোট' ধ্বনিৰে পথ নিৰ্মাণৰ দাবীত স্থানীয় ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। ভুক্তভোগী ৰাইজে ভকতগাঁও-পুনিবিল পথটোৰ উপৰি বৰদেওধাইৰ পৰা পাটসাঁকো-নেমুগুৰি পথ সংযোগী গ্ৰাম্য পথ, বকতা কৰঙা গাঁৱৰ পুলিন মহন্ত পথ আৰু কৰঙা কোঁৱৰ চুক গাঁৱৰ গ্ৰাম্য পথৰ নিৰ্মাণৰ ক্ষেত্ৰত স্থানীয় পঞ্চায়ত কৰ্তৃপক্ষ আৰু পূৰ্বৰ বিধায়কসকলৰ লগতে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে কোনো গুৰুত্ব নিদিয়াৰ ফলতে যাতায়াতৰ বাবে অনুপযোগী হৈ পৰাৰ অভিযোগ উত্থাপন কৰিছে। তেওঁলোকে সমষ্টি উন্নয়নৰ ক্ষেত্ৰত স্থানীয় বিধায়কজনৰ ব্যৰ্থতাৰ অভিযোগ উত্থাপন কৰি আগন্তুক বিধানসভাৰ নিৰ্বাচনত ভোট বৰ্জন কৰাৰো ভাবুকি দিছে। গাঁওসমূহৰ গুৰুত্বপূৰ্ণ এই পথকেইটাৰে ৰাইজে বাৰিষা কালত বোকা-পানী গচকি স্কুল, বজাৰ, চিকিৎসালয় আদিলৈ যাব লগা হোৱাত অশেষ দুৰ্ভোগ ভুগিব লগা হৈছেবুলি ক্ষোভ প্ৰকাশ কৰে। বাৰিষা আগমন তথা বিগত দিনকেইটাত হোৱা বৰষুণৰ ফলত এই গ্ৰাম্য পথকেইটা বোকা-পানীৰে উপচি পৰি যাতায়াতৰ ক্ষেত্ৰত অসুবিধা হোৱাত অতিষ্ঠ হৈ গাঁওবাসীয়ে হাতে হাতে ফেষ্টুন লৈ আগন্তুক নিৰ্বাচনত ভোট বৰ্জনৰ হুংকাৰ দিছে। ৰাইজে অভিযোগ কৰা মতে উক্ত পথকেইটা বিজেপি চৰকাৰৰ বিগত দহ বছৰত এবাৰলৈও মেৰামতি নোহোৱাত শোচনীয় ৰূপ ল'লে। উল্লিখিত পথকেইটা নিৰ্মাণৰ বাবে বিধায়ক, পঞ্চায়তৰ ৱাৰ্ড সদস্য আৰু সভাপতিক বহু আবেদন-নিবেদন জনোৱাৰ পাছতো উন্নয়নৰ কোনো পদক্ষেপ গ্ৰহণ নকৰিলে বুলি ৰাইজে অভিযোগ কৰিছে। বিধানসভা নিৰ্বাচনলৈ মাত্ৰ কেইটামান দিন বাকী থকা সময়তে শাসকীয় দলৰ প্ৰতি ৰাইজৰ এনে অসন্তুষ্টিয়ে নিৰ্বাচনত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা দেখা দিছে। অৱশ্যে উক্ত পথকেইটাৰ ভিতৰৰে কৰঙা গাঁৱৰ পুলিন মহন্ত পথটো ইতিমধ্যে প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অন্তৰ্ভুক্ত হৈছে বুলিও খবৰ বিয়পিছে।

## বিশ্বনাথ জিলাৰ তিনিওটা বিধানসভা সমষ্টিত ১৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ

# বিহালী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী মাংগটো ৰাম কোহৰামৰ মনোনয়ন পত্ৰ বাতিল

**অসম বাৰ্তা, বিহালী, ২৪ মাৰ্চ ঃ** বিশ্বনাথ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৭৭ নং বিহালী (অনুসূচীত জাতি) বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী মাংগটো ৰাম কোহৰামৰ মনোনয়ন পত্ৰ বাতিল হৈছে। আজি বিশ্বনাথৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত সমষ্টিটোৰ ৰিটাৰ্নিং বিষয়াই প্ৰাৰ্থী সকলৰ মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত বিহালী (অনুসূচীত জাতি) বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী গৰাকীৰ মনোনয়ন পত্ৰ বাতিল কৰে। উল্লেখযোগ্য যে, অনুসূচীত জাতিৰ বাবে সংৰক্ষিত সমষ্টিটোত নিৰ্দলীয় প্ৰাৰ্থীৰূপে কালি মাংগটো ৰাম কোহৰামে মনোনয়ন পত্ৰ দাখিল কৰিছিল যদিও মনোনয়ন পত্ৰ পৰীক্ষা কৰাত তেওঁৰ অনুসূচীত জাতিৰ প্ৰমাণ পত্ৰ পোৱা নগ'ল। অৱশ্যে সমষ্টিটোৰ অন্যান্য প্ৰাৰ্থী সকলৰ মনোনয়ন পত্ৰ বৈধ বুলি বিবেচিত হৈছে। আনহাতে বিশ্বনাথ নিৰ্বাচনী জিলাৰ অন্তৰ্গত আন দুটা বিধানসভা সমষ্টিৰ ক্ৰমে ৭০ নং বিশ্বনাথ আৰু ৭২ নং গহপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী সকলৰ মনোনয়ন পত্ৰ সমূহ বৈধ বিবেচিত হৈছে। উল্লেখযোগ্য যে বিশ্বনাথ নিৰ্বাচনী জিলাৰ তিনিওটা বিধানসভা সমষ্টিত সৰ্বমুঠ ১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। ইয়াৰে এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ নাকচ হোৱাৰ ফলত জিলাখনত এতিয়া ১৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হয়। তথ্য অনুসৰি, মনোনয়ন পত্ৰ বৈধ বিবেচিত হোৱা বিশ্বনাথ নিৰ্বাচন জিলাখনৰ অন্তৰ্গত ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিৰ ৬ গৰাকী প্ৰাৰ্থী হৈছে - ক্ৰমে ছহিদুল আলম (গণ সুৰক্ষা মঞ্চ), পল্লৱ লোচন দাস (ভাৰতীয় জনতা পাৰ্টী), জয়ন্ত বৰা (ভাৰতীয় জাতীয় কংগ্ৰেছ), হিফজুৰ ৰহমান(নিৰ্দলীয়), অনন্ত গগৈ (আপ) আৰু তেহাৰ গৌড় (ঝাৰখণ্ড মুক্তি মৰ্চা)। একেদৰে ৭১ নং বিহালী (অনুসূচীত জাতি) বিধানসভা সমষ্টিত মনোনয়ন পত্ৰ বৈধ বিবেচিত হোৱা মুঠ ৫ গৰাকী প্ৰাৰ্থী হৈছে ক্ৰমে মুনীন্দ্ৰ দাস (ভাৰতীয় জনতা পাৰ্টী), অজয় কুমাৰ সিংহ (নিৰ্দলীয়), জ্ঞানেন্দ্ৰ চৰকাৰ (চিপিআই (এমএল) (লিবাৰেচন), পৱন প্ৰাণ ৰবিদাস (গণ সুৰক্ষা পাৰ্টী) আৰু প্ৰবীন বৈশ্য (নিৰ্দলীয়)। আনহাতে ৭২ নং গহপুৰ বিধানসভা সমষ্টিৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হোৱা প্ৰাৰ্থী সকল হৈছে - ক্ৰমে হেমন্ত বিজয় মহন্ত (নিৰ্দলীয়), উৎপল বৰা (ভাৰতীয় জনতা পাৰ্টী), ড° শংকৰজ্যোতি কুটুম (ভাৰতীয় জাতীয় কংগ্ৰেছ) আৰু নিত্যানন্দ বসুমতাৰী (ইউ পি পি এল)। উল্লেখযোগ্য যে, ২৬ মাৰ্চ তাৰিখে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন নিৰ্দ্ধাৰণ কৰা হৈছে। ইয়াৰ পিছতে জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী সকলৰ তালিকা প্ৰকাশ হ'ব।

## ২৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

# লখিমপুৰত শাসক-বিৰোধী প্ৰাৰ্থীৰ মনোনয়ন-পত্ৰ দাখিল

**অসম বাৰ্তা, লীলাবাৰী, ২৪ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যত বলিছে নিৰ্বাচনী গৰম বতাহ। ভাৰতীয় নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা অনুসৰি ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন আছিল ২৩ মাৰ্চলৈ। লখিমপুৰ জিলাখনৰ পাঁচটাকৈ বিধানসভা সমষ্টিৰ বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ২১ গৰাকী প্ৰাৰ্থীয়ে সোমবাৰে তেওঁলোকৰ সমৰ্থক সহিতে পৰিয়ালৰ সদস্যক লগত লৈ মনোনয়ন পত্ৰ দাখিল কৰে। বিশেষকৈ শাসক-বিৰোধীয়ে নিজ নিজ সমৰ্থকক লৈ বিশাল সমদল আৰু নিজ নিজ দলৰ জয়ধ্বনিৰে লখিমপুৰ নগৰৰ মুখৰিত হৈ পৰা পৰিলক্ষিত হয়। জিলাখনৰ পাঁচোটা সমষ্টিৰ বহু কেইজন হেভীৱেইট প্ৰাৰ্থীয়ে সোমবাৰে




মনোনয়ন দাখিল কৰে। লখিমপুৰ সদৰ সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ ঘন বুঢ়াগোহাঁই, ভাৰতীয় জনতা পাৰ্টিৰ মানৱ ডেকা, ৰাষ্ট্ৰীয় উলেমা কাউন্সিলৰ নুৰুল আলী, কমিউনিষ্ট পাৰ্টিৰ বিৰিঞ্চি পেগু আৰু নিৰ্দলীয় ৰূপে হেমন্ত বৰুৱাই সোমবাৰে মনোনয়ন দাখিল কৰাৰ লগতে ৰঙানদী সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ ঋষিৰাজ হাজৰিকা, কংগ্ৰেছৰ জয়ন্ত খাউণ্ড, উলেমা কাউন্সিলৰ জাকিৰ হুচেইন, জয় ভাৰত পাৰ্টিৰ পৱন চাওঁতাল আৰু নিৰ্দলীয় প্ৰাৰ্থী ৰূপে কমল বাৰ্লাই সমষ্টিটোৰ পৰা মনোনয়ন দাখিল কৰে। নাওবৈছা বিধানসভা সমষ্টিৰ পৰা আজি ৪ গৰাকী প্ৰাৰ্থী ক্ৰমে- আম আদমি পাৰ্টিৰ অচ্যুত দাস, ভাৰতীয় জাতীয় কংগ্ৰেছৰ জয় প্ৰকাশ দাস, অগপৰ বসন্ত দাস আৰু ভোটাৰ্ছ পাৰ্টিৰ বিক্ৰম দাসে মনোনয়ন দাখিল কৰে। ঢকুৱাখনা বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ নৱ কুমাৰ দলে, কংগ্ৰেছ পাৰ্টিৰ আনন্দ নৰহ আৰু নিৰ্দলীয় প্ৰাৰ্থী ৰূপে সুৰজিত দলে আৰু কমিউনিষ্ট পাৰ্টিৰ যুতিকা দলেই মনোনয়ন পত্ৰ দাখিল কৰে। উল্লেখ্য যে, বহু প্ৰত্যাশিত বিহপুৰীয়া সমষ্টিৰ কংগ্ৰেছ দলৰ পৰা ৰাম নাৰায়ণ ভূএঞা আৰু ভাজপাৰ ভূপেন বৰাই মনোনয়ন পত্ৰ দাখিল কৰাৰ সমান্তৰালকৈ হেমেন গগৈয়ে নিৰ্দলীয় প্ৰাৰ্থী ৰূপে মনোনয়ন পত্ৰ জমা কৰে। মনোনয়ন দাখিলৰ সময়ত প্ৰাৰ্থীসকলে নিজৰ জয়ৰ প্ৰতি ১০০ শতাংশ আশাবাদী বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। লখিমপুৰৰ এই নিৰ্বাচনী যুঁজ এতিয়া কাৰ পক্ষলৈ যায়, সেয়া নিৰ্বাচনী ফলাফলৰ দিনাহে স্পষ্ট হ'ব। জিলাখনৰ পাঁচোটা সমষ্টিত শাসক ভাৰতীয় জনতা পাৰ্টি আৰু মূল বিৰোধী দল কংগ্ৰেছৰ মাজত যুঁজ হোৱাটো নিশ্চিত।

# যোৰহাট নিৰ্বাচনী জিলাত বিধানসভা নিৰ্বাচন-২০২৬ৰ মনোনয়ন পত্ৰ পৰীক্ষণ সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ২৪ মাৰ্চ ঃ** অহা ৯ এপ্ৰিল তাৰিখে অনুষ্ঠিত হবলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে যোৰহাট নিৰ্বাচনী জিলাৰ ৯৯নং টিয়ক, ১০০ নং যোৰহাট, ১০১নং মৰিয়নি, আৰু ১০২নং তিতাবৰ বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰৰ পৰীক্ষণ আজি সম্পন্ন হয়। উল্লেখযোগ্য যে, ৯৯ নং টীয়ক বিধানসভা সমষ্টিৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছৰ পল্লৱী শইকীয়া গগৈ আৰু অসম গণ পৰিষদৰ বিকাশ শইকীয়া, ১০০ নং যোৰহাট বিধানসভা সমষ্টিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ গৌৰৱ গগৈ, আম আদমী পাৰ্টীৰ প্ৰণৱ প্ৰিয়াংকুশ দত্ত, ভাৰতীয় জনতা পাৰ্টীৰ হিতেন্দ্ৰ নাথ গোস্বামী আৰু চচিয়েলিষ্ট ইউনিটি চেণ্টাৰ অৱ ইণ্ডিয়া (কমিউনিষ্ট)-ৰ হেমন্ত কুমাৰ পেগু, ১০১নং মৰিয়নি বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ ৰূপজ্যোতি কুৰ্মী, ৰাইজৰ দলৰ জ্ঞানশ্ৰী বৰা আৰু নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে বিজয় মাঞ্জানী আৰু সিদ্ধাৰ্থ বৰা, ১০২নং তিতাবৰ সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ ধীৰাজ গোৱালা, আম আদমি পাৰ্টীৰ পল্লৱ শইকীয়া, ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাণ কুৰ্মী আৰু নিৰ্দলীয় প্ৰাৰ্থী ভাস্কৰ জ্যোতি বৰুৱাৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। আনহাতে, ১০২নং তিতাবৰ বিধানসভা সমষ্টিৰ ঝাৰখণ্ড মুক্তি মৰ্চাৰ মনোনীত প্ৰাৰ্থী সুনিয়া তাঁতীৰ মনোনয়ন পত্ৰ বাতিল কৰা হৈছে। উল্লেখযোগ্য যে, ২৬ মাৰ্চ বৃহস্পতিবাৰে বিয়লি ৩ বজাৰ ভিতৰত প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু উক্ত দিনাই বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰতিদন্দী প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ কৰা হ'ব।

# শিৱসাগৰত গেছ চিলিণ্ডাৰৰ বিতৰণ সম্পৰ্কীয় সমস্যা সমাধানৰ বাবে জিলা নিয়ন্ত্ৰণ কক্ষ স্থাপন

**অসম বাৰ্তা, গেলেকী, ২৪ মাৰ্চ ঃ** ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা তথা বৈধ পৰিমাপ বিজ্ঞান বিভাগৰ নিৰ্দেশমৰ্মে শিৱসাগৰ জিলাত চলি থকা গেছ চিলিণ্ডাৰৰ বিতৰণ সম্পৰ্কীয় সমস্যা নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনে এটা জিলা নিয়ন্ত্ৰণ কক্ষ (District Control Room) স্থাপন কৰিছে। এই নিয়ন্ত্ৰণ কক্ষটো জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ২৫ নং কোঠাত থকা জিলা জৰুৰীকালীন কাৰ্য পৰিচালনা কেন্দ্ৰ (District Emergency Operations Centre)ত স্থাপন কৰা হৈছে। সাধাৰণ ৰাইজে গেছ চিলিণ্ডাৰ (LPG)ৰ বিতৰণ সম্পৰ্কীয় যিকোনো অভিযোগ বা সমস্যাৰ বিষয়ে এই কেন্দ্ৰত জনাব পাৰিব। ইয়াৰ নিয়ন্ত্ৰণ কক্ষৰ ৮৪৭১৮৬৪৩৫৫ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব। এই ব্যৱস্থাৰ জৰিয়তে গেছৰ যোগান নিয়মীয়াকৈ চলি থাকিবলৈ সহায় কৰা, ক'লা বজাৰ বন্ধ কৰা আৰু গেছ বিতৰণ ব্যৱস্থাৰ ওপৰত চকু ৰখা হ'ব। এই নিয়ন্ত্ৰণ কক্ষৰ মুখ্য দায়িত্ব যোগান বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক অন্বেষা ঠাকুৰক প্ৰদান কৰাৰ লগতে সহকাৰী বিষয়াৰূপে উত্তম নাজিৰক (ম'বাইল নম্বৰ: ৮৬৩৮৪১০১৬৩) দায়িত্ব দিয়া হৈছে। এই নিয়ন্ত্ৰণ কক্ষটো ২৪ ঘণ্টাই মুকলি থাকিব আৰু ৰাইজৰ সকলো অভিযোগ সোনকালে সমাধান কৰিবলৈ চেষ্টা কৰা হ'ব। এই নিৰ্দেশ তৎকালীন ভাৱে বলবৎ হোৱাকৈ কাৰ্যকৰী হৈছে।

# শিৱসাগৰৰ কাৱৈমাৰীত সহস্ৰাধিক বাতৰি কাকতৰ

সৃষ্টি কৰিছে। এই ঘটনাক বহুতে সংবাদ মাধ্যমৰ স্বাধীনতা আৰু গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত পোনপটীয়া আক্ৰমণ বুলি অভিহিত কৰিছে। জনা গৈছে যে, নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ মাজতে এদল দুষ্কৃতিকাৰীয়ে গাড়ীখন আটক কৰি কাকতসমূহত অগ্নিসংযোগ কৰে। ইয়াৰ পাছতে সৰ্বত্ৰে সন্দেহ প্ৰকাশ কৰা হৈছে যে, এক নিৰ্দিষ্ট ৰাজনৈতিক আক্ৰোশৰ বলি হৈছে ‘অসমীয়া প্ৰতিদিন’ গোষ্ঠী। সত্য আৰু নিৰপেক্ষ বাতৰি পৰিৱেশন কৰি শোষিত-নিষ্পেষিতৰ কাষত থিয় দিয়াৰ বাবে এই গোষ্ঠীয়ে একাংশৰ বাবে মূৰৰ কামোৰণি হৈ পৰিছে বুলি মত প্ৰকাশ কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই এই ঘটনাক গণতন্ত্ৰৰ বাবে ভয়ংকৰ ইংগিত বুলি কঠোৰ ভাষাৰে সমালোচনা কৰিছে। বিশিষ্ট সাংবাদিক মনোজ গোস্বামীয়ে ফেচবুকত লিখি কৈছে যে, শিৱসাগৰৰ কাৱৈমাৰীত বাতৰি কাকত বিতৰণ গাড়ী জব্দ কৰি কাকতসমূহ জ্বলাই দিয়া কাৰ্যক ধিক্কাৰ জনাইছে। তেওঁ প্ৰশাসনক অনতিপলমে অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এই ঘটনাক নিন্দনীয়, গৰিহণাযোগ্য আৰু সামাজিকভাৱে উদ্বেগজনক বুলি অভিহিত কৰি কৈছে যে, ৰাজনৈতিক আক্ৰোশত সংবাদ মাধ্যমৰ ওপৰত এনে আক্ৰমণ গণতন্ত্ৰৰ বাবে বিপজ্জনক সংকেত। বিগত তিনি দশক ধৰি প্ৰতিদিন গোষ্ঠীয়ে জনগণ আৰু গণতন্ত্ৰৰ পক্ষত অৱস্থান গ্ৰহণ কৰি অসমীয়া মানুহৰ কণ্ঠ হৈ আহিছে। তেওঁ দোষীক তৎকালীনভাৱে চিনাক্ত কৰি কঠোৰ ব্যৱস্থা ল'বলৈ আৰক্ষী-প্ৰশাসনৰ ওচৰত দাবী জনাইছে আৰু ভাৰতৰ নিৰ্বাচন আয়োগকো বিষয়টো গুৰুত্বসহকাৰে চাবলৈ আহ্বান জনাইছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে ঘটনাটোক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত পোনপটীয়া আক্ৰমণ বুলি অভিহিত কৰি কৈছে যে, মতানৈক্য থাকিলে গণতান্ত্ৰিক পদ্ধতিৰে প্ৰকাশ কৰিব পাৰি, কিন্তু কাকত জ্বলাই দিয়াটো অশুভ পৰম্পৰাৰ ইংগিত। তেওঁ প্ৰশাসনক দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তি দিবলৈ দাবী জনাইছে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই ঘটনাৰ কঠোৰ গৰিহণা কৰি নিৰপেক্ষ তদন্তৰ দাবী জনাইছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে সুস্থ ৰাজনৈতিক পৰিৱেশ বিনষ্ট কৰাৰ অপচেষ্টাক ধিক্কাৰ জনাই কৈছে যে, জুই দি কাগজ পুৰিব পাৰি কিন্তু সত্যক পুৰি ছাই কৰিব নোৱাৰি। তেওঁ সংবাদগোষ্ঠীসমূহক একত্ৰিতভাৱে ঠিয় দিবলৈ আহ্বান জনাইছে। কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰে কৈছে যে, এনে আক্ৰমণে প্ৰমাণ কৰে এটা চক্ৰ কিমান ভয়ত দিন পাৰ কৰিছে আৰু ৰাজ্যত অৰাজকতা বিৰাজ কৰিছে। অসম কংগ্ৰেছৰ মিডিয়া কোষৰ অধ্যক্ষ বেদব্ৰত বৰাই এই কাৰ্যক ফেচিষ্ট কাৰ্য বুলি অভিহিত কৰি গৰিহণা দিছে। সদৌ তাই আহোম ছাত্ৰ সন্থা, অসম মাতৃভূমি দলৰ ৰাজ্যিক সভাপতি ৰাজীৱ শইকীয়াসহ বিভিন্ন সংগঠনে একে ধৰণৰ তীব্ৰ গৰিহণা আৰু দাবী জনাইছে। চৰাইদেউ প্ৰেছ ক্লাবৰ সভাপতি ধ্ৰুৱজ্যোতি বৰুৱা আৰু সম্পাদক প্ৰণৱ বৰগোহাঁয়ে এক বিবৃতি যোগে ঘটনাক গৰিহণা কৰি কৈছে যে, সুস্থ গণতন্ত্ৰৰ বাবে সংবাদ মাধ্যমৰ স্বাধীনতা অপৰিহাৰ্য। তেওঁলোকে জড়িত দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰি উচিত শাস্তি বিহিবলৈ দাবী জনাইছে। নৌএই ঘটনাই নিৰ্বাচনী সময়ত সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰতি ভাবুকিৰ সংকেত দিছে বুলি বিশে-ষকসকলে মন্তব্য কৰিছে। প্ৰশাসনে শীঘ্ৰে নিৰপেক্ষ তদন্ত আৰম্ভ কৰি দোষীক চিনাক্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি সকলোৰে দাবী। ৰাইজৰ মাজতো এই ঘটনাই তীব্ৰ উদ্বেগ আৰু ক্ষোভৰ সৃষ্টি কৰিছে।

# সাগৰত সাঁতুৰিবলৈ গৈ আকস্মিকভাৱে পানীত

কোনো পৰিকল্পিত হত্যাকাণ্ড বা ষড়যন্ত্ৰমূলক ঘটনা বুলি গণ্য কৰিব নোৱাৰি। দ্বিতীয় তথা চূড়ান্ত শুনানিত আদালতে ছিংগাপুৰ আৰক্ষীৰ তদন্তৰ ভিত্তিত ৰায়দান কৰি কয়— জুবিন গাৰ্গ সাগৰত সাঁতুৰিবলৈ যাওঁতে পানীত ডুবি মৃত্যু হোৱা এই ঘটনাত কোনো ধৰণৰ অপৰাধমূলক কাৰ্যকলাপ বা হত্যাৰ প্ৰমাণ পোৱা নগ'ল। আদালতে আৰু স্পষ্ট কৰি কয় যে কোনো ব্যক্তিয়ে জুবিনক জোৰ-জবৰদস্তিৰে পানীলৈ ঠেলি দিয়া নাছিল আৰু পানীত থকা আন লোকসকলে তেওঁক ইচ্ছাকৃতভাৱে মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ কোনো তথ্য বা প্ৰমাণ নাই। আদালতৰ ৰায়ত কোৱা হৈছে যে জুবিন গাৰ্গ অত্যধিক মাত্ৰাত মদ্যপান কৰি আছিল আৰু জীৱন ৰক্ষাকাৰী জেকেট (লাইফ ভেষ্ট) পিন্ধিবলৈ বাৰে বাৰে অস্বীকাৰ কৰিছিল। তেওঁ স্ব-ইচ্ছাতে য়টৰ পৰা পানীত নামিছিল আৰু পাছত ডুবি যায়। ছিংগাপুৰ আৰক্ষীৰ তদন্ত আৰু চিকিৎসা পৰীক্ষাৰ প্ৰতিবেদনৰ ভিত্তিত আদালতে এই সিদ্ধান্তত উপনীত হৈছে যে ঘটনাত কোনো ফাউল প্লে (অপৰাধমূলক হস্তক্ষেপ) নাছিল। ৰায়দানৰ সময়ত আদালতত উপস্থিত আছিল জুবিন গাৰ্গৰ খুৰাক মনোজ কুমাৰ বৰঠাকুৰ। জুবিনৰ মৃত্যুৰ পাছত সামাজিক মাধ্যমত লক্ষ লক্ষ জুবিন প্ৰেমীয়ে ঘটনাটোক পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ তুলি তদন্তৰ দাবী জনাইছিল। কিন্তু আদালতৰ এই ৰায়ে সেই সকলো অভিযোগক নাকচ কৰিছে। উল্লেখ্য যে জুবিন গাৰ্গ ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰত ছিংগাপুৰৰ এটা য়টত বন্ধু-বান্ধৱীৰ সৈতে আছিল। তেওঁৰ মৃত্যুৰ কাৰণ হিচাপে ডুবি মৃত্যু (drowning) নিশ্চিত কৰা হৈছে। আদালতে এই ঘটনাক “অতিকৈ দুৰ্ভাগ্যজনক” বুলি আখ্যা দি পৰিয়াল আৰু অনুৰাগীসকলৰ প্ৰতি সমবেদনা প্ৰকাশ কৰিছে। এই ৰায়ৰ পাছত অসমত বিভিন্ন প্ৰতিক্ৰিয়া দেখা গৈছে। কিছুমানে আদালতৰ সিদ্ধান্তক স্বাগত জনাইছে আনহাতে কিছুমানে এতিয়াও সন্দেহ প্ৰকাশ কৰিছে। তথাপি, ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতৰ এই চূড়ান্ত ৰায়ে ঘটনাৰ আইনী দিশটো স্পষ্ট কৰি তুলিছে।

# শদিয়াৰ পৰা বোকাখাত-

কংগ্ৰেছ আৰু ৰাইজ দলে অনুষ্ঠিত কৰা বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী জ্ঞানশ্ৰী বৰাৰ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে। প্ৰচাৰ সভাত ভাষণ দি অখিল গগৈয়ে মূলতঃ বিজেপি দল আৰু মৰিয়নী সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীক তীব্ৰ আক্ৰমণ কৰে। তেওঁ কয়, “অসমীয়া মানুহৰ স্পষ্ট সিদ্ধান্ত হৈছে— হিমন্ত বিশ্ব শৰ্মাক প্ৰতিহত কৰিব লাগিব আৰু সম্প্ৰদায়িক, ফেচীবাদী দল বিজেপিক পৰাভূত কৰিব লাগিব। অসমীয়া জাতীয়তাবাদৰ নেতৃত্বত উজনি অসমৰ পৰা আঞ্চলিক দল অগপক ধূলিসাৎ কৰি পেলাইছে শাসক দল বিজেপিয়ে। শদিয়াৰ পৰা বোকাখাতলৈকে সম্পূৰ্ণ অগপমুক্ত কৰি দিছে বিজেপিয়ে।” অখিল গগৈয়ে আৰু কয়, “টীয়ক সমষ্টিৰ অগপৰ যি প্ৰাৰ্থী আছে, তেওঁ কেৱল নামতহে অগপৰ, আচলতে তেওঁ বিজেপিৰ প্ৰাৰ্থী। কাৰণ বিকাশ শইকীয়া হিমন্ত বিশ্ব শৰ্মা আৰু পীযুষ হাজৰীকাৰ ঘনিষ্ঠ লোক।” তেওঁ লগতে উল্লেখ কৰে যে অসম জাতীয় পৰিষদ, ৰাইজ দল আৰু কংগ্ৰেছসহ বিৰোধী শক্তি ঐক্যবদ্ধ হোৱাৰ পিছত উজনি অসমৰ ৪৬টা সমষ্টিৰ ভিতৰত মাত্ৰ ১০ৰ পৰা ১২টা সমষ্টিহে বিজেপিক দিবলৈ বিৰোধীয়ে পৰিকল্পনা কৰিছে। “লুৰীণজ্যোতি গগৈ, অখিল গগৈ আৰু গৌৰৱ গগৈ একেলগ হোৱাৰ পিছত উজনি অসমত হিমন্ত বিশ্ব শৰ্মাই পাট্টাই নাপায়, “বুলি গগৈয়ে মন্তব্য কৰে। মৰিয়নী সমষ্টিৰ প্ৰসংগত অখিল গগৈয়ে কয়, “বিৰোধী শক্তি ঐক্যবদ্ধ হোৱাৰ পিছত মৰিয়নীত ৰাইজ দলৰ প্ৰাৰ্থী জ্ঞানশ্ৰী বৰাক কোনেও পৰাজিত কৰিব নোৱাৰে। কুৰ্মী পৰিয়ালৰ ৩৫ বছৰীয়া শাসন সাধাৰণ জনতা আৰু স্বাভিমানী অসমীয়াৰ হাতলৈ ঘূৰাই আনিব জ্ঞানশ্ৰী বৰাই। কথাচহকী আৰু কাম নোহোৱা ৰূপজ্যোতি কুৰ্মীক পৰাজিত কৰিবলৈ বিৰোধী ঐক্যই বিশেষ কৌশল ৰচনা কৰিছে।” তেওঁ আৰু কয় যে ৰূপজ্যোতি কুৰ্মীয়ে মৰিয়নী সমষ্টিত মাত্ৰ ৪০ হাজাৰমান ভোটহে পাব। বিৰোধী ঐক্যমঞ্চই ইতিমধ্যে উমৈহতীয়া নিৰ্বাচন সমিতি গঠন কৰি প্ৰচাৰৰ বাবে সাজু হৈছে। উক্ত প্ৰচাৰ সভাত অখিল গগৈক সংগ দিয়ে টীয়ক সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী পল্লৱী শইকীয়া গগৈ আৰু মৰিয়নী সমষ্টিৰ ৰাইজ দলৰ প্ৰাৰ্থী জ্ঞানশ্ৰী বৰাই।

# কংগ্ৰেছৰ চৰকাৰ আহিলে

উপস্থিত হয় কংগ্ৰেছৰ ৰাজ্যিক সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে। মন্দিয়া সমষ্টিৰ অন্তৰ্গত উদমাৰীস্থিত আতাউৰ ৰহমান বি এড কলেজ খেল পথাৰত অনুষ্ঠিত হোৱা নিৰ্বাচনী প্ৰচাৰ সভাত গৌৰৱ গগৈয়ে ভাষণত কয় যে, এইবাৰ মন্দিয়াত আব্দুল খালেক আৰু কংগ্ৰেছৰ বিজয় নিশ্চিত। এই বিজয় কেৱল আব্দুল খালেক তথা কংগ্ৰেছৰ বিজয় নহব। এই বিজয় কংগ্ৰেছ কৰ্মী, বিৰোধী ঐক্য মঞ্চৰ কৰ্মী আৰু অসমৰ সাধাৰণ মানুহৰ বিজয় হ'ব। কংগ্ৰেছৰ নেতৃত্বত এইবাৰ অসমত এখন নতুন বৰ অসম গঢ়িবলৈ ৰাইজে কংগ্ৰেছৰ চৰকাৰ গঠন কৰিব। অসমত কংগ্ৰেছৰ নেতৃত্বত বিৰোধী ঐক্য মঞ্চৰ চৰকাৰ গঠন হ'লে ৰাইজে অসমৰ পৰা ড° হিমন্ত বিশ্ব শৰ্মাক বাহিৰ কৰি দিব। ড° হিমন্ত বিশ্ব শৰ্মা ভয়াতুৰ মানুহ। তেওঁ কোনো দলতে বেছি দিন থাকিব নোৱাৰে। বিপদত পৰিলেই তেওঁ দল বদলি কৰে। অসমত কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন কৰিলে সৰ্বপ্ৰথম হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছত আহিবলৈ চেষ্টা কৰিব কিন্তু কংগ্ৰেছত ড° হিমন্ত বিশ্ব শৰ্মাক লোৱা নহয় আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ ভ্ৰষ্টাচাৰৰ কাৰণে হিমন্ত বিশ্ব শৰ্মাই ডুবাই নাইবা ছিংগাপুৰলৈ যাব লাগিব। আমাৰ চৰকাৰ আহিলে এখন বিশেষ আইন অনা হ'ব। যি আইনৰ দ্বাৰা কোনোবাই সাম্প্ৰদায়িক কথা বতৰা বা সাম্প্ৰদায়িক কাৰ্যকলাপ কৰিলে অতি কমেও পাঁচ বছৰৰ কাৰণে জেলত যাব লাগিব। প্ৰয়াত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদৰ নামত থকা বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজৰ নাম ড° হিমন্ত বিশ্ব শৰ্মাই বৰপেটা মেডিকেল কলেজ কৰিছে। আমাৰ চৰকাৰ আহিলে বৰপেটা মেডিকেল কলেজৰ নাম পুনৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ বুলি নামকৰণ কৰিম। হিমন্ত বিশ্ব শৰ্মাই এইখন শংকৰ-মাধৱৰ অসম বুলি কয় কিন্তু এইখন শংকৰ আজানৰ অসম আছিল, আছে আৰু থাকিব। ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে শিক্ষানুষ্ঠান বন্ধ কৰি মদৰ দোকান খুলিছে। আমাৰ চৰকাৰ আহিলে ড° হিমন্ত বিশ্ব শৰ্মাই বন্ধ কৰি দিয়া স্কুল সমূহ পুনৰ খুলি দিয়াৰ লগতে অপ্ৰাদেশিত স্কুল সমূহ প্ৰাদেশিকীকৰণ কৰিম আৰু হিমন্ত বিশ্ব শৰ্মাই খুলি দিয়া মদৰ দোকান আমি বন্ধ কৰিম। অৰুণোদয় পোৱা মহিলা সকলে আৰু মিটিঙত যাব নালাগে ঘৰত বহি থাকিয়েই পইচা পাই থাকিব। যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ সন্দৰ্ভতো গগৈয়ে কয় যে, অসমত ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈ থকা লৈকে জুবিন গাৰ্গে ন্যায় নাপায়। কংগ্ৰেছৰ চৰকাৰ হোৱাৰ লগে আমি এশ দিনৰ ভিতৰত জুবিন গাৰ্গক ন্যায় দিম। ড° হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গক হত্যা কৰা হৈছে বুলি কোৱাৰ পাছত ছিংগাপুৰে কিদৰে ক'বলৈ পালে যে, জুবিন গাৰ্গৰ হত্যা হোৱা নাই বুলি। এতিয়া আমি উত্তৰ পোৱাতকৈ দিনক দিনে প্ৰশ্নবোৰহে বাঢ়ি গৈ আছে। এনেদৰে ড° হিমন্ত বিশ্ব শৰ্মাক গৌৰৱ গগৈয়ে ক্ষুৰধাৰ সমালোচনা কৰে। গৌৰৱ গগৈৰ পূৰ্বে কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী আব্দুল খালেকে তেওঁৰ ভাষণত কয় যে, মই বিধায়ক হৈ থকা কাৰ্য্যকালত কলগাছিয়াত দুই শ বিছনাযুক্ত হস্পিতাল, নদীৰ ওপৰত তিনিখনকৈ দলং, শওঁপুৰত আদৰ্শ বিদ্যালয়, চাউলখোৱা নদীৰ দলং, কান্দাপাৰাৰ দলং, দাফনাছিঙত প্ৰথমে কাঠৰ তাৰ পাছত পকী দলং নিৰ্মাণ কৰিছোঁ। বট পথ আদি কৰি বহুতো কাম কৰা বুলি কয় আব্দুল খালেকে। আব্দুল খালেকে আৰু কয় যে, আপোনালোকে মোক জিকাই পঠালে শওঁপুৰত বন্ধ হৈ থকা আদৰ্শ বিদ্যালয় মই খুলি দিয়াৰ চেষ্টা কৰিম।

# অৱশেষত গ্ৰহণ কৰিলে

সমষ্টিত এটা গুৰুত্বপূৰ্ণ বিকাশ ঘটিল। নিৰ্বাচন আয়োগে অৱশেষত বিজেপিৰ তৰফৰ পৰা প্ৰাৰ্থী হিচাপে থিয় দিয়া মন্ত্ৰী অশোক সিংহলৰ মনোনয়ন পত্ৰ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। আয়োগৰ আধিকাৰিক ৱেবচাইটত উপলব্ধ তথ্য অনুসৰি সিংহলে দাখিল কৰা চাৰিওখন মনোনয়ন পত্ৰই বৈধ বুলি বিবেচিত হৈছে। পূৰ্বে কংগ্ৰেছ প্ৰাৰ্থী ব'টাছ ওৰাঙে অশোক সিংহলৰ মনোনয়ন পত্ৰত বিভিন্ন ধৰণৰ ত্ৰুটি আছে বুলি অভিযোগ দাখিল কৰিছিল। সেই অভিযোগৰ পটভূমিত নিৰ্বাচন আয়োগৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছিল। বৈঠকৰ অন্তত আয়োগে সিংহলৰ মনোনয়ন বৈধ ঘোষণা কৰে। ইয়াৰ ফলত ঢেকীয়াজুলি সমষ্টিত বিজেপিৰ পৰা অশোক সিংহলে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অংশগ্ৰহণ কৰাৰ পথ সুগম হৈ উঠিল। আনহাতে, কংগ্ৰেছ প্ৰাৰ্থী ব'টাছ ওৰাঙৰ মনোনয়ন পত্ৰো আয়োগৰ ৱেবচাইটত বৈধ বুলি চিহ্নিত কৰা হৈছে। গতিকে দুজন মূল প্ৰাৰ্থীয়েই এই সমষ্টিত শক্তিশালী প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হ'ব। এই সিদ্ধান্তৰ জৰিয়তে ঢেকীয়াজুলি সমষ্টিত নিৰ্বাচনী প্ৰক্ৰিয়া আৰু স্পষ্ট হৈ উঠিল। দলীয় সমৰ্থকসকলে উভয় পক্ষৰ পৰা উৎসাহিত হৈ উঠাৰ সম্ভাৱনা আছে। অশোক সিংহলে পূৰ্বে এই সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল আৰু তেওঁৰ পুনৰ নিৰ্বাচনী প্ৰচাৰৰ প্ৰস্তুতি তীব্ৰতৰ হোৱাৰ সম্ভাৱনা দেখা গৈছে। নিৰ্বাচন আয়োগৰ এই চূড়ান্ত সিদ্ধান্তই অসমৰ বিভিন্ন সমষ্টিত চলি থকা মনোনয়ন প্ৰক্ৰিয়াৰ এক উদাহৰণ হিচাপে পৰিগণিত হ'ব। ভোটাৰসকলে এতিয়া দুজন প্ৰাৰ্থীৰ মাজত স্পষ্ট পছন্দ কৰাৰ সুযোগ লাভ কৰিলে। আগন্তুক দিনত ঢেকীয়াজুলিত নিৰ্বাচনী প্ৰচাৰ আৰু অধিক তীব্ৰ হোৱাৰ সম্ভাৱনা আছে।

# বিটিচিৰ ১৫ খন আসনতে ‘এনডিএ’ই মাৰিব শেষ

তত্ত্বাৱধায়ক জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াৰ উপস্থিতিত আজি বিজেপি, বি.পি.এফ আৰু এ.জি.পি (এন.ডি.এ) দলৰ সন্মিলিত উদ্যোগত এক গুৰুত্বপূৰ্ণ নিৰ্বাচনী প্ৰস্তুতি বৈঠক অনুষ্ঠিত কৰা হয়। উক্ত সভাত টংলা বিধান সভাৰ মনোনীত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকা, জিলা বিজেপিৰ সভাপতি অজয় হাজৰিকা, বি.পি.এফৰ জিলা সভাপতি লৌমশ্ৰাও দৈমাৰী, অগপৰ জিলা সভাপতি যতীন ডেকা, বিপিএফ নেতা জগদীশ সৰকাৰ, বনজাৰ দৈমাৰী, বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী, দিগন্ত বৰুৱা, বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিয়াছ কুজুৰ আৰু এন.ডি.এ দলৰ সকলো নেতা, কৰ্মী উপস্থিত থাকে। ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক সুজিত সৰকাৰে আঁত ধৰা উক্ত সভাত বি টি চিৰ তত্ত্বাৱধায়ক জয়ন্ত মল্ল বৰুৱাৰই ভাষণ প্ৰদান কৰি বিজেপি, বিপিএফ আৰু অগপৰ সকলো দলীয় নেতৃত্বক টংলা সমষ্টিত এন.ডি.এৰ মনোনীত তথা বিজেপি দলৰ নেতা বিকন চন্দ্ৰ ডেকাক বিজয়ী কৰিবলৈ গাঁৱে-গাঁৱে সৰু ডাঙৰ নিৰ্বাচনী সভা অনুষ্ঠিত কৰি ৰাইজৰ মাজত সোমাই পৰিবলৈ আহ্বান জনায়। উক্ত সভাত বি.পি.এফৰ ভেৰগাঁও জিলাৰ সভাপতি লৌমশ্ৰাও দৈমাৰীয়ে তিনিওটা দল একত্ৰিত হৈ বিকন চন্দ্ৰ ডেকাক বিজয় সু নিশ্চিত কৰিবলৈ নিৰ্বাচনী ৰণ কৌশল সম্পৰ্কে মন্তব্য আগবঢ়ায়। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা মত বিনিময়ত জয়ন্ত মল্ল বৰুৱাই বিটিচিৰ ১৫খন আসনৰ ১৫ খনতে আমাৰ এন ডি এ শেষ হাঁহি মাৰিব বুলি উল্লেখ কৰে। বিকন চন্দ্ৰ ডেকা সকলোৰে পৰিচিত আৰু ৰাইজৰ মাজত কাম কৰা ব্যক্তি বাবে এইবাৰ টংলা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকা বিজয় সুনিশ্চিত বুলি কয়। বিটিচিত আমি এন ডি এ হিচাপে নিৰ্বাচন খেলিম আৰু এন ডি এ হিচাপে সকলো উঠি পৰি লাগিছে। টংলা সমষ্টিত বৰ্তমান যিটো পৰিৱেশ দেখিছোঁ সেই হিচাপে বিকন চন্দ্ৰ ডেকা বিপুল ভোটৰ ব্যৱধানত জয়ী হব বুলি কয় জয়ন্ত মল্ল বৰুৱাই। বিটিচিত মিত্ৰ দলৰ চিন্তা কৰিব লগীয়া একো নাই, যেতিয়া বিটিচিত হিমন্ত বিশ্ব শৰ্মা আৰু হাগ্ৰামা মহিলাৰী মিলি আছে। ইয়াত আৰু চিন্তা কৰিব লগীয়া একো নাই বুলি কয়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ আৰু কয় যে, যোৱা নিৰ্বাচনৰ তুলনাত এইবাৰ আমাৰ আসন বাঢ়িব। কংগ্ৰেছ দলৰ বৰ্তমান যিটো পৰিৱেশ তাত একো আশা নাই বুলি উল্লেখ কৰি আৰু কয় যে, অসমত ২২৫৩খন আসনত আমি সিদ্ধান্ত লব নোৱাৰোঁ। তাত মিয়া মানুহে সিদ্ধান্ত লয়। তেনে ক্ষেত্ৰত কোনোবাই সেইবোৰ আসন লাভ কৰিব পাৰে বুলি অতি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায় বি.টি.চিৰ তত্ত্বাৱধায়ক জয়ন্ত মল্ল বৰুৱাই।

# অসমত কংগ্ৰেছৰ চৰকাৰ নাহে, পাকিস্তানত আহিব

কামৰ কথা ঘোষণা কৰে। তেওঁ কয় যে অহা পাঁচ বছৰত নগাঁৱৰ পৰা গুৱাহাটীলৈ মাত্ৰ ডেৰ ঘণ্টাত পাব পৰাকৈ ছয়লেনযুক্ত এক্সপ্ৰেছ হাইৱে নিৰ্মাণ কৰা হ'ব। নগাঁৱত ঔদ্যোগিক প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব, প্ৰয়োজন অনুসৰি উৰণসেতু নিৰ্মাণ কৰা হ'ব আৰু দুই লাখ চাকৰিৰ সুযোগ সৃষ্টি কৰা হ'ব। প্ৰচাৰ সভাৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে বিৰোধীক কঠোৰ সমালোচনা কৰি কয়, “এতিয়া অসমীয়াৰ ওপৰত কথা ক'বলৈ বিৰোধীৰ সাহস নাই। অসমীয়া মানুহৰ ওপৰত কোনেও ৰঙাচকু দেখুৱাব নোৱাৰিব। মই কামিহাঁড় ভাঙি পেলাইছোঁ। নগাঁৱত গঁড় হত্যাকাৰী কংগ্ৰেছৰ ডাঙৰ নেতায়ো চকু তল কৰি ওলাব লাগিব। এই পাঁচ বছৰত কামিহাঁড় ভাঙিলোঁ, অহা পাঁচ বছৰত সম্পূৰ্ণ সমান কৰি দিম যাতে অসমীয়াৰ প্ৰতি কোনেও ৰঙাচকু দেখুৱাব নোৱাৰে।” ‘নতুন বৰ অসম'ৰ প্ৰচাৰৰ প্ৰসংগত হিমন্ত বিশ্ব শৰ্মাই কয়, “আমি বিচাৰোঁ চাওলুং চ্যুকাফা আৰু শ্ৰীমন্ত শংকৰদেৱৰ বৰ অসম। কিন্তু কংগ্ৰেছৰ নেতৃত্বত বিৰোধীয়ে বাংলাদেশীসকলক লৈ নতুন বৰ অসম গঢ়িব বিচাৰিছে।” গৌৰৱ গগৈয়ে তেওঁক কংগ্ৰেছত স্থান নিদিয়াৰ কথা কোৱাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, “কংগ্ৰেছে ভাৰতত চৰকাৰ কৰিব নোৱাৰে। কংগ্ৰেছে পাকিস্তান বা বাংলাদেশতহে চৰকাৰ কৰিব পাৰে। মই আকৌ কংগ্ৰেছলৈ যোৱাৰ প্ৰশ্নই নুঠে, কাৰণ মোৰ পৰিবাৰৰ পাকিস্তানৰ সৈতে কোনো লিংক নাই।” ৰাজেন গোহাঁয়ে তেওঁৰ ৰাজনৈতিক জ্ঞান সীমিত বুলি কৰা মন্তব্যৰ প্ৰত্যুত্তৰত হিমন্ত বিশ্ব শৰ্মাই কয়, “ইমান দিনে ৰাজেন গোহাঁয়ে মোক সমালোচনা কৰিলে। এইবাৰ বঢ়মপুৰৰ ৰাইজে উত্তৰ দিব। ইমান দিনে বাতৰিত চলি আছিল, এইবাৰ ৰাইজৰ ক'ৰ্টত আহিছে। ৰাইজে প্ৰমাণ কৰিব— তেওঁলোকে মোক ভাল পায় নে ৰাজেন গোহাঁইক।” নগাঁও-বটদ্ৰৱা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দুৰ্লভ চমুৱাই তেওঁক WhatsApp মেছেজ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কটাক্ষ কৰি কয় যে টিকট লাভত ৯০ শতাংশ অৱদান তেওঁৰেই। লগতে বিৰোধী আছে বুলি সাংবাদিকে সুধিলেহে গম পোৱা বুলিও কৈ তেওঁ কটাক্ষ কৰে। এই প্ৰচাৰ সভাতে মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ছিংগাপুৰৰ কৰ'নাৰ আদালতে জুবিন গাৰ্গৰ মৃত্যুক পানীত পৰি হোৱা স্বাভাৱিক মৃত্যু বুলি ৰায় দিয়াৰ পাছত হিমন্ত বিশ্ব শৰ্মাই কয়, “ছিংগাপুৰ আদালতৰ ৰায় আৰু অসম চৰকাৰৰ অভিযোগনামাৰ মাজত কোনো পাৰ্থক্য নাই। ছিংগাপুৰ ক'ৰ্টে কৈছে ৩৮০ মিলিলিটাৰ সুৰা পোৱা গৈছে, আমিও একেই কথা কৈছোঁ। তেওঁলোকে কৈছে আগদিনা ৰাতিৰ পৰা খাইছে, আমিও কৈছোঁ ৰাতিৰ পৰাই খুৱাইছে। মাত্ৰ আমি কৈছোঁ— উদ্দেশ্য প্ৰণোদিতভাৱে খুৱাই দিয়া হৈছে। অমৃতপ্ৰভা মহন্তই নিশাৰ পৰাই চক্ৰান্তমূলকভাৱে জুবিন গাৰ্গক মদ খুৱাইছিল।” মুখ্যমন্ত্ৰীয়ে লগতে কয়, “অসম আৰক্ষীয়ে ছিংগাপুৰতকৈয়ো ভাল কাম কৰিছে। বহুতে কৈছিল ছিংগাপুৰলৈ যাব লাগিছিল। যদি আমি ছিংগাপুৰলৈ গ'লোহেঁতেন তেন্তে একো নাপালোহেঁতেন। আজিৰ ৰায়ে প্ৰমাণ কৰিলে যে আমি ঠিক কাম কৰিছোঁ। ষড়যন্ত্ৰ অসমতে হৈছে, বেংক একাউণ্ট ইয়াতে আছে। গতিকে ছিংগাপুৰলৈ নোযোৱাটো ভাল হৈছে।” তেওঁ জানিব দিয়ে যে নিৰ্বাচনৰ পাছত জুবিন গাৰ্গৰ অভিযোগনামাৰ সন্দৰ্ভত আলোচনা কৰিব আৰু ছিংগাপুৰৰ ৰায়ে অসম চৰকাৰৰ গোচৰক আৰু শক্তিশালী কৰিব। উল্লেখ্য যে, যোৱা বৰ্ষৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত জুবিন গাৰ্গৰ অকাল মৃত্যু হয়। অসম চৰকাৰে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামী, সন্দীপন গাৰ্গ আৰু দুজন দেহৰক্ষীক গ্ৰেপ্তাৰ কৰে। বৰ্তমান ফাষ্ট ট্ৰেক আদালতত গোচৰৰ বিচাৰ চলি আছে।

# মই মুখ্যমন্ত্ৰী হ'লে হিমন্ত বিশ্ব শৰ্মা অসমত থাকিব

বৰপেটা জিলাৰ মন্দিয়া বিধানসভা সমষ্টিৰ বামুণটাৰীত অনুষ্ঠিত এখন বিশাল নিৰ্বাচনী জনসভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণ কৰে। বি এড কলেজ খেলপথাৰত অনুষ্ঠিত সভাত হেলিকপ্টাৰযোগে উপস্থিত হৈ সহস্ৰাধিক কংগ্ৰেছ কৰ্মী-সমৰ্থকৰ সন্মুখত ভাষণ দিয়া গগৈয়ে কয় যে এইবাৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে অসমত এখন মানৱতাবাদী চৰকাৰ গঠন কৰিব। গৌৰৱ গগৈয়ে কয়, “অসমত কংগ্ৰেছৰ চৰকাৰ গঠন হ'লে আৰু মই মুখ্যমন্ত্ৰী হ'লে এনে এখন শক্তিশালী আইন প্ৰণয়ন কৰিম যে সাম্প্ৰদায়িক ৰাজনীতি কৰা হিমন্ত বিশ্ব শৰ্মাই অসমত থাকিবই নোৱাৰিব। তেওঁক ডুবাই বা ছিংগাপুৰত গৈ থাকিব লাগিব। এইবাৰ অসমৰ ৰাইজে সাম্প্ৰদায়িক বিজেপিক অসমৰ পৰা সম্পূৰ্ণ বিদায় দিব।” তেওঁ লগতে উল্লেখ কৰে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি কৈছিল যে ন্যায় নোপোৱালৈকে বিজেপিক ভোট নিদিব। সেই কথা স্মৰণ কৰাই দি গগৈয়ে কয় যে এতিয়া সেই প্ৰতিশ্ৰুতিৰ কথা হিমন্ত বিশ্ব শৰ্মাক মনত পেলাই দিয়া হৈছে। ভাষণত গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক কঠোৰ সমালোচনা কৰি কয়, “হিমন্ত বিশ্ব শৰ্মাই যেতিয়াই বিপদত পৰে তেতিয়াই দল সলনি কৰে। আছুৰ পৰা কংগ্ৰেছলৈ, কংগ্ৰেছৰ পৰা বিজেপিলৈ গৈছে। অসমত কংগ্ৰেছৰ চৰকাৰ গঠন হ'লে বিজেপি ত্যাগ কৰা প্ৰথম ব্যক্তি হ'ব হিমন্ত বিশ্ব শৰ্মা।” তেওঁ আৰু কয় যে কংগ্ৰেছ চৰকাৰ গঠন হ'লে হিন্দু-মুছলমানৰ নামত সাম্প্ৰদায়িক ৰাজনীতি কৰিলে পাঁচ বছৰৰ জেলৰ বিধান থকা এখন আইন আনিব। লগতে অসমত কংগ্ৰেছৰ চৰকাৰ আহিলে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গক একশ দিনৰ ভিতৰত ন্যায় প্ৰদান কৰা হ'ব বুলিও ঘোষণা কৰে। সাংবাদিকৰ আগত গগৈয়ে কয়, “ৰাইজৰ দল, অসম জাতীয় পৰিষদ আৰু চিপিআই(এম) দলৰ সৈতে ইতিমধ্যে একত্ৰিত হোৱাৰ বাবে বৰপেটা জিলাৰ প্ৰতিটো সমষ্টিত কংগ্ৰেছৰ জয় নিশ্চিত। হিমন্ত বিশ্ব শৰ্মা কাৰো পক্ষত নহয়— ভোজপুৰী, বাঙালী বা খিলঞ্জীয়া কাৰো পক্ষত নহয়। গতিকে সমগ্ৰ ৰাইজ একত্ৰিত হৈ তেওঁক অসমৰ পৰা বিদায় দিব বিচাৰিছে।” সভাত অসম গণ পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্য আজগৰ আলী আহমেদকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে কংগ্ৰেছ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ মুখপাত্ৰ হামিদ হুছেইন, অসম জাতীয় পৰিষদ আৰু চিপিআই(এম)-ৰ প্ৰতিনিধিসকল উপস্থিত থাকে। সভাৰ শেষত গৌৰৱ গগৈয়ে আব্দুল খালেকৰ জয় নিশ্চিত বুলি দাবী কৰি ৰাইজক উৎসাহিত কৰে আৰু হেলিকপ্টাৰযোগে চেঙা সমষ্টিলৈ যাত্ৰা কৰে।

# ‘ক'ৰনাৰ্ছ আদালতে পূৰ্বেৰে পৰা একেখিনি

জুবিন ক্ষেত্ৰত উপস্থিত হোৱা জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। গৰিমা শইকীয়া গাৰ্গে স্পষ্টকৈ কয় যে, ছিংগাপুৰৰ কৰ'নাৰ্ছ আদালতে নিজৰ মতে ৰায়দান দিছে। তেওঁ লগতে উল্লেখ কৰে যে, এই ৰায়দানে অসমত চলি থকা ন্যায় প্ৰক্ৰিয়াত একো প্ৰভাৱ নেপেলায়। তেওঁ কয়, “পৰ্যটন বিশেষ দেশ হিচাপে সময়টোত কি হৈছিল সেই হিচাপে ৰায়দান দিছে।” গৰিমাই আৰু কয়, “দোষীয়ে কঠোৰ শাস্তি পাওক, আমি সেইটোৱেই বিচাৰি আছো।” তেওঁৰ মতে, ছিংগাপুৰৰ ৰায় যিমানেই হওক, অসমৰ বিশেষ আদালতে এতিয়া ক্ষিপ্ৰতৰ গতিত বিচাৰ চলাব। “এতিয়া যিহেতু বিশেষ আদালতখন গঠন কৰা হৈছে, গতিকে এতিয়া ক্ষিপ্ৰতৰ হ'ব”, — বুলি তেওঁ আশা প্ৰকাশ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ পিছৰে পৰা গৰিমা শইকীয়া গাৰ্গে ন্যায়ৰ বাবে অহোপুৰি চেষ্টা চলাই আহিছে। আজি সোণাপুৰৰ জুবিন ক্ষেত্ৰত অনুৰাগী আৰু শুভাকাংক্ষীৰ উপস্থিতিত তেওঁৰ এই প্ৰতিক্ৰিয়াই সকলোৰে মনত নতুনকৈ আশা জগাই তুলিছে। তেওঁ সকলোকে আহ্বান জনাইছে যে, আইনী প্ৰক্ৰিয়াৰ প্ৰতি বিশ্বাস ৰাখি ধৈৰ্য্য ধৰিব লাগে।

# ছিংগাপুৰৰ বিষয়াই কৈ

মৃত্যু' বুলি দিয়া ৰায়ক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। আজি খানাপাৰাত অনুষ্ঠিত সংবাদমেলত গগৈয়ে চৰকাৰী তদন্তৰ স্বচ্ছতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পূৰ্বৰ মন্তব্যক লৈ একাধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। সংবাদমেলত গৌৰৱ গগৈয়ে কয় যে, ১৯ ছেপ্তেম্বৰৰ পাছত ভাৰত চৰকাৰ আৰু ছিংগাপুৰ চৰকাৰৰ মাজত এক বিশেষ আইনী চুক্তি স্বাক্ষৰিত হৈছিল। জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰকৃত কাৰণ উদঘাটন কৰিবলৈ আৰু দুয়ো চৰকাৰৰ মাজত সন্তুলন ৰক্ষা কৰিবলৈ এই চুক্তি কাৰ্যকৰী কৰা হৈছিল। চুক্তি অনুসৰি দুয়ো দেশৰ মাজত তথ্যৰ আদান-প্ৰদান হ'ব লাগিছিল। তেওঁ আৰু কয়, “মুখ্যমন্ত্ৰীয়ে এছআইটি গঠন কৰি তাক ছিংগাপুৰলৈ পঠিয়াইছিল। আমি আশা কৰিছিলোঁ যে অসমৰ এছআইটিয়ে ছিংগাপুৰ আৰক্ষী আৰু গৃহ মন্ত্ৰালয়ৰ সৈতে ব্যাপক আলোচনা কৰি তথ্য বিনিময় কৰিব। বিধানসভাত মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গক হত্যা কৰা হৈছে বুলি স্পষ্টকৈ কৈছিল। কিন্তু একে সময়তে ছিংগাপুৰত গোচৰ চলি আছিল আৰু আজি সেই আদালতে ৰায় দিলে যে জুবিন গাৰ্গৰ মৃত্যু স্বাভাৱিক আৰু আকস্মিক।” গগৈয়ে প্ৰশ্ন কৰে, “দুয়োখন চৰকাৰৰ মাজত আলোচনা হ'ল, এছআইটি গ'ল, তথ্যৰ আদান-প্ৰদান হ'ল বুলি কোৱা হৈছে। তথাপি ছিংগাপুৰ চৰকাৰে এক কথা কয় আৰু অসম চৰকাৰে বিধানসভাত আন এটা কথা কয়। আজিৰ ৰায়ে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক সহায় কৰিব। হোটেলত থকা ঠাই, মৃত্যুৰ স্থানত তদন্ত হ'ল নেকি? বিদেশ মন্ত্ৰালয়ে আলোচনা কৰিলে যদিও চৰকাৰী প্ৰতিনিধি আৰু আদালতে এনে ৰায় দিলে যিটো মানি ল'বলৈও আমাৰ বাবে জটিল হৈ পৰিছে।” তেওঁ লগতে কয় যে, এই ৰায়ে দুয়ো অভিযুক্তক সকাহ দিছে। “জুবিন গাৰ্গক ন্যায় দিয়াৰ পৰিৱৰ্তে বিজেপিয়ে তেওঁৰ চৰিত্ৰহণনত লাগিছে। মুখ্যমন্ত্ৰীয়ে জুবিনদাৰ বিষয়ে এতিয়া একো কথা নকয়। সমাধিক্ষেত্ৰ উন্নয়ন বা চৰিত্ৰহণনৰ বিষয়তো চুপ থাকে। আমি ভাবি নাছিলোঁ যে জুবিনদাৰ মৃত্যুৰ ক্ষেত্ৰত এনে ৰায় আহিব। বহুতে এই ৰায়ক বিশ্বাস কৰিবলৈ টান পাইছে।” গৌৰৱ গগৈয়ে আৰু উল্লেখ কৰে যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজেই বিধানসভা নিৰ্বাচনৰ পূৰ্বে কৈছিল— “যদি জুবিন গাৰ্গক ন্যায় দিব নোৱাৰে, তেন্তে অসমৰ ৰাইজে বিজেপিক ভোট নিদিব।” গগৈয়ে প্ৰশ্ন কৰে, “সেই কথা আজি মুখ্যমন্ত্ৰীৰ মনত আছে নে নাই?” শেষত গগৈয়ে কয়, “জুবিন গাৰ্গ হত্যাকাণ্ডৰ তদন্তক মানুহে বিশ্বাস কৰিবলৈ টান পাইছে। ৰাইজ বিভ্ৰান্তিত আছে। দুয়ো চৰকাৰৰ মাজত সন্তুলন ক'লৈ গ'ল? জুবিন গাৰ্গৰ ন্যায় আজি ক'লৈ গ'ল?” অসম কংগ্ৰেছে এই ৰায়ক লৈ কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ দাবী কৰিছে আৰু জুবিন গাৰ্গৰ পৰিয়ালক ন্যায় প্ৰদানৰ বাবে অধিক স্বচ্ছ তদন্তৰ দাবী জনাইছে।

# দেশত বৃদ্ধি নহয় পেট্ৰ'ল-

প্ৰচাৰিত বিভিন্ন উৰা বাতৰিয়ে জনসাধাৰণৰ মাজত অনাহক উদ্বেগৰ সৃষ্টি কৰিছে। এনে মিছা তথ্যই স্বাভাৱিক যোগান প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পাৰে বুলি মন্ত্ৰালয়ে সকলোকে সতৰ্ক কৰি দিছে। ইণ্ডিয়ান অইল কৰ্প'ৰেশ্যন (আইঅ'চি), ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেশ্যন লিমিটেড (বিপিচিএল) আৰু হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেশ্যন লিমিটেড (এইচপিচিএল)-এ স্পষ্টকৈ উল্লেখ কৰিছে যে, সমগ্ৰ দেশৰ পেট্ৰ'ল পাম্পসমূহত পেট্ৰ'ল আৰু ডিজেলৰ যথেষ্ট মজুত আছে। এলপিজিৰ ক্ষেত্ৰতো কোনো সমস্যা দেখা দিয়া নাই। ৰিফাইনাৰীসমূহ স্বাভাৱিকভাৱে চলি আছে আৰু ইন্ধনৰ উৎপাদন তথা বিতৰণ অব্যাহত ৰখা হৈছে। মন্ত্ৰালয়ৰ বিবৃতিত আৰু কোৱা হৈছে, “পেট্ৰ'ল বা ডিজেলৰ অভাৱ হোৱা নাই। অনলাইন মাধ্যমত প্ৰচাৰিত উৰা বাতৰিয়ে অনাহক উদ্বেগ সৃষ্টি কৰিব পাৰে আৰু স্বাভাৱিক যোগানৰ প্ৰচেষ্টাত বাধাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে এনে উৰা বাতৰিৰ ওপৰত বিশ্বাস নকৰিব। আতংকিত নহৈ কেৱল পৰীক্ষিত আৰু চৰকাৰী সূত্ৰৰ পৰা পোৱা তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰক।” চৰকাৰী সূত্ৰসমূহে লগতে জনাইছে যে, দেশৰ তেল ৰিফাইনাৰীসমূহ উচ্চ ক্ষমতাত চলি আছে আৰু ক্ৰুড অইলৰ মজুতো পৰ্যাপ্ত। পশ্চিম এছিয়াৰ সংঘাতৰ প্ৰভাৱ যাতে ভাৰতৰ ইন্ধন যোগানত নপৰে, তাৰ বাবে বৈচিত্ৰ্যপূৰ্ণ উৎসৰ পৰা তেল আমদানিৰ ব্যৱস্থা কৰা হৈছে। জনসাধাৰণক আহ্বান জনাই মন্ত্ৰালয়ে কৈছে, “আতংকিত হোৱাৰ কোনো প্ৰয়োজন নাই। পেট্ৰ'ল, ডিজেল আৰু এলপিজিৰ যোগান সম্পূৰ্ণ সুস্থিৰ। কেৱল প্ৰয়োজন অনুসৰি ক্ৰয় কৰক আৰু মজুত কৰি ৰখাৰ পৰা বিৰত থাকক।” এই আশ্বাসৰ পিছতো যদি কোনো স্থানত সাময়িকভাৱে যোগানৰ বিষয়ে কোনো প্ৰশ্ন উত্থাপিত হয়, তেন্তে চৰকাৰী হেল্পলাইন বা সংশ্লিষ্ট তেল কোম্পানীৰ অফিচিয়েল ৱেবচাইট/এপৰ জৰিয়তে পৰীক্ষা কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# ‘মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভুলৰ বাবেই জুবিন গাৰ্গে সময়মতে ন্যায় লাভ কৰিব নোৱাৰিলে। তেওঁ আৰু কয় যে, অসমৰ আদালতত জুবিন গাৰ্গৰ দৰে এজন ব্যক্তিয়ে ন্যায় পাবলৈ ১৫ বছৰ সময় লাগিব পাৰে। ছিংগাপুৰৰ ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দুলু আহমেদে কয় যে, এই ৰায়ে অসমৰ ৰাজনীতিত বিশেষকৈ আগন্তুক বিধানসভা নিৰ্বাচনত প্ৰভাৱ পেলাব। তেওঁৰ মতে, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটো সঠিকভাৱে তদন্ত নকৰাৰ বাবে চৰকাৰৰ বিৰুদ্ধে ৰাইজৰ মাজত তীব্ৰ ক্ষোভ সৃষ্টি হৈছে। সংবাদমেলত দুলু আহমেদে জুবিন গাৰ্গৰ মৃত্যুক লৈ অসম চৰকাৰ আৰু আৰক্ষীৰ তদন্ত প্ৰক্ৰিয়াক প্ৰশ্নবিদ্ধ কৰে। তেওঁ উল্লেখ কৰে যে, ছিংগাপুৰত গোচৰৰ তদন্ত চলি থকাৰ সময়তে অসমত ভিন্ন ধৰণৰ তদন্ত আৰু অভিযোগপত্ৰ দাখিল কৰা হৈছে, যিটো দুয়োটা দেশৰ তদন্তৰ মাজত অসংগতি সৃষ্টি কৰিছে। তৃণমূল নেতাগৰাকীয়ে কয় যে, জুবিন গাৰ্গ অসমীয়া সংস্কৃতি আৰু সমাজৰ এক অবিচ্ছেদ্য অংশ আছিল। তেওঁৰ মৃত্যুৰ পাছত ন্যায় প্ৰতিষ্ঠাৰ বাবে চৰকাৰে যথেষ্ট পদক্ষেপ গ্ৰহণ নকৰাৰ বাবে ৰাইজৰ মাজত অসন্তোষ বাঢ়িছে। এই ঘটনাই অসমৰ আগন্তুক নিৰ্বাচনত এক বৃহত্তৰ প্ৰভাৱ পেলাব বুলি তেওঁৰ দৃঢ় মত। দুলু আহমেদে আৰু কয় যে, যদি চৰকাৰে সঠিক সময়ত সঠিক পদক্ষেপ ল'লে হ'লে জুবিন গাৰ্গে ন্যায় লাভ কৰিব পাৰিলেহেঁতেন। তেওঁ অসম চৰকাৰক পুনৰ এবাৰ সকীয়াই দিয়ে যে, জনসাধাৰণৰ ন্যায়ৰ দাবীক আওকাণ কৰিলে ৰাজনৈতিকভাৱে মূল্য দিব লাগিব। সংবাদমেলত উপস্থিত সাংবাদিকসকলৰ প্ৰশ্নৰ উত্তৰত দুলু আহমেদে কয় যে, জুবিন গাৰ্গৰ পৰিয়াল আৰু ভক্তসকলৰ সৈতে তেওঁ সদায় যোগাযোগ ৰাখিছে আৰু ন্যায়ৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰি যাব। এই সংবাদমেলে ৰাজ্যজুৰি তীব্ৰ আলোচনাৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটো এতিয়া ৰাজনৈতিক আৰু সামাজিকভাৱে অধিক গুৰুত্ব লাভ কৰিছে।

# ’২৬ত চৰকাৰ গঠন কৰিলে

শৰ্মা। হিতাধিকাৰীৰ চমক সৃষ্টিৰে হোজাই সমষ্টিৰ বিজেপি দলৰ মনোনীত মিত্ৰজোঁটৰ প্ৰাৰ্থী শিলাদিত্য দেৱৰ হৈ ৰজাগাঁৱত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংকল্প সভাখনিত বিজেপি দলৰ পাঁচটাকৈ নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়াৰ লগতে বিজেপিৰ চৰকাৰ হ'লে প্ৰতিটো আঁচনিৰ ধন বৃদ্ধি কৰাৰো আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী গৰাকীয়ে লগতে হোজাই সমষ্টিত সমষ্টি পুনঃ নিৰ্ধাৰণৰ পাছত অন্তৰ্ভুক্ত হোৱা ছটাকৈ পঞ্চায়তৰ গাঁওসমূহৰ বাবে কেইবাটিও নতুন আঁচনি ৰূপায়ণৰ কথা ঘোষণা কৰে। ২০২৬ চনত বিজেপি চৰকাৰ গঠন কৰিলে ২ লাখ চাকৰি দিম বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। লগতে পুনৰ বিজেপি চৰকাৰ আহিলে মহিলা সকলক ২৫ হাজাৰ টকাকৈ দিম বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰীৰ। সভাত কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। সভাত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে সমষ্টিটোৰ দলীয় নেতৃবৃন্দ উপস্থিত থাকে। সভাৰ অন্তত সংবাদ মাধ্যমৰ আগত এক সাক্ষাৎকাৰত হোজাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী শিলাদিত্য দেৱক ৰাইজে বিপুল ভোটৰ ব্যৱধানত জয়ী কৰাব বুলি মন্তব্য কৰে।

### বিজেপিৰ শশীকান্ত দাসক তীব্ৰ প্ৰত্যাহ্বান জনাই বিশাল সমদল উৎপল বণিয়াৰ

## ৬১নং ৰহা বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী উৎপল বণিয়াৰ মনোনয়ন দাখিল



**অসম বাৰ্তা, ৰহা, ২৪ মাৰ্চ ঃ** ৰহা ৬১নং বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী উৎপল বণিয়াই আজি মনোনয়ন-পত্ৰ দাখিল কৰে। দিনৰ ১১ বজাত ৰহা সমষ্টিৰ চাপৰমুখৰ সমীপৰ গছপৰাৰ ঐতিহ্যমণ্ডিত মা-ন বসুন্ধৰী থানত উপস্থিত হৈ মা বসুন্ধৰী থানত মাৰ আশীৰ্বাদ লৈ ৰহাৰ পৰা কেইবা হাজাৰ দলীয় নেতা-কৰ্মী, সমৰ্থকক লৈ নগাঁও অভিমুখে যাত্ৰা কৰি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত বণিয়াই নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন-পত্ৰ দাখিলৰ পিছতে বিয়লি পুনৰ ৰহালৈ আহি ৰহাত পুৱাৰে পৰা অপেক্ষা কৰি থকা দলীয় সমৰ্থকসকলক লগত লৈ ৰহাৰ মাজেৰে এক বিশাল সমদল উলিয়াই একপ্ৰকাৰ চমক দিয়ে প্ৰাৰ্থী - উৎপল বণিয়াই। বিহু নাচনীৰ দল আগত লৈ পাঁচ শতাধিক মটৰচাইকেল আৰু কেইবা শতাধিক গাড়ীসহ এক দীঘলীয়া শাৰীৰে ও প্ৰায় দহ হাজাৰ সমৰ্থকসহ উলিওৱা এই সমদলটোৰ জৰিয়তে ৰহা সমষ্টিত কংগ্ৰেছৰ শক্তিও প্ৰদৰ্শন কৰে প্ৰাৰ্থীগৰাকীয়ে। ৰহাৰ পৰা সমষ্টিৰ ন বিভিন্ন পঞ্চায়ত হৈ সমদলটো অৱশেষত প্ৰাৰ্থীগৰাকী দেওধৰ পঞ্চায়তৰ ৰণথলীৰ নিজা বাসগৃহত সমাপ্ত কৰা হয়। ইপিনে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছ প্ৰাৰ্থী বণিয়াই এইবাৰ ৰহাত ধৰ্ম প্ৰতিষ্ঠাৰ বাবে আগবাঢ়িছো আৰু সেই কাৰণেই ঐতিহাসিক মা বসুন্ধৰী থানত আশিস লৈ যাত্ৰা আৰম্ভ কৰা বুলি মন্তব্য কৰি আমি কোনো হিন্দু-মুছলমানৰ ধৰ্মৰ বিৰুদ্ধে ৰাজনীতি কৰা নাই বৰঞ্চ সকলো জাতি ধৰ্ম নিৰ্বিশেষে মানৱ ধৰ্ম আৰু সমন্বয় সহযোগিতাৰ এক ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈহে আগবাঢ়িছো বুলি কয়। বিগত সময়ত উন্নয়নৰ ফোঁপোলা স্বৰূপ দেখা তথা ১২৬টা সমষ্টিৰ ভিতৰতে অতিকে পিছপৰা ৰহা সমষ্টিৰ প্ৰকৃত উন্নয়ন হোৱাটো ৰাইজে বিচাৰি এইবাৰ মোক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে নহয় ৰাইজে নিজৰ সন্তানক জিকাবৰ বাবেহে আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি বণিয়াই ৰহাত বিজেপি প্ৰাৰ্থীগৰাকীয়ে কংগ্ৰেছৰ শক্তিশালী স্থিতি দেখি ভয় খাব ধৰাটোহে হাস্যকৰ কথা হৈ পৰিছে বুলিও মন্তব্য কৰে। উল্লেখযোগ্য যে যোৱা ২০ মাৰ্চত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী শশীকান্ত দাসেও কেইবা হাজাৰো দলীয় সমৰ্থকৰ সৈতে মনোনয়ন দাখিলৰ পিছত আজি কংগ্ৰেছ প্ৰাৰ্থী উৎপল বণিয়ায়ো বিশাল সমদলৰে চমক দিয়াৰ পিছত ৰহাত দুই প্ৰাৰ্থীৰ মাজত যে এখন তয়াময়া যুঁজ হ'বলৈ গৈ আছে সেয়া এক প্ৰকাৰে নিশ্চিত।

### মিচিং ৰাইজৰ প্ৰতি অলপো দায়বদ্ধতা নথকা কংগ্ৰেছ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুক মিচিং ৰাইজে সম্পূৰ্ণৰূপে নাকচ কৰিব ঃ ডাঃ ৰণোজ পেগু

# মাজুলীত ভুৱন গামৰ সমৰ্থনত ডাঃ ৰণোজ পেগুৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ

### মাজুলীত উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ স্বাৰ্থত বিজেপিক সমৰ্থন কৰিবলৈ আহ্বান



**অসম বাৰ্তা, উজনী মাজুলী, ২৪ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি মাজুলীত আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভুৱন গামৰ সমৰ্থনত প্ৰচাৰ অভিযান আৰম্ভ কৰে ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। দিনটোত তেওঁ বৰকলিয়া, ফুলনি, কাৰ্কীচুক আদি কেইবাখনো ঠাইত অনুষ্ঠিত জনসভাত অংশগ্ৰহণ কৰি ৰাইজক সম্বোধন কৰি বিজেপি প্ৰাৰ্থী ভুৱন গামক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। প্ৰচাৰ সভা সমূহত ভাষণ প্ৰদান কৰি ডাঃ পেগুৱে মূলতঃ কয় যে বিজেপিৰ নেতৃত্বত মাজুলীত পৰিৱৰ্তন আৰু ৰূপান্তৰৰ এক অভূতপূৰ্ব অধ্যায় সূচিত হৈছে। তেওঁ উল্লেখ কৰে যে, এক সময়ত অন্ধকাৰ আৰু পশ্চাদপদতাৰ মাজত আবদ্ধ হৈ থকা মাজুলীত এতিয়া পোহৰৰ জ্যোতি দেখা গৈছে। গাঁওসমূহত পকা ৰাস্তা নিৰ্মাণ, বিশ্ববিদ্যালয়, পলিটেকনিক, মডেল ডিগ্ৰী কলেজ, জৱাহৰ নৱোদয় বিদ্যালয় স্থাপন, লগতে ডায়েট প্ৰতিষ্ঠাৰ পৰিকল্পনাই অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ ছবি স্পষ্ট কৰিছে। স্বাধীনতাৰ পাছত মাজুলীত ইমান দ্ৰুত আৰু বিস্তৃত উন্নয়ন কেতিয়াও হোৱা নাছিল বুলি মন্তব্য কৰি তেওঁ এই উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ পুনৰবাৰ এই চৰকাৰক ক্ষমতালৈ আনিবলৈ ৰাইজক আহ্বান জনায়। ইফালে, কংগ্ৰেছ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুৰ প্ৰসংগত মন্তব্য আগবঢ়াই মন্ত্ৰী গৰাকীয়ে কয় যে তেওঁক কেতিয়াও মিচিং ৰাইজৰ মাজত সক্ৰিয়ভাৱে দেখা নাযায়। নিজৰ জাতি, গাঁও আৰু সমাজৰ প্ৰতি দায়বদ্ধতা থকা উচিত বুলি উল্লেখ কৰি তেওঁ কয় যে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীৰ ক্ষেত্ৰত তেনে দায়বদ্ধতাৰ স্পষ্ট প্ৰমাণ দেখা নাযায়। সেইদৰে মিচিং ৰাইজে তেওঁক সম্পূৰ্ণৰূপে নাকচ কৰিব বুলিও তেওঁ মত প্ৰকাশ কৰে। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় তিনিটা বিভাগেৰে চলি থকা বুলি মাজুলীৰ কংগ্ৰেছ প্ৰাৰ্থী গৰাকীয়ে উত্থাপিত কৰা অভিযোগ সন্দৰ্ভতো ডাঃ পেগুৱে স্পষ্টীকৰণ দি কয় যে বৰ্তমান মাত্ৰ কেইটামান বিভাগেৰে আৰম্ভ হোৱা বিশ্ববিদ্যালয়খনত অহা বছৰৰ পৰা সাংস্কৃতিক বিষয়ৰ উপৰি আন একাধিক বিভাগ খোলাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ ভুৱন গামক এক নিষ্ঠাৱান, সক্ষম আৰু জনদৰদী নেতা হিচাপে অভিহিত কৰি মাজুলীৰ সামগ্ৰিক উন্নয়ন, সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু যুৱসমাজৰ বাবে নতুন নিয়োগৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰত তেওঁ আগুৱাই যাব বুলি আশাবাদ ব্যক্ত কৰে। লগতে, আগন্তুক নিৰ্বাচনত ভুৱন গামৰ পক্ষত একত্ৰিতভাৱে সমৰ্থন জনাবলৈ ৰাইজক আহ্বান জনায়। প্ৰচাৰ সভা সমূহত বিজেপি প্ৰাৰ্থী ভুৱন গামৰ লগতে জিলা বিজেপিৰ প্ৰাক্তন সভাপতি বিৰেণ শইকীয়া, জিলা গণশক্তিৰ সভাপতি ৰঞ্জিত দলে, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য তৈলোক্য পামেগাম, নীল দলে, দ্বীজেন শইকীয়াকে ধৰি অন্যান্য দলীয় নেতা, বিষয়ববীয়া সকল উপস্থিত থাকে।

## সৰভোগৰ ঐতিহাসিক গৰখীয়া গোসাঁই থানৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জন আশীৰ্বাদ যাত্ৰা

**অসম বাৰ্তা, বৰপেটাৰোড, ২৪ মাৰ্চ ঃ** আমি ভৱানীপুৰ সৰভোগ সমষ্টিবাসীৰ মাজত আজি আশীৰ্বাদ ল'বলৈ আহিছোঁ। ৰনজিৎ কুমাৰ দাসে এইবাৰ এই সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব; সেয়ে তেওঁৰ লগতে ৰাইজে আমাৰ মিত্ৰজোঁটক চৰকাৰ গঠনৰ বাবে আশীৰ্বাদ দিয়াৰ আশা ৰাখিছোঁ। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভৱানীপুৰ সৰভোগ সমষ্টিতজন আশীৰ্বাদ যাত্ৰাত অংশ লৈ সাংবাদিকৰ আগত এইদৰে মত ব্যক্ত কৰে। তেওঁ লগতে কয় - ৰঞ্জিত দাসে যোৱাবাৰ বজালীত নিৰ্বাচনত অৱতীৰ্ণ হৈছিল যদিও এইবাৰ বজালী অগপক এৰাৰ বাবে ৰঞ্জিত দাসক এই সমষ্টিত প্ৰক্ষেপ কৰা বুলি মুখ্যমন্ত্ৰীয়ে জনায়। ৰঞ্জিত দাসক বিপুল ভোটত জয়ী কৰাব লাগে বুলিও মুখ্যমন্ত্ৰীয়ে ৰাইজক আহ্বান জনায়। ইপিনে বিজেপিত কোনো বিসংবাদ নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে দুই চাৰিজনে যি মনোনয়ন পত্ৰ দাখিল কৰিছে সেইয়া প্ৰত্যাহাৰ কৰিব বুলিও দাবী কৰে। ভৱানীপুৰ সৰভোগ সমষ্টিৰ বাবে এইজন আশীৰ্বাদ যাত্ৰা যদিও মুখ্যমন্ত্ৰীয়ে বিজেপিৰ মিত্ৰজোটৰ প্ৰাৰ্থী ৰঞ্জিত দাসৰ হকে আওপ্ৰকাৰে নিৰ্বাচনী প্ৰচাৰ চলালে। আনহাতে শিৱসাগৰত কুশল দুৱৰীক প্ৰাৰ্থীত্ব দিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে অখিল গগৈ ধুৱা তুলসী পাত নহয়। অখিল গগৈৰ বিৰুদ্ধেও বহু অভিযোগ আছে আৰু ৰাইজে ৯ এপ্ৰিলত ইয়াৰ প্ৰত্যুত্তৰ দিব বুলি মন্তব্য কৰে। এই যাত্ৰা কালি সৰভোগৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰীয় ঘাই পথেৰে কলহভঙা হৈ বৰপেটাৰোডৰ ক্ৰমে আমতলৰ অম্বিকাগিৰী চ'ক নামঘৰ পথেৰে উত্তৰ বৰপেটাৰোডৰ খৈৰাবাৰীলৈ গৈ পুনৰ উৰণীয়া সেতুৰে আহি দুৰ্গাবাড়ীত ৰাইজৰ অভিবাদন লৈ চন্দনপুৰেৰে শিমলাগুৰিত ৰাষ্ট্ৰীয় ঘাই পথেৰে হাউলীত উপস্থিত হয়। হাউলীত সহস্ৰ জনতাৰ মাজত এক পথসভাত অংশ লৈ ভৱানীপুৰৰ গোপাল আতাৰ সত্ৰত সেৱা জনাই সৰুপেটালৈ যায়।

## মাজুলীত বিজেপি প্ৰাৰ্থী বিধায়ক ভুৱন গামৰ মাৰাথান প্ৰচাৰ অভিযান

**অসম বাৰ্তা, বনগাঁও, ২৪ মাৰ্চ ঃ** ৰাজ্যৰ চৌদিশে এতিয়া নিৰ্বাচনী গৰম বতাহ। শাসক বিৰোধী সকলো ব্যস্ত নিৰ্বাচনী বৈতৰণী পাৰ হোৱা ৰণ-কৌশলত। ৰাজ্যখনৰ ১২৬টা বিধানসভা সমষ্টিত ৯ এপ্ৰিলত এটা পৰ্যায়ত হ'ব লগা অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচনৰ দিন ক্ৰমাৎ ওচৰ চাপি অহাৰ পৰিপ্ৰেক্ষিতত শাসক বিৰোধীয়ে নিজৰ নিজৰ প্ৰচাৰ অভিযান সমৰ্থন সকলৰ সহ অধিক তুংগত তোলাৰ পৰিলক্ষিত। মাজুলী বিধান সভা সমষ্টিও এই ক্ষেত্ৰত পিছ পৰি ৰোৱা নাই। শাসকীয় বিজেপি মিত্ৰ-দলৰ মনোনীত প্ৰাৰ্থী বৰ্তমানৰ বিধায়ক ভুৱন গামে নিজৰ প্ৰচাৰ অভিযান সমষ্টিটোৰ গাঁৱে-ভূঞেও অধিক তুংগত তুলিছে। আজি ২৩ মাৰ্চত দলীয় সৰ্তীথ আৰু জিলা বিজেপি সভাপতি বিষয় ববীয়া সহ জিলা খনত ৭টাকৈ স্থানত আয়োজিত ৭খন কৈ নিৰ্বাচনী সভাত অংশ লৈ ৰাইজক ইতিমধ্যে ৰূপায়ণ কৰি থকা কেত বোৰ চৰকাৰী আচঁনিৰ কথা উল্লেখ কৰি আগন্তুক দিনত আৰু অধিক সুবিধা দিয়া আশ্বাস প্ৰদানৰে ৰাইজক বি জে পি পক্ষত ভোট দিবলৈ আহ্বান জনায়। লুইত পৰীয়া, শ্ৰীৰাম, ৰতনপুৰ, বনগাঁও, দক্ষিণপাট। ৰাৱনাপাৰ আদি কৰি ৭টাকৈ স্থানত একোখনিকৈ মাৰাথান প্ৰচাৰ সভাত উপস্থিত থাকে। আনহাতে বিৰোধী কংগ্ৰেছ দলেও ঠায়ে-ঠায়ে নিজৰ প্ৰচাৰ অভিযানত নামিছে যদিও শাসকীয় দল কিন্তু আজিৰ দিনত প্ৰচাৰ অভিযানত আগবাঢ়ি আছে।

## শিৱসাগৰত গেছ চিলিণ্ডাৰৰ বিতৰণ সম্পৰ্কীয় সমস্যা সমাধানৰ বাবে জিলা নিয়ন্ত্ৰণ কক্ষ স্থাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৪ মাৰ্চ ঃ** ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা তথা বৈধ পৰিমাপ বিজ্ঞান বিভাগৰ নিৰ্দেশমৰ্মে শিৱসাগৰ জিলাত চলি থকা গেছ চিলিণ্ডাৰৰ বিতৰণ সম্পৰ্কীয় সমস্যা নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনে এটা জিলা নিয়ন্ত্ৰণ কক্ষ (District Control Room) স্থাপন কৰিছে। এই নিয়ন্ত্ৰণ কক্ষটো জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ২৫ নং কোঠাত থকা জিলা জৰুৰীকালীন কাৰ্য পৰিচালনা কেন্দ্ৰ (District Emergency Operations Centre)ত স্থাপন কৰা হৈছে। সাধাৰণ ৰাইজে গেছ চিলিণ্ডাৰ (LPG)ৰ বিতৰণ সম্পৰ্কীয় যিকোনো অভিযোগ বা সমস্যাৰ বিষয়ে এই কেন্দ্ৰত জনাব পাৰিব। ইয়াৰ নিয়ন্ত্ৰণ কক্ষৰ ৮৪৭১৮৬৪৩৫৫ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব। এই ব্যৱস্থাৰ জৰিয়তে গেছৰ যোগান নিয়মীয়াকৈ চলি থাকিবলৈ সহায় কৰা, ক'লাবজাৰ বন্ধ কৰা আৰু গেছ বিতৰণ ব্যৱস্থাৰ ওপৰত চকুৰখা হ'ব। এই নিয়ন্ত্ৰণ কক্ষৰ মুখ্য দায়িত্ব যোগান বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক অন্বেষা ঠাকুৰক প্ৰদান কৰাৰ লগতে সহকাৰী বিষয়াৰূপে উত্তম নাজিৰক (ম'বাইল নম্বৰ ঃ ৮৬৩৮৪১০১৬৩) দায়িত্ব দিয়া হৈছে। এই নিয়ন্ত্ৰণ কক্ষটো ২৪ ঘণ্টাই মুকলি থাকিব আৰু ৰাইজৰ সকলো অভিযোগ সোনকালে সমাধান কৰিবলৈ চেষ্টা কৰা হ'ব। এই নিৰ্দেশ তৎকালীনভাৱে বলবৎ হোৱাকৈ কাৰ্যকৰী হৈছে।

## সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অধীনৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ সা-সুবিধাৰ পৰ্যালোচনা সভা অনুষ্ঠিত

**অসম বাৰ্তা, উত্তৰ শালমৰা, ২৪ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত সকলো ভোটগ্ৰহণ কেন্দ্ৰৰ সা-সুবিধা সম্পৰ্কে এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা আজি অভয়াপুৰীৰ বাপুজী উচ্চ বিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত হয়। এই সভাৰ মূল উদ্দেশ্য আছিল ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় সকলো সুবিধা আৰু ব্যৱস্থাপনা নিশ্চিত কৰা। অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ড° ছিৰখাত হুছেইনৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই সভাত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰজিত বায়নে উপস্থিত বিদ্যালয় সমূহৰ প্ৰধান শিক্ষকসকলৰ সৈতে বিস্তৃত আলোচনা কৰে। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে ব্যৱহাৰ হ'বলগীয়া বিদ্যালয়সমূহত পানী, বিদ্যুৎ, শৌচালয়, আসন ব্যৱস্থা, ৰেম্প আদি মৌলিক সুবিধাসমূহৰ উপলব্ধতা সম্পৰ্কে বুজ লয়। লগতে যিসমূহ বিদ্যালয়ত এই সুবিধাসমূহৰ অভাৱ আছে, সেইসমূহ অতি শীঘ্ৰে পূৰণ কৰাৰ বাবে তেওঁ কঠোৰ নিৰ্দেশ দিয়ে। সভাত উপস্থিত থকা অভয়াপুৰীৰ নৱ নিযুক্ত বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক ডিম্বেশ্বৰ দাসে শিক্ষকসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰি কয় যে, অধিকাংশ শিক্ষক নিৰ্বাচনী দায়িত্ব পালনৰ বাবে ভিন্ন বিদ্যালয়লৈ যাবলগীয়া হয়। যিদৰে তেওঁলোকে অন্য বিদ্যালয়ত উন্নত সুবিধা আশা কৰে, তেনেদৰে নিজৰ বিদ্যালয়সমূহতো সেই একে মানদণ্ডৰ সুবিধা নিশ্চিত কৰাটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ উপৰি, সভাত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ৰূপম দাস আৰু সমল ব্যক্তি ছফিউল ইছলামেও উপস্থিত থাকি আলোচনা অংশগ্ৰহণ কৰে। সভাৰ অন্তত উপস্থিত থকা সকলো প্ৰধান শিক্ষকে নিজৰ নিজৰ বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত থকা সা-সুবিধা আৰু অভাৱ সমূহ সম্পৰ্কে লিখিত প্ৰতিবেদন সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ হাতত জমা দিয়ে। উল্লেখযোগ্য যে, এই পৰ্যালোচনা সভাই আগন্তুক বিধানসভা নিৰ্বাচন সুকলমে আৰু সুশৃংখলভাৱে সম্পন্ন কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

## নৃত্য আৰু চিত্ৰকলা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা সদৌ অসম প্ৰাইজমানি নৃত্যত শ্ৰেষ্ঠ আৰাধ্যা মহন

**অসমবাৰ্তা, নাজিৰা, ২৪ মাৰ্চ ঃ** নৃত্যাঞ্জলি সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত ২২ মাৰ্চত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত প্ৰাইজমানি নৃত্য আৰু চিত্ৰকলা প্ৰতিযোগিতাৰ ফলাফল কালি ৰাতি ঘোষণা কৰা অনুসৰি শিৱসাগৰ হাঁহচৰাৰ আৰাধ্যা মহনে শ্ৰেষ্ঠ নৃত্য শিল্পীৰ বঁটা লাভ কৰে। ডিমুৱাল বিদ্যাভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ উচ্চ শাখাত প্ৰথম স্থান লাভ কৰে আৰাধ্যা মহনে। নিম্ন শাখাত প্ৰথম স্বস্তিকা নন্দিনী বড়া, দ্বিতীয় আৰু তৃতীয় ক্ৰমে মৌমিতা ফুকন আৰু কস্তুৰীকা মহন্ত। মৌ শাখাত প্ৰথম এঞ্জেল অংকিতা পছুচুঙী, দ্বিতীয় শ্ৰেয়া চাংকাকতি আৰু তৃতীয় পৰিণীতা হাজৰিকা। কুঁহি শাখাত প্ৰথম কৃষ্ণাংগী গগৈ, দ্বিতীয় পঞ্চীপ্ৰীয়া গগৈ তৃতীয় আৰাধ্যা বুঢ়াগোহাঁই। ইপিনে চিত্ৰকলা প্ৰতিযোগিতাত "গ" শাখাত প্ৰথম অভিজ্ঞান গগৈ, দ্বিতীয় মমী চেতিয়া। "খ" শাখাত প্ৰথম দৰ্শিল ৰাজ গগৈ, দ্বিতীয় নিবিড় বৰুৱা আৰু তৃতীয় অনিৰ্বাণ গগৈ। "ক" শাখাত প্ৰথম চাৰণ্য বৰা, দ্বিতীয় ত্ৰিয়াংচু কন্যাক আৰু তৃতীয় উজ্জয়ন ৰয়।

### গাঁৱে-গাঁৱে হেণ্ডহেল্ড এক্সৰে মেচিন লৈ চিনাক্ত কৰিব ৰোগী

## ওদালগুৰিত বিশ্ব যক্ষ্মা দিৱস উদ্‌যাপন; ৪৫৫জন ৰোগী চিকিৎসাধীন

**অসম বাৰ্তা, মঙলদৈ, ২৪ মাৰ্চ ঃ** বিশ্ব যক্ষ্মা দিৱসৰ দিনটোত ওদালগুৰি অসামৰিক চিকিৎসালয়ত আজি অত্যাধুনিক হেণ্ডহেল্ড এ'ৰে মেচিন শুভাৰম্ভ কৰা হয়। এই এক্সৰে মেচিন শুভাৰম্ভ কৰে জিলা যক্ষ্মা বিষয়া ডাঃ অৰিন্দম বৰা আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ ওদালগুৰি জিলাৰ জিলা আঁচনি প্ৰবন্ধক নমেল সিং বৰগয়াৰীয়ে। এই উপলক্ষে হোৱা সভাত জিলা যক্ষ্মা বিষয়া ডাঃ অৰিন্দম বৰাই কয়- "অত্যাধুনিক হেণ্ডহেল্ড এ'ৰে মেচিনৰ আগমণে যক্ষ্মা ৰোগী চিনাক্তকৰণ অতি সহজ হৈ পৰিছে। তুলনামূলকভাৱে সৰু আকৃতিৰ এই মেচিন অনায়াসে আমি গাঁৱে-ভূঞে লৈ যাব পাৰিম। একেদিনাই তিনি শতাধিক লোকৰ এ'ৰে কৰি ইয়াৰ ফলাফল আৰ্টিফিচিয়েল ইণ্টেলিজেণ্ট (এ আই)ৰ সহায়ত একেদিনাই ৰোগীক জনাব পাৰিম। ই স্বাস্থ্য খণ্ডৰ বাবে এক আমূল পৰিৱৰ্তন।" ওদালগুৰি যক্ষ্মা গোটৰ জ্যেষ্ঠ চিকিৎসা পৰ্যবেক্ষক গণেশ দত্তই আঁত ধৰা বিশ্ব যক্ষ্মা দিৱসৰ কাৰ্যসূচীত ওদালগুৰি জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মুক্তাৰ হুছেইনে বৰ্তমান জিলাখনত ৪৫৫জন যক্ষ্মা ৰোগী বিনামূলীয়াকৈ ঔষধ সেৱন কৰি আছে বুলি উল্লেখ কৰি কয়- "যক্ষ্মামুক্ত ওদালগুৰি জিলা গঢ়িবলৈ সকলোৰে সহযোগ লাগিব।" ওদালগুৰি অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ এন বিনয় সিঙে যক্ষ্মা ৰোগীক সাহস আৰু প্ৰেৰণা দিবলৈ আহ্বান জনায়। বিশেষজ্ঞ চিকিৎসক ডাঃ লক্ষণ চন্দ্ৰ বড়ো, ফাৰ্মাচীষ্ট মুনীন্দ্ৰ বৈশ্য, পি পি এম সমন্বয়ক বিলাত বসুমতাৰী, হাতীগড় চাহ বাগিচা হাস্পতালৰ স্বাস্থ্য সহায়ক ৰঞ্জিত তাঁতী, টিবি চেম্পিয়ন ৰমেশ বড়ো আদিয়ে যক্ষ্মা ৰোগ আৰু ইয়াৰ চিকিৎসা সম্পৰ্কত বক্তব্য প্ৰদান কৰে।

## বৰক্ষেত্ৰীৰ দৌলাশালত শোক

### প্ৰৱীণ অভিনেত্ৰী গুণময়ী চৌধুৰীৰ বিয়োগ

**অসম বাৰ্তা, দৌলাশাল, ২৪ মাৰ্চ ঃ** একালৰ বলিষ্ঠ অভিনেত্ৰী নলবাৰী জিলাৰ দৌলাশাল গাঁৱৰ গুণময়ী চৌধুৰীৰ কালি পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ থকাৰ পিছত পৰহি নিশা ষ্ট্ৰ'ক হোৱাৰ ফলতে একালৰ বলিষ্ঠ অভিনেত্ৰী গৰাকীয়ে কালি ইহলীলা সম্বৰণ কৰে। কলিয়াবৰৰ জীয়ৰী বলিষ্ঠ অভিনেত্ৰী গুণময়ী চৌধুৰীয়ে ভাগ্যদেৱী, মা আকাশীগংগা, ৰূপকোঁৱৰ থিয়েটাৰ, মকুন্দ থিয়েটাৰ, বীণাপাণি, ভাস্কৰজ্যোতি, অপৰূপা, জ্যোতিৰূপা থিয়েটাৰকে আদি কৰি ৰাজ্যৰ কেইবাখনো আগশাৰীৰ ভ্ৰাম্যমাণত বলিষ্ঠ অভিনয়েৰে সুখ্যাতি লাভ কৰিছিল। থিয়েটাৰত থকা কালতে নলবাৰী জিলাৰ দৌলাশালৰ বিশিষ্ট নৃত্যশিল্পী সৰ্বেশ্বৰ চৌধুৰীৰ সৈতে বিবাহপাশত আৱদ্ধ হৈ এখনৰ পিছত আন এখন থিয়েটাৰত অভিনয় কৰি ৰাইজৰ মৰম আদায় কৰিবলৈ সক্ষম হৈছিল। উজনিৰ জ্যোতিৰূপা থিয়েটাৰত একেৰাহে উনৈশ বছৰ অভিনয় কৰাৰ লগতে নৃত্যশিল্পী হিচাপেও ৰাইজৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল গুণময়ী চৌধুৰীয়ে। জ্যোতিৰূপা থিয়েটাৰতে তেওঁ যশস্বী শিল্পী যতীন গোস্বামীৰ সান্নিধ্যলৈ আহে আৰু নৃত্যৰ প্ৰতি আকৃষ্ট হৈ খুব কম সময়তে অভিনয়ৰ লগতে নৃত্যতো পাৰদৰ্শিতা দেখুৱায়। পৰৱৰ্তী সময়ত তেওঁৰ স্বামী অসুস্থ হৈ পৰাত থিয়েটাৰলৈ নগৈ ঘৰতে খেতি-বাতিত মনোনিবেশ কৰে যদিও পৰিয়ালটোৱে ক্ৰমে আৰ্থিক দুৰৱস্থাত সন্মুখীন হয়। অসম চৰকাৰৰ শিল্পী পেঞ্চনৰ পৰাও বঞ্চিত এই সাংস্কৃতিক দম্পতীহালে পিছলৈ আৰ্থিক অনাটনৰ চেপাখুন্দাত ৰুগীয়া দেহাৰেই নলবাৰী জিলাৰ কেইবাটাও অপেছাদাৰী নাট্য দলত অভিনয়ৰে ক্ষেত্ৰখনত পুনৰ জড়িত হৈ পৰাৰ লগতে দৌলাশাল ভাস্কৰ সামূহিক কেন্দ্ৰৰ নাট্যশিল্পীসকলৰ সৈতেও জড়িত হৈ পৰিছিল। জীৱনৰ ভাটি বয়সতো অপূৰ্ব নৃত্যৰ ভংগীমাৰে দৰ্শকক আচ্ছন্ন কৰি ৰখা গুণময়ী চৌধুৰীয়ে পিছলৈ স্বামীৰ সহযোগত ঘৰতে আৰম্ভ কৰে নৃত্যৰ প্ৰশিক্ষণ। তেওঁলোকৰ প্ৰশিক্ষিত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে ৰাজ্যখনৰ লগতে সৰ্বভাৰতীয় পৰ্যায়ত সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। এক প্ৰত্যাহ্বানজনক পৰিস্থিতিতো হাৰ নমনা প্ৰবল ইচ্ছা শক্তিৰ গৰাকী গুণময়ী চৌধুৰীৰ মৃত্যুত ভাগি পৰিছে একালৰ বিশিষ্ট নৃত্য পৰিচালক স্বামী সৰ্বেশ্বৰ চৌধুৰী। এইগৰাকী প্ৰচাৰ বিমুখ সাংস্কৃতিক কৰ্মীক ৰাজ্যখনৰ সাহিত্য সাংস্কৃতিক অনুষ্ঠান বিৰিণা গোষ্ঠী অসমে বিষ্ণু ৰাভা সন্মান প্ৰদান কৰিছিল। তেওঁৰ মৃত্যুত বিৰিণা গোষ্ঠী-অসম, দৌলাশাল উন্নতি সাধিনী সভা, ভাস্কৰ সামূহিক কেন্দ্ৰৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ স্বামী সৰ্বেশ্বৰ চৌধুৰী আৰু একমাত্ৰ পুত্ৰসহ বোৱাৰীৰ লগতে অসংখ্য গুণমুগ্ধক ইহ-সংসাৰত এৰি থৈ যায়।

## কেৰেলাত নাহৰকটীয়াৰ যুৱকৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, নাহৰকটীয়া, ২৪ মাৰ্চ ঃ** অসমৰ যুৱক বৰ্হিৰাজ্যত কৰ্মসূত্ৰে গৈ মৃত্যুবৰণ কৰা ঘটনা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। তেনে এক ঘটনাৰ বলি হব লগাত পৰিল নাহৰকটীয়াৰ এজন যুৱক। প্ৰাপ্ত তথ্য মতে নাহৰকটীয়াৰ কল্যাণ নগৰৰ মনোজ কুমাৰ গগৈৰ একমাত্ৰ পুত্ৰ দেৱজিৎ গগৈয়ে (২৭) চলিত বৰ্ষৰ ৯ জানুৱাৰীত বৰ্হি ৰাজ্যত কাম কৰাৰ উদ্দেশ্যেৰে নিজ গৃহৰ পৰা ওলাই যায়। প্ৰথম অৱস্থাত বাংগালোৰত কিছুদিন থাকি অসমৰ কেইজনমান যুৱকৰ সৈতে কেৰেলালৈ যায়। কেৰেলাত স্বৰাজ কইল মিল নামৰ এটা প্ৰতিষ্ঠানত বনুৱা হিচাপে নিযুক্তি লৈ কিছু দিন কাম কৰাৰ পিছত যোৱা ২২ মাৰ্চৰ নিশা যুৱকজনৰ ৰহস্যজনক মৃত্যুৰ খবৰ আহে। মৃত্যুৰ প্ৰায় দুই ঘণ্টাৰ পূৰ্বলৈকে পৰিয়ালৰ লগত whatsapp ত ভিডিঅ কলত কথা পতাৰ পিছত পৰিয়াললৈ সেই দেৱজিত মৃত্যুৰ দুখজনক খবৰটো একেলগে কাম কৰা যুৱক এজনে ফোনযোগে জানিবলৈ দিয়ে। লগে-লগে ঘৰখনত হাহাকাৰ লাগে। পৰিয়ালৰ লোকে কেৰেলাত উক্ত কোম্পানীটোত দেৱজিৎ গগৈ সহ একেলগে থকা প্ৰায় ১৭জন যুৱকৰ তত্ত্বাবধায়ক হিচাপে থকা জিতু গগৈ নামৰ এজন ব্যক্তিৰ লগত যোগাযোগ কৰি ঘটনা সম্পৰ্কে জানিবলৈ বিচাৰে। ইয়াৰ উপৰিও দেৱজিতৰ সৈতে একেলগে থকা টিংখংৰ পাপু কছাৰী নামৰ এজনে দেৱজিতক এম্বুলেঞ্চেৰে হাস্পতাললৈ লৈ যোৱা বুলিও পৰিয়ালক জানিবলৈ দিয়ে। ঘটনা সংঘটিত হোৱা কেৰেলাৰ আলিপূজা জিলাৰ পুনপৰা আৰক্ষী থানাত তেওঁলোকে বিষয়টো অৱগত কৰে। আৰক্ষীয়ে হস্পিতালতে দেৱজিৎ গগৈৰ মৃতদেহ চমজি লৈ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে। মৰণোত্তৰ পৰীক্ষাৰ পিচৰ আৰু ঘটনা সংঘটিত হোৱা ঠাইত দেৱজিতৰ মাটিত পৰি থকা মৃতদেহৰ ফটো নাহৰকটীয়াত থকা পিতৃ মাতৃলৈ প্ৰেৰণ কৰে আৰু সেই ফটোবোৰ চাই দেৱজিতৰ লগত কিবা কথাত তৰ্ক লাগি লগৰ কেইজনে দেৱজিতক হত্যা কৰা বুলি সন্দেহ কৰিছে। জানিব পৰা মতে পাপু কছাৰী, একে নামৰ আন এজন দেৱজিৎ গগৈ, কালিয়া, গোবিন্দৰ উপৰিও কেইবাজনো বৰ্তমানে পলাতক অৱস্থাত আছে। দেৱজিতৰ মৃতদেহ নাহৰকটীয়ালৈ লৈ অনাৰ বাবে পিতৃ আজি পুৱা বিমানযোগে কেৰেলালৈ যাত্ৰা কৰিছে আৰু ২৬ মাৰ্চত পুত্ৰৰ মৃতদেহ লৈ নাহৰকটীয়াৰ নিজ গৃহত উপস্থিত হব। যুৱকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## ৰূপহীহাটত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত সংঘাত

**অসম বাৰ্তা, ৰূপহীহাট, ২৪ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি আহিছে ঠিক সেই সময়তে ৰূপহীহাটত ৰাইজৰ দল আৰু কংগ্ৰেছৰ মাজত তীব্ৰ সংঘাত দেখিবলৈ পোৱা গৈছে। ৰূপহীহাট সমষ্টিত ৰাইজৰ দল আৰু কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাৰ লগত মুকলি সংঘাতৰ কথা আজি ৰূপহীহাটৰ ৰাইজৰ দলৰ নেতা আবু ছুফিয়ান ৰাইহানে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। ৰাইজৰ দলৰ নেতা কৰ্মীক বিধায়ক নুৰুল হুদাই প্ৰচাৰৰ বাবে আমন্ত্ৰণ কৰা নাই। ৰাইজৰ দলৰ সলনি কংগ্ৰেছ দলত যোগদান কৰিবলৈ ৰাইজৰ দলৰ তৃণমূল কৰ্মীক লোভ, প্ৰলোভন, দাবী ধমকি আদি দিয়াৰ অভিযোগ। ৰাইজৰ দলক ধ্বংস কৰিবলৈ চেষ্টা কৰা বিধায়ক নুৰুল হুদাক কেতিয়াও মানি লোৱা নহ'ব ৰূপহীহাট সমষ্টিত। নুৰুল হুদাৰ বিৰুদ্ধে সংবাদ মাধ্যমৰ আগত হুংকাৰ ৰাইজৰ দলৰ নেতা তথা ৰূপহীহাট সমষ্টিৰ প্ৰাৰ্থীত্বৰ দাবীদাৰ অভিযন্তা আবু ছুফিয়ান ৰাইহানৰ। কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাক সমৰ্থন নকৰাৰ পৰিকল্পনা ৰূপহীহাট বিধানসভা সমষ্টিত ৰাইজৰ দলৰ। অহা ২৯ তাৰিখে ৰূপহীহাট বিধানসভা সমষ্টিৰ ৰাইজৰ দলৰ বৈঠকত সিদ্ধান্ত লব নুৰুল হুদাক সমৰ্থন কৰিব নে নকৰিব। ৰূপহীহাটত ৰাইজৰ দলে যদি নুৰুল হুদাক সমৰ্থন নকৰে তেনেহলে ৰূপহীহাটত কংগ্ৰেছৰ অংকত আউল লগাটো এক প্ৰকাৰ নিশ্চিত।

## ঘোষণাৰ ১৫ মাহৰ পাছত শিল্পী পেন্সন লাভ স্বনামধন্য সঙ্গীতশিল্পী প্ৰদীপ দহোতীয়াৰ

# ‘অসম বাৰ্তা’ৰ বাতৰিৰ প্ৰভাৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ মাৰ্চ ঃ** অৱশেষত ঘোষণাৰ প্ৰায় ১৫ মাহৰ পাছত শিল্পী পেন্সন লাভ কৰিবলৈ সক্ষম হ'ল বিশিষ্ট সঙ্গীতজ্ঞ, সুৰকাৰ-গীতিকাৰ প্ৰদীপ দহোতীয়াই। প্ৰায় এবছৰ তিনিমাহৰ পাছত চৰকাৰৰ সংশি-ষ্ট বিভাগৰ পৰা অৱশেষত ফোন আহিল স্বনামধন্য সঙ্গীতশিল্পী প্ৰদীপ দহোতীয়ালৈ। সোমবাৰে তিনিচুকীয়া জিলাৰ কোষাগাৰ কাৰ্য্যালয়ৰ এগৰাকী কৰ্মচাৰীয়ে বিশিষ্ট সঙ্গীতশিল্পী প্ৰদীপ দহোতীয়াক ফোন কৰি তেখেতৰ শিল্পী পেন্সনৰ সকলো যাৱতীয় কাম-কাজ সম্পূৰ্ণ হোৱা বুলি অৱগত কৰাত একপ্ৰকাৰ স্বস্তিৰ নিশ্বাস পেলাইছে বিশিষ্ট সঙ্গীতশিল্পী প্ৰদীপ দহোতীয়াই। উল্লেখ্য যে, ‘অসম বাৰ্তা’ৰ যোৱা ২২ ফেব্ৰুৱাৰীৰ সংখ্যাত “ঘোষণাৰ এবছৰৰ পাছতো শিল্পী পেন্সনৰ লাভ নকৰিলে বিশিষ্ট সংগীতজ্ঞ, সুৰকাৰ-গীতিকাৰ প্ৰদীপ দহোতীয়াই“, “৮০ আৰু ৯০ দশকত কেইবাটাও জনপ্ৰিয় অডিঅ' কেছেটেৰে অভূতপূৰ্ব সফলতা লাভ কৰা প্ৰদীপ দহোতীয়াক শিল্পী পেন্সন প্ৰদানৰ দাবী” - শীৰ্ষক শিৰোনামেৰে এই প্ৰতিবেদকে এক বাতৰি প্ৰকাশ কৰিছিল। উক্ত প্ৰতিবেদনত স্বনামধন্য সঙ্গীতশিল্পী প্ৰদীপ দহোতীয়াই ঘোষণাৰ এবছৰৰ পাছতো শিল্পী পেন্সনৰ বাবে কাৰ্যালয়ে কাৰ্যালয়ে দৌৰা-



দৌৰি কৰি ফুৰিব লগা হোৱাৰ সন্দৰ্ভত এক বিস্তৃত প্ৰতিবেদন প্ৰকাশ পাইছিল। স্মৰ্তব্য যে, ৮০ আৰু ৯০ দশকত অসমৰ প্ৰতিখন চহৰৰ মঞ্চত গীত পৰিৱেশন কৰা প্ৰদীপ দহোতীয়াই ওৰেটো জীৱন সঙ্গীত আৰু সঙ্গীত শিক্ষাতেই নিজকে উছৰ্গা কৰিছিল। শৈশৱৰে পৰাই এক সঙ্গীতৰ পৰিৱেশত ডাঙৰ-দীঘল হোৱা প্ৰদীপ দহোতীয়াই সঙ্গীতৰ প্ৰতি থকা অনুৰাগৰ বাবেই স্নাতক চূড়ান্ত বৰ্ষত পঢ়ি থাকোঁতেই অধ্যয়ন জীৱনৰ সামৰণি মাৰিছিল। সঙ্গীতৰ প্ৰতি থকা অদম্য ধাউতিয়ে সঙ্গীত জগতখনলৈ তেওঁক কাষ চপাই আনিছিল। স্কুলীয়া জীৱনৰ মাজতে কণ্ঠ সঙ্গীতৰ লগতে গীটাৰ, মেণ্ডলিন, বেঞ্জো, মাউথ অৰ্গেন আদিৰ নিয়মিতভাৱে অনুশীলন-চৰ্চা কৰি অহা প্ৰদীপ দহোতীয়াই সঙ্গীতৰ প্ৰতি থকা দুৰ্বাৰ হাবিয়াসৰ বাবেই কলেজীয়া শিক্ষা সম্পূৰ্ণ নকৰি শাস্ত্ৰীয় সঙ্গীতত নিজকে আত্মোৎসৰ্গ কৰিছিল। কণ্ঠ সঙ্গীতত ‘বিশাৰদ’ ডিগ্ৰী লাভ কৰিয়েই ডুমডুমা, ৰূপাই, ডাঙৰী, ফিল'বাৰী আদিকে ধৰি বৃহত্তৰ ডুমডুমা অঞ্চলৰ শ শ ছাত্ৰ-ছাত্ৰীক সঙ্গীত শিক্ষাৰে আগবঢ়াই নিয়া প্ৰদীপ দহোতীয়াই অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক ৰুদ্ৰ বৰুৱাৰ হস্তাক্ষৰত পঞ্জীয়ন লাভ কৰি কাকপথাৰত এক সঙ্গীত বিদ্যালয় স্থাপন কৰিছিল। সঙ্গীতৰ প্ৰতি থকা দুৰ্বাৰ অনুৰাগৰ বাবেই কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিভাগ এ আৰ চি (এভিয়েশ্যন ৰিচাৰ্ছ চেণ্টাৰ) ত মাত্ৰ এটা বছৰ চাকৰি কাল সম্পূৰ্ণ কৰি তাৰ পৰা অব্যাহতি লোৱা প্ৰদীপ দহোতীয়াই কলেজত পঢ়ি থকা অৱস্থাতেই ডুমডুমাৰ কেইগৰাকীমান ব্যক্তিৰ সৈতে লগ লাগি ‘কমেট’ নামেৰে এটা সুৰ সমলয় গোষ্ঠী গঠন কৰি সঙ্গীতৰ বৰ্ণময় যাত্ৰা আৰম্ভ কৰিছিল। ১৯৮৪ চনত তেখেতে ‘মমতা প্ৰডাকচন’ৰ বেনাৰত মুক্তি দিছিল ‘জুৰ মলয়া’ কেছেটটি। স্বনামধন্য সঙ্গীত শিল্পী ঊষা উখুপৰ কলিকতাস্থিত ‘ভাইব্ৰেশ্যন ষ্টুডিঅ'ত ৰেকৰ্ডিং সম্পন্ন কৰা কেছেটটিৰ মুক্তিৰ লগে লগে ৰাজ্যজুৰি সাংঘাতিক জনপ্ৰিয়তা অৰ্জন কৰিছিল। তাৰ পিছৰ বছৰত একেটা ষ্টুডিঅ'তে ৰেকৰ্ডিং কৰা ‘সোণবৰণীয়া’ এলবামটিৰ গীতসমূহকো অসমৰ শ্ৰোতা ৰাইজে অতি হেঁপাহেৰে আকোঁৱালি লৈছিল। নিজৰ প্ৰতিভা আৰু দক্ষতাৰ বলত এধাপ এধাপ কৈ সঙ্গীতৰ বিশাল জগতখনত নিজকে প্ৰতিষ্ঠিত কৰা প্ৰদীপ দহোতীয়াই পশ্চিমীয়া সঙ্গীতৰ জ্ঞানেৰেও দীক্ষিত আছিল। অসমৰ বিভিন্ন মঞ্চত গীত পৰিৱেশন কৰা প্ৰদীপ দহোতীয়াই পিছলৈ শাৰীৰিক অসুস্থতাৰ বাবেই গুৱাহাটী এৰি ডুমডুমালৈ উভতি আহি ডুমডুমা অঞ্চলৰ সঙ্গীতৰ দিশটো উত্তৰণৰ উদ্দেশ্যেৰে নিজকে উৎসৰ্গা কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলক নিয়মীয়াকৈ শাস্ত্ৰীয় সঙ্গীতৰ শিক্ষা প্ৰদানত জড়িত হৈ পৰা প্ৰদীপ দহোতীয়াই গীটাৰ, ইলেক্ট্ৰনিক কীবৰ্ড আদিৰ শিক্ষাও প্ৰদান কৰিছিল। বহুতো ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ অধীনত শিক্ষাগ্ৰহণ কৰি কণ্ঠ সঙ্গীত আৰু গীটাৰত ‘বিশাৰদ’ ডিগ্ৰীও লাভ কৰিবলৈ সক্ষম হৈছিল। শাস্ত্ৰীয় সংগীতৰ লগতে জ্যোতি সঙ্গীত, বিষ্ণুৰাভা সঙ্গীত, ভূপেন্দ্ৰ সঙ্গীত, জয়ন্ত হাজৰিকাৰ গীতসমূহো শিকাই অহা প্ৰদীপ দহোতীয়াৰ গুৱাহাটীত থকা সময়ত অসমৰ বহু প্ৰতিষ্ঠিত সঙ্গীত শিল্পীৰ সৈতে আছিল সু-সম্পৰ্ক। আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰই তেখেতে বাণীবদ্ধ কৰা ৮টা গানৰ ই পি ৰেকৰ্ডক অনুমোদন জনোৱাৰ লগতে প্ৰচাৰো কৰি আহিছে। অসম সাহিত্য সভা, অসম সত্ৰ মহাসভা, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে অসম মৰাণ সভাৰ দ্বাৰা ‘ৰাতি বিহু'ত বিশেষভাৱে সম্বৰ্ধিত হোৱা বিশিষ্ট সঙ্গীতশিল্পী প্ৰদীপ দহোতীয়াই ২০২২ বৰ্ষত অসম চৰকাৰৰ পৰা একঁকালীন সাহায্য লাভ কৰা পিছত ২০২৫ বৰ্ষত চৰকাৰে ঘোষণা কৰা নিয়মীয়া শিল্পী পেন্সনৰ তালিকাত তেখেতৰ নাম অন্তৰ্ভূক্ত হ'য় যদিও সম্পূৰ্ণ এটা বছৰ অতিক্ৰম কৰাৰ পাছতো তেখেতে শিল্পী পেন্সন লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। বিগত এটা বছৰে শিল্পী পেন্সনৰ বাবে কাৰ্যালয় কাৰ্যালয়ে দৌৰি ফুৰা ৭০ উৰ্ধৰ এই গৰাকী স্বনামধন্য সঙ্গীতশিল্পীয়ে আশী আৰু নৱৈ দশকতে ‘জুৰ মলয়া’(১৯৮৪), ‘সোণবৰণীয়া’ (১৯৮৫), ‘বৰষা আহিবা’(১৯৯১), ‘ফুলৰে মেলা’(১৯৯৩), ‘নীলা আকাশ’(১৯৯৫) কে ধৰি আন কেইবাটাও জনপ্ৰিয় অডিঅ' কেছেট অসমবাসীক উপহাৰ দিছিল। অৱশেষত ১৫ মাহৰ পাছত নিয়মীয়া শিল্পী পেন্সন লাভ কৰিবলৈ সক্ষম হোৱা প্ৰদীপ দহোতীয়াই ‘অসম বাৰ্তা’ক ধন্যবাদ জ্ঞাপন কৰিছে।

# মৰিগাঁও ভূৰবন্ধাত বিধায়ক ৰমাকান্ত দেউৰীৰ নিৰ্বাচনী প্ৰচাৰ সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৫ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনক লৈ মৰিগাঁও ৫৪ নং মৰিগাঁও সদৰ সমষ্টিত ৰাজনৈতিক পৰিৱেশ দিনক দিনে তীব্ৰ হৈ উঠাৰ মাজতে আজি ভূৰবন্ধা অঞ্চলত ভাৰতীয় জনতা পাৰ্টীৰ উদ্যোগত এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। বিশেষকৈ এই সভাখন অনুষ্ঠিত হয় অসম জাতীয় পৰিষদৰ মনোনীত তথা বিৰোধী ঐক্য মঞ্চৰ যৌথ প্ৰাৰ্থী বাণিকান্ত দাসৰ বাসগৃহৰ নিচেই ওচৰত, যাক কেন্দ্ৰ কৰি অঞ্চলটোত ৰাজনৈতিক পৰিৱেশ আৰু অধিক আকৰ্ষণীয় হৈ পৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা বিজেপিৰ জ্যেষ্ঠ নেতা ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী ৰমাকান্ত দেউৰী। তেওঁৰ সৈতে দলৰ বিভিন্ন পৰ্যায়ৰ নেতাকৰ্মী আৰু সহস্ৰাধিক সমৰ্থক উপস্থিত থাকে। সভাস্থলীত দলীয় পতাকা, শ্লোগান আৰু সমৰ্থকৰ উৎসাহেৰে এক আকৰ্ষণীয় ৰাজনৈতিক পৰিৱেশৰ সৃষ্টি হয়। সভাত ভাষণ প্ৰদান কৰি বিধায়ক ৰমাকান্ত দেউৰীয়ে ৰাজ্য চৰকাৰৰ উন্নয়নমূলক পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে, বিগত কেইবছৰত মৰিগাঁও জিলাত ৰাষ্টা-ঘাট, শিক্ষা, স্বাস্থ্য আৰু কৃষি খণ্ডত যথেষ্ট উন্নয়ন সাধন কৰা হৈছে। এই উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ আগন্তুক নিৰ্বাচনত বিজেপীক পুনৰ ক্ষমতালৈ আনিবলৈ তেওঁ ৰাইজক আহ্বান জনায়। তেওঁ বিৰোধী দলসমূহক তীব্ৰ সমালোচনা কৰি কয় যে, তেওঁলোকৰ কোনো সুসংগঠিত উন্নয়নমূলক পৰিকল্পনা নাই আৰু কেৱল ৰাজনৈতিক সুবিধা লাভৰ বাবে মিছা প্ৰতিশ্ৰুতিৰে জনতাক বিভ্ৰান্ত কৰাৰ চেষ্টা চলাইছে। তেওঁ লগতে কয় যে, বিজেপি সদায়ে উন্নয়ন আৰু স্থিতিশীলতাৰ পক্ষত কাম কৰি আহিছে। সভাত উপস্থিত আন বক্তাসকলেও বিজেপীৰ কাৰ্যসূচী আৰু নীতিৰ প্ৰশংসা কৰি দলীয় প্ৰাৰ্থীক বিজয়ী কৰিবলৈ সমৰ্থকসকলক একত্ৰিত হ'বলৈ আহ্বান জনায়। সভাস্থলীত মহিলাৰ লগতে যুৱসমাজৰ উপস্থিতিও লক্ষ্য কৰা যায়। ইফালে, বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী বাণিকান্ত দাসৰ ঘৰৰ নিচেই ওচৰত এই সভা অনুষ্ঠিত হোৱাক লৈ ৰাজনৈতিক মহলত বিভিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। কিছুমানে ইয়াক বিজেপিৰ শক্তি প্ৰদৰ্শনৰ এক কৌশল বুলি উল্লেখ কৰিছে, আনহাতে আন কিছুমানে ইয়াক নিৰ্বাচনী ৰাজনীতিত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত কৰিছে। সামগ্ৰিকভাৱে, ভূৰবন্ধাত অনুষ্ঠিত এই নিৰ্বাচনী সভাই মৰিগাঁও জিলাৰ ৰাজনৈতিক উত্তেজনা অধিক বৃদ্ধি কৰাৰ লগতে আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা অধিক তীব্ৰ হ'ব বুলি মন্তব্য প্ৰকাশ কৰে।

## খে'ল ইণ্ডিয়া ট্ৰাইবেল গেমছ ২০২৬ত অসমৰ উজ্জ্বল প্ৰদৰ্শন, ৰূপৰ পদক অৰ্জন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ মাৰ্চ ঃ** ৰায়পুৰত অনুষ্ঠিত হৈ থকা খেলো ইণ্ডিয়া ট্ৰাইবেল গেমছ ২০২৬ত অসমৰ সাঁতোৰবিদে সুন্দৰ প্ৰদৰ্শন কৰে। পুৰুষৰ ৫০ মিটাৰ বাটাৰফ্লাই ফাইনেলত ফিৰমিনো ইমন লালুঙে ২৭.৬৯ ছেকেণ্ড সময়েৰে ৰূপৰ পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনে। খে'লো ইণ্ডিয়া ট্ৰাইবেল গেমছ দেশজুৰি জনজাতীয় ক্ৰীড়াবিদসকলৰ বাবে নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হৈছে। এই প্ৰতিযোগিতাত অসমৰ দিব্যজ্যোতি শৰ্মা আৰু জানমণি বৰাই কাৰিকৰী বিষয়াসকল হিচাপে দায়িত্ব পালন কৰে। অসম সাঁতোৰ সংঘৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে লালুঙৰ এই চমৎকাৰ প্ৰদৰ্শনৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

## নহিৰা নৱগ্ৰহ মন্দিৰৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, মিৰ্জা, ২৫ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত নহিৰাস্থিত দক্ষিণ কামৰূপৰ একমাত্ৰ নৱগ্ৰহ মন্দিৰৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰাৰ বাবে নহিৰা বৰভিঠা শ্মশান পুখুৰী আৰু নৱগ্ৰহ মন্দিৰ কমিটিৰ ব্যাপক প্ৰস্তুতি দেখা গৈছে। নৱগ্ৰহ মন্দিৰৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে অহা ২৯ মাৰ্চ, ২০২৬ তাৰিখে দিনজোৱা বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। প্ৰাতঃকালীন কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাৰ পৰা প্ৰীতি মিলন আৰম্ভ হ'ব। তাৰ পিছত ৭-৩০ বজাত ধৰ্মধ্বজা উত্তোলন, ৮-০০ বজাত বৃক্ষৰোপণ আৰু ১০-০০ বজাত ঘট স্থাপন অনুষ্ঠিত হ'ব। দুপৰীয়া ১২-৩০ বজাৰ পৰা মন্দিৰ প্ৰাঙ্গণত যজ্ঞ আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হৈছে। দুপৰীয়া ২-০০ বজাৰ পৰা আয়তী সকলৰ নাম প্ৰসংগ অনুষ্ঠিত হ'ব। আবেলি ২-৩০ বজাত নিমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা আৰু ৩-০০ বজাত পুষ্পাঞ্জলি প্ৰদানৰ লগতে মহাপ্ৰসাদ বিতৰণ কৰা হ'ব। গধূলি ৫-০০ বজাত বন্তি প্ৰজ্বলন কৰা হ'ব। নিশাৰ কাৰ্যসূচীত বিশেষ আকৰ্ষণ হিচাপে নিশা ৮-০০ বজাৰ পৰা অসমৰ প্ৰখ্যাত নাম শিল্পীৰ দ্বাৰা নাম প্ৰদৰ্শন অনুষ্ঠিত হ'ব বুলি আয়োজকসকলে জানিব দিছে। উক্ত অনুষ্ঠানত মুখ্য পৃষ্ঠপোষক হিচাপে নহিৰাবাসী ৰাইজ, মুখ্য পূজাৰী হিচাপে জীৱন চন্দ্ৰ শৰ্মা (শাস্ত্ৰী) আৰু সহায়ক হিচাপে কমল গোস্বামী (চান) য়ে অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে সকলো ধৰ্মপ্ৰাণ ৰাইজক উপস্থিত থাকি অনুষ্ঠানটো সফল কৰিবলৈ আন্তৰিক আহ্বান জনাইছে।

### বৰপেটা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মহানন্দ সৰকাৰ দত্তৰ মনোনয়ন বাতিল

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৫ মাৰ্চ ঃ** বৰপেটা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মহানন্দ সৰকাৰ দত্তৰ মনোনয়ন বাতিল হোৱাৰ পিছতে উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয় বৰপেটা বিধানসভা সমষ্টিত। অগপ-বিজেপি নেতা-কৰ্মীৰ মাজত ব্যাপক উছাহ দেখা পোৱা যায়। অগপ কাৰ্যালয়ৰ সন্মুখত আগতীয়াকৈ বিজয় উল্লাস অগপ বিজেপিৰ নেতা কৰ্মীৰ মাজত। বৰপেটা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী মহানন্দ সৰকাৰ দত্তৰ মনোনয়ন পত্ৰ দাখিল কৰি বৰপেটা সমষ্টিত এশ শতাংশই জয়ী হোৱাৰ দাবী কৰা কংগ্ৰেছ প্ৰাৰ্থী মহানন্দ সৰকাৰ দত্তৰ মনোনয়ন বাতিলৰ খবৰটোৱে মিত্ৰজোঁটৰ প্ৰাৰ্থী দীপক কুমাৰ দাসৰ জয় একপ্ৰকাৰ নিশ্চিত হৈ পৰাত মিত্ৰজোঁটৰ কৰ্মী সমৰ্থকে ফটকা ফুটাই এই আনন্দ-উল্লাস কৰে।

# হাউলীত ব্যৱসায়ীৰ ঘৰত চুৰি হোৱা সোণ-ৰূপ গহনা উদ্ধাৰ



**অসম বাৰ্তা, হাউলী, ২৫ মাৰ্চ ঃ** ঈদৰ নিশা হাউলীৰ মৈৰামাৰাৰ মমৰেজ আলী নামৰ এজন ব্যৱসায়ীৰ ঘৰত নিশা কোনো পৰিয়ালৰ সদস্য নথকাৰ সুযোগত চোৰে গ্ৰীল ভাঙি ভিতৰত প্ৰৱেশ কৰে। চোৰে ব্যৱসায়ী মমৰেজ আলীৰ গৃহৰ পৰা প্ৰায় ১০০ গ্ৰাম সোণ, ১০০ গ্ৰাম ৰূপৰ আ-অলংকাৰৰ লগতে কিছু নগদ ধন আৰু চিচিটিভিৰ হাৰ্ডডিস্কলৈ গৈছিল। পিছদিনা অৰ্থাৎ ২২ মাৰ্চত ব্যৱসায়ীজনে ঘৰত অহাৰ পাছতে ঘৰৰ গ্ৰীল ভঙা অৱস্থাত থকা দেখি হাউলী আৰক্ষীক লিখিত ভাৱে জনোৱাত আৰক্ষীয়ে গুৰুত্ব সহকাৰে ঘটনাৰ তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে তদন্ত কৰি যোৱা নিশা বৰপেটা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যজিত বৰঠাকুৰৰ উপস্থিতিত এটা দলে অভিযান চলাই তিনি যুৱকক আটক কৰে। আটকাধীন তিনি যুৱক ক্ৰমে হাউলী দাবালিয়াপৰাৰ আব্দুল কৰিমৰ পুত্ৰ নুৰ আলম উৰফে কালু, দত্তকুচিৰ আবু বক্কৰ ছিদ্দিকৰ পুত্ৰ মুস্তাফিজুৰ ৰহমান আৰু দাবালিয়াপাৰাৰ চাহেব আলীৰ পুত্ৰ আশ্ৰাফুল আলম। আটকাধীন তিনি যুৱকক সোধ-পোছৰ অন্তত পুৱতি নিশা চুৰি হোৱা প্ৰায় ১০০ গ্ৰাম সোণ, ১০০ গ্ৰাম ৰূপৰ আ-অলংকাৰ আৰু চিচিটিভিৰ হাৰ্ডডিস্ক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে আৰক্ষীয়ে চুৰি কাণ্ডত ব্যৱহাৰ কৰা এএছ-১৫-ইউ-০৫৮৮ নম্বৰৰ ৰঙা ৰঙৰ হিৰ' গ্লেমাৰ বাইক এখনো জব্দ কৰে।

## একাধিক প্ৰতিশ্ৰুতিৰ বন্যা; কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ যাব নালাগে বঢ়মপুৰৰ যুৱক-যুৱতী

# চামগুৰিৰ ভেলেউগুৰিত বঢ়মপুৰৰ বিজেপি প্ৰাৰ্থী জিতু গোস্বামীৰ বিশাল নিৰ্বাচনী সভা

**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ মাৰ্চ ঃ** “জাগীৰোডৰ চেমি কণ্ডাক্টৰৰ নিচিনা বিশাল এটি উদ্যোগ বঢ়মপুৰত স্থাপন কৰা হ'ব। য'ত ১০ জাহাৰ যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপন পাব। কৰ্মসংস্থাপন বিচাৰি আমাৰ যুৱক-যুৱতীসকল বহিঃৰাজ্যলৈ যাব নালাগে।” এই মন্তব্য বঢ়মপুৰ সমষ্টিৰ বিধায়ক তথা ভাৰতীয় জনতা পাৰ্টিৰ মনোনীত প্ৰাৰ্থী জিতু গোস্বামীৰ। আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন চমুচাপি অহাৰ লগে লগে নগাঁও জিলাৰ পুনৰ গঠিত বঢ়মপুৰ বিধানসভা সমষ্টিত নতুনকৈ সংযোজিত হোৱা অংশ চামগুৰিৰ ভেলেউগুৰিত দলীয় নেতা-কৰ্মী সকলে তৎপৰতাৰে আৰম্ভ কৰিছে নিৰ্বাচনী প্ৰচাৰ সভা। আজিৰ সভাখনত প্ৰাৰ্থী গৰাকীয়ে বিগত পাঁচবছৰীয়া নিজৰ কাৰ্যকালত বঢ়মপুৰ সমষ্টিত হোৱা অভূতপূৰ্ব উন্নয়ন আৰু কামৰ খতিয়ান দাঙি ধৰি কয় যে, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই কেইবাটাও কাৰ্য্যকালত কৰিব নোৱাৰা উন্নয়ন তেওঁৰ দিনত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযূষ হাজৰিকাৰ কৃপাত বঢ়মপুৰত মাথাউৰি নিৰ্মাণৰ জৰিয়তে বানপানীৰ স্থায়ী সমাধান হৈছে। ৩৪, ০৩৫ গৰাকী যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি পাইছে। মহিলা সকলে অৰুণোদয়, উদ্যমিতা আঁচনি পাইছে। নিশ্চিতভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আকৌ মুখ্যমন্ত্ৰী হ'ব আৰু আমাৰ এনডিএৰ চৰকাৰেই হ'ব।” আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে মোক ভোট দি ৰাইজৰ সেৱা কৰিবলৈ সুযোগ প্ৰদান কৰিলে অনাগত দিনত সমষ্টিটোত বহু বেছি উন্নয়ন হ'ব বুলি আহ্বান জনাই নিজৰ ভাষণ প্ৰসঙ্গত দিয়ে একাধিক প্ৰতিশ্ৰুতি লগতে অৰুণোদয় আঁচনি, চিকিৎসাৰ সাহায্য, মহিলা উদ্যমিতা আঁচনি বঢ়মপুৰ সমষ্টিত যাতে বেছিকৈ দিব পাৰে তাৰ কাৰণেও জিতু গোস্বামীক বিপুল ভোট দিবলৈ





আহ্বান জনায়। পুৰণিগুদাম মণ্ডল বিজেপিৰ সম্পাদক অতনু খাউণ্ডে আঁট ধৰে সভাখনত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ভাষণ প্ৰদান কৰি কয় যে, ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শিতা চিন্তাৰ কাৰণে অসমখন আগবাঢ়ি যাবলৈ সক্ষম হৈছে। মহিলাসকলৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰাৰ লগতে যুৱপ্ৰজন্মৰ কাৰণে আচঁনি গ্ৰহণ কৰি অসমখন আগবঢ়াই নিবলৈ চেষ্টা কৰিছে। আজিৰ সভাখনত বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত নিজ ভেলেউগুৰি গাঁও পঞ্চায়তৰ আৰু চামগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত কেইবাশতাধিক বিজেপি কৰ্মী সমৰ্থকে অংশগ্ৰহণ কৰে। নিৰ্বাচনী সভাখনত প্ৰাৰ্থীগৰাকীৰ লগত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিণ্টু শৰ্মা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি নিতু মুদৈ, কলিয়াবৰ জিলা মহিলা মৰ্চাৰ সভানেত্ৰী ৰীতা কাকতি, নিজ ভেলেউগুৰি গাঁও পঞ্চায়তৰ সভাপতি বীৰেণ শইকীয়া, কলিয়াবৰ জিলা যুৱ মৰ্চাৰ সভাপতি লক্ষ্মীৰঞ্জন কাকতি, ন-বিজেপি ৰঞ্জিত বৰা, কলিয়াবৰ জিলা বিজেপিৰ সম্পাদক অৰবিন্দ চৌধুৰী, চামগুৰি গাঁও পঞ্চায়তৰ সভাপতি, কৰুণা দাসকে ধৰি বহুকেইজন বিজেপি নেতা উপস্থিত থাকে।

## শদিয়াৰ অজাপ প্ৰাৰ্থী জগদীশ ভূঞা আৰু মাৰ্ঘেৰিটাৰ ৰাইজৰ দলৰ প্ৰাৰ্থী ৰাহুল চেত্ৰী স্নাতকোত্তৰ ডিগ্ৰীধাৰী

# তিনিচুকীয়া জিলাৰ ছয় সমষ্টিৰ ২৮ প্ৰাৰ্থীৰ কাৰ কিমান শিক্ষাগত অৰ্হতা

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৫ মাৰ্চ ঃ** অসম বিধানসভাৰ আগন্তুক সাধাৰণ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ গৃহীত হোৱা তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডিগবৈ, তিনিচুকীয়া, ডুমডুমা, শদিয়া আৰু নৱগঠিত মাকুম বিধানসভা সমষ্টিক ধৰি ছয় সমষ্টিৰ সৰ্বমুঠ ২৮ গৰাকী প্ৰাৰ্থীয়ে নিজ নিজ মনোনয়ন পত্ৰত উল্লেখ কৰা শিক্ষাগত অৰ্হতাক লৈ জিলাখনত ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। সেই অনুসৰি, দুগৰাকী প্ৰাৰ্থী স্নাতকোত্তৰ, আঠগৰাকী স্নাতক, দুগৰাকীৰ বৃত্তিগত অৰ্হতা থকাৰ বিপৰীতে সাতগৰাকী প্ৰাক স্নাতক আৰু ছগৰাকী মেট্ৰিক উত্তীৰ্ণ প্ৰাৰ্থী। তিনিগৰাকী প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা ষষ্ঠ শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ভিতৰত। উল্লেখ্য যে, শদিয়াৰ অজাপ প্ৰাৰ্থী জগদীশ ভূঞা আৰু মাৰ্ঘেৰিটাৰ ৰাইজৰ দলৰ প্ৰাৰ্থী ৰাহুল চেত্ৰীৰ শিক্ষাগত অৰ্হতা স্নাতকোত্তৰ। স্নাতকৰ তালিকাত আছে শদিয়াৰ নিৰ্দলীয় প্ৰাৰ্থী আব্ৰাহাম তিৰ্কী, ডুমডুমাৰ বিজেপি প্ৰাৰ্থী ৰূপেশ গোৱালা, ডুমডুমাৰ কংগ্ৰেছ প্ৰাৰ্থী দুৰ্গা ভূমিজ, মাৰ্ঘেৰিটাৰ জে এম চিৰ প্ৰাৰ্থী জাৰ্ণেল মিঞ্জ, মাকুম সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ দিলীপ মৰাণ, নিৰ্দলীয় লক্ষ্যজ্যোতি ৰাজখোৱা আৰু পদ্মকান্ত চুতীয়া আৰু তিনিচুকীয়াৰ নিৰ্দলীয় প্ৰাৰ্থী গোবিন্দ জইছী। আনহাতে ডিগবৈৰ জে এম চিৰ প্ৰাৰ্থী ভৰত নায়কৰ শিক্ষাগত অৰ্হতা এম বি এ হোৱাৰ বিপৰীতে তিনিচুকীয়া সদৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ডেভিড ফুকন আইনত স্নাতক। প্ৰাক্ স্নাতক পৰ্যায়ৰ প্ৰাৰ্থীসকল হ'ল ডিগবৈৰ দুলাল মৰাণ, শদিয়াৰ বিজেপি প্ৰাৰ্থী বলীন চেতিয়া, মাৰ্ঘেৰিটা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ভাস্কৰ শৰ্মা, মাকুমৰ কংগ্ৰেছ প্ৰাৰ্থী শিৱনাথ চেতিয়া, তিনিচুকীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী পুলক গোহাঁই, নিৰ্দলীয় প্ৰাৰ্থী জিন্তু বৰা আৰুজনী কিৰণ নায়ক। ডিগবৈৰ বিজেপি প্ৰাৰ্থী সুৰেন ফুকন, শদিয়াৰ নিৰ্দলীয় প্ৰাৰ্থী ললিত দেউৰী আৰু দিলীপ বৰগোহাঁই, মাকুমৰ বিজেপি প্ৰাৰ্থী তথা প্ৰাক্তন শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়াৰ ৰিপাব্লিক পাৰ্টীৰ প্ৰাৰ্থী ইজৰাইল নন্দ আৰু নিৰ্দলীয় লালন চাহানীৰ শিক্ষাগত অৰ্হতা মেট্ৰিক উত্তীৰ্ণ। সৰ্বমুঠ ২৮ গৰাকী প্ৰাৰ্থীৰ ভিতৰত তিনিগৰাকী আকৌ মেট্ৰিক অনুত্তীৰ্ণ প্ৰাৰ্থী। তেওঁলোক হ'ল ডিগবৈৰ নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণ, তৃণমূল কংগ্ৰেছৰ জীতেন নাগ আৰু তিনিচুকীয়াৰ নিৰ্দলীয় প্ৰাৰ্থী ভৈৰৱ ভগত। এতিয়া ভোটাৰ ৰাইজে প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতাক গুৰুত্ব দিব নে, প্ৰাৰ্থীগৰাকীৰ ব্যক্তিত্ব কিম্বা ৰাজনৈতিক বিচক্ষণতাক গুৰুত্ব দিব সেয়া লক্ষণীয় হ'ব যদিও প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰৰ সৈতে দাখিল কৰা শিক্ষাগত অৰ্হতাই উন্মোচিত কৰিছে কেতবোৰ বিশেষ তাৎপৰ্য। ইয়াৰ কিবা বিশেষ প্ৰভাৱ আগন্তুক নিৰ্বাচনত পৰে নে নপৰে সেয়াও নিশ্চয়কৈ লক্ষণীয় হব।

# নাজিৰাৰ সৰ্বাংগীণ উন্নয়নৰ বাবেই নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা সমাজসেৱী দিলোৱাৰ হুছেইনৰ

**অসম বাৰ্তা, নামতি, ২৫ মাৰ্চ ঃ** সমাগত অসম বিধানসভা নিৰ্বাচনলৈ কেইটামান দিন বাকী থকা অৱস্থাত শাসকীয় বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ লগতে প্ৰধান বিৰোধী ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগতে মিত্ৰদল অসম জাতীয় পৰিষদ, ৰাইজৰ দলৰ সমান্তৰালভাৱে চিপিআই আৰু নিৰ্দলীয় ভাৱে প্ৰতিদন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী সকলেও নিৰ্বাচনী প্ৰচাৰ কাৰ্য তুংগত কৰি তুলিছে। ২০২৬ ৰ বিধানসভা নিৰ্বাচনত নৱগঠিত ৯৭ নং নাজিৰা বিধানসভা সমষ্টিত বিজেপি, কংগ্ৰেছ, চিপিআই দলকে ধৰি নিৰ্দলীয় প্ৰাৰ্থী সহ মুঠ ৮ জনে প্ৰতিদন্দ্বিতা আগবঢ়াইছে। শাসকীয় বিজেপি দলৰ প্ৰাৰ্থী ময়ূৰ বৰগোহাঁই, ভাৰতীয় জাতীয় কংগ্ৰেছৰ দেৱব্ৰত শইকীয়া, চি পি আইৰ কনক গগৈ সহ জয়ৰাম চৰাইমুৰীয়া, গাফৰাণুৰ ৰহমান, পংকজ মহন্ত, দিলোৱাৰ হুছেইন আৰু দিলীপ চাহুৱে নিৰ্দলীয়ভাৱে প্ৰতিদন্দ্বিতা আগবঢ়াইছে। দিলোৱাৰ হুছেইনে কালি সন্ধিয়া নাজিৰা নগৰৰ ছয় নং ৱাৰ্ডত এখনি সংবাদমেল সম্বোধন কৰি কয়, দেশৰ স্বাধীনতাৰ ৭৯ বৰ্ষ অতিক্ৰম কৰিলে যদিও দেশ তথা অসমৰ আন আন ঠাইৰ তুলনাত নাজিৰা উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত বৰ্তমানেও অনগ্ৰসৰ। ৯০ দশকত এই নাজিৰাৰ পৰাই এক প্ৰকাৰে সমগ্ৰ অসম শাসিত হৈছিল। নাজিৰা সমষ্টিত প্ৰতিনিধিত্ব কৰা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াই দুটা কাৰ্যালয় মুখ্যমন্ত্ৰী, তেখেতৰ সহধৰ্মিনী ড° হেমপ্ৰভা শইকীয়া মন্ত্ৰী আৰু বৰ্তমানে ১৫টা বছৰে তেখেতৰ সুযোগ্য সন্তান দেৱব্ৰত শইকীয়াই অসম বিধানসভাৰ বিৰোধী দলৰ দলপতি হিচাপে প্ৰতিনিধিত্ব কৰি আহিছে। কিন্তু আজি পৰ্যন্ত নাজিৰাৰ শৈক্ষিক, স্বাস্থ্য, সাংস্কৃতিক, ক্ৰীড়া তথা সামাজিক ক্ষেত্ৰখনৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত বহু পিছপৰি ৰৈছে। তেনে ক্ষেত্ৰত নাজিৰাৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ প্ৰতি লক্ষ্য ৰাখিয়েই এইবাৰ নিৰ্বাচনত নিৰ্দলীয় ভাৱে প্ৰতিদন্দ্বিতা আগবঢ়োৱা হৈছে। একালত গৰীয়া মৰিয়া দেশী জাতীয় পৰিষদক নেতৃত্ব দি অহাৰ পিছত দীৰ্ঘকাল ৰাইজৰ দলৰ নাজিৰা বিধানসভা সমষ্টিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা দিলোৱাৰ হুছেইনে সংবাদ মাধ্যমৰ আগত লগতে কয়, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ ৰাজনৈতিক দৰ্শন আৰু আদৰ্শক শিৰোগত কৰি নাজিৰাত বাকী ৰৈ যোৱা উন্নয়ন মূলক কাম তথা এখন বিশ্ববিদ্যালয় স্থাপন কৰা, এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা, প্ৰতিটো পঞ্চায়ত আৰু পৌৰ এলেকাত একোখনিকৈ উন্নত মানৰ ক্ৰীড়া প্ৰকল্প, বিভিন্ন ক্ষেত্ৰৰ উদ্যোগ স্থাপনেৰে নিবনুৱা সমস্যা সমাধানৰ প্ৰদক্ষেপ গ্ৰহণ কৰা, বৰ্তমান সময়তো অসম-নাগালেণ্ড সীমান্তৱৰ্তী বিবদমান এলেকাত নগাৰ আগ্ৰাসন ৰোধ আৰু অসমৰ ভূখণ্ডত নগাৰ বেদখল মুক্ত কৰা লক্ষ্য আগত ৰখা হৈছে। এইবাৰৰ নিৰ্বাচনত তেখেতৰ প্ৰধান প্ৰতিদ্বন্দ্বী কোন বুলি সংবাদসেৱীয়ে প্ৰশ্ন অৱতাৰণা কৰাত দিলোৱাৰ হুছেইনে কয়, কংগ্ৰেছৰ দুৰ্গ হিচাপে খ্যাত তথা অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু শাসকীয় পক্ষৰ ময়ূৰ বৰগোহাঁইৰ সমষ্টিবাসীৰ মাজত প্ৰভাৱ থাকিলেও নিৰ্দলীয় ভাৱে দিলোৱাৰ হুছেইন দুয়োগৰাকী নেতাৰ বাবে প্ৰত্যাহ্বান হিচাপে থিয় দিছোঁ। সমষ্টিটোৰ পৰা ছিণ্ডিকেট, কমিচন ৰাজ আৰু গুণ্ডাগিৰি অৱসান ঘটাই জনগণৰ অধিকাৰ, অৰ্থনৈতিক ভাৱে ঔদ্যোগিক নগৰী ৰূপে গঢ় দিয়াৰ পৰিকল্পনাৰে নিৰ্দলীয় ভাৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা হৈছে বুলি ব্যক্ত কৰে দিলোৱাৰ হুছেইনে আৰু নাজিৰাবাসী ৰাইজে এইবাৰ নিৰ্বাচনত উন্নয়ন আৰু বিকাশৰ স্বাৰ্থত জয়ী কৰি বিধানসভালৈ পঠাব বুলি আশাবাদী। সংবাদমেলত নিৰ্দলীয় প্ৰাৰ্থী দিলোৱাৰ হুছেইনক সংগ দিয়ে তেখেতৰ নিৰ্বাচনী প্ৰচাৰ সমিতিৰ কাৰ্যকৰী সভাপতি ছমিউৰ ৰহমান, উপ-সভাপতি নবুল আহমেদ, সাধাৰণ সম্পাদক নছিউৰ ৰহমান হাজৰিকা আৰু সাংগাঁথনিক সম্পাদক আব্দুল ছাদিকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন